www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

তুমি নিজে এজন সাধু হোৱা আৰু তেতিয়া তুমি নিঃসন্দেহে ক'ব পাৰিবা যে এজন অসৎ লোক পৃথিৱীৰ পৰা কমি গৈছে। - কাৰ্লাইল

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

❒ প্ৰথম বছৰ ❒ সংখ্যা-৩২৬ ❒ দেওবাৰ ❒ ৪ অক্টোবৰ, ২০২৬ চন ❒ Volume/Year- I ❒ Issue- 326 ❒ Sunday ❒ 4th October, 2026 ❒ Asom Barta, Majuli ❒ PRGI Reg. No.- ASASS/25/A2361 ❒ Price- Rs. 10 ❒ Total Page-8

## ৯২ সংখ্যক জন্মবাৰ্ষিকীত প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াক প্ৰদেশ কংগ্ৰেছৰ শ্ৰদ্ধাঞ্জলি

**ৰাজীৱ ভৱনত আৱক্ষ মূৰ্তিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন**



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩ অক্টোবৰ ঃ** অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়াৰ ৯২ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে অসম প্ৰদেশ কংগ্ৰেছে তেওঁক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰিছে। শনিবাৰে গুৱাহাটীস্থিত প্ৰদেশ কংগ্ৰেছৰ কেন্দ্ৰীয় কাৰ্যালয় ৰাজীৱ ভৱনত এই উপলক্ষে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ ❒ ৬ পৃষ্ঠাত

## প্ৰাথমিক স্তৰৰ বৃত্তি প্ৰদান বন্ধ কৰাৰ সিদ্ধান্তক AISECৰ তীব্ৰ গৰিহণা

**শিক্ষা বিৰোধী সিদ্ধান্ত অতি সোনকালে বাতিলৰ দাবী**

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৩ অক্টোবৰ ঃ** চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ প্ৰদান আৰু তেওঁলোকৰ মাজত প্ৰতিযোগিতামূলক মনোভাৱ গঢ়ি তোলাৰ উদ্দেশ্যে প্ৰাথমিক স্তৰত অতীজৰে পৰা চলি অহা বৃত্তি প্ৰদানৰ ব্যৱস্থা সম্পূৰ্ণৰূপে বন্ধ কৰাৰ দৰে অসম চৰকাৰৰ শিক্ষা বিৰোধী তথা কঠোৰ সিদ্ধান্তক All India Save Education Committee (AISEC)ৰ অসম ৰাজ্যিক কমিটিয়ে তীব্ৰ গৰিহণা ❒ ৬ পৃষ্ঠাত

**মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাৰ শ্ৰদ্ধা নিবেদন**

## জন্মদিনত গোৱালপৰীয়া লোকগীতৰ প্ৰথিতযশা শিল্পী প্ৰতিমা বৰুৱা পাণ্ডেক ৰাজ্যজুৰি শ্ৰদ্ধাঞ্জলি



**নিউজ ডেস্ক, অসম বাৰ্তা, ৩ অক্টোবৰ ঃ** গোৱালপৰীয়া লোকগীতৰ প্ৰথিতযশা শিল্পী তথা পদ্মশ্ৰী সন্মানেৰে সন্মানিত প্ৰতিমা বৰুৱা পাণ্ডেৰ জন্মদিন উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। ধুবৰী জিলাৰ গৌৰীপুৰত শিল্পীগৰাকীৰ ওপজা দিন উপলক্ষে স্মৃতিচাৰণ, সাংস্কৃতিক অনুষ্ঠান আৰু লোকসংগীতৰ কাৰ্যসূচীৰে তেওঁলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ধুবৰী জিলা অসম সাহিত্য সভাইও দিনজোৰা কাৰ্যসূচীৰে শিল্পীগৰাকীৰ জন্মবাৰ্ষিকীৰ আয়োজন কৰিছে। ইয়াৰ উপৰি জিলাখনৰ বিলাসীপাৰা আৰু চাপৰতো বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে। ইপিনে, মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই গোৱালপৰীয়া লোকগীতৰ যশস্বী শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে শ্ৰদ্ধা নিবেদন কৰিছে। এক বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতিমা বৰুৱা পাণ্ডেই গোৱালপৰীয়া লোকগীতৰ সুৰত অসমৰ মাটি, মানুহ আৰু জীৱনৰ সজীৱ ছবি আঁকি থৈ গৈছে। শিল্পীগৰাকীৰ কণ্ঠত মাটিৰ গোন্ধ, ❒ ৬ পৃষ্ঠাত

**২০২৬-২৭ পৰ্যটন বৰ্ষ আৰম্ভ ঃ ফিতা কাটি উদ্বোধন বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ**

# পুনৰ পৰ্যটকৰ বাবে মুকলি কাজিৰঙা



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৩ অক্টোবৰ ঃ** বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ২০২৬-২৭ পৰ্যটন বৰ্ষৰ বাবে পুনৰ পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। শনিবাৰে পুৰা কঁহৰা বনাঞ্চলৰ মিহিমুখ প্ৰৱেশদ্বাৰত বন আৰু পৰ্যটন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ফিতা কাটি আনুষ্ঠানিকভাৱে উদ্যানখন মুকলি কৰে। এই অনুষ্ঠানত মন্ত্ৰী অতুল বৰা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বন বিভাগৰ উচ্চপদস্থ বিষয়া, জিলা প্ৰশাসনৰ বিষয়া, পৰ্যটন বিভাগৰ বিষয়া-কৰ্মী, পৰ্যটন উদ্যোগী, স্থানীয় ৰাইজ আৰু পৰ্যটকসকল উপস্থিত থাকে। উদ্যানখন মুকলি হোৱাৰ লগে লগে পৰ্যটকৰ বাবে জীপ-ছাফাৰি সেৱাও আৰম্ভ হয়। কাজিৰঙাৰ নৈসৰ্গিক পৰিৱেশ, গঁড়, ঢেকীয়াপতীয়া বাঘ, বন্যহস্তী আৰু বিভিন্ন প্ৰজাতিৰ বন্যপ্ৰাণী চাবলৈ প্ৰতি বছৰে দেশী-বিদেশী পৰ্যটকৰ ভিৰ হয়। সেই লক্ষ্যৰে এইবাৰো পৰ্যটন বৰ্ষৰ আৰম্ভণিতে বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলখন পৰ্যটকৰ বাবে পুনৰ মুকলি কৰা হয়। উদ্যান উদ্বোধন ❒ ৬ পৃষ্ঠাত

## লাহৰীঘাটত সঘনে সলনি হৈছে সংখ্যালঘু ভোটাৰৰ অংক

**নিশা গৌৰৱ গগৈৰ সৈতে আলিম সমাজৰ বৈঠক**



**অসম বাৰ্তা ভূৰাগাঁও ৩ অক্টোবৰ ঃ** নগাঁও লোকসভাৰ উপ-নিৰ্বাচনলৈ মাজত মাত্ৰ দুটা দিন। এনে সন্ধিক্ষণত ৮ বিধানসভা সমষ্টিত থকা মুঠ ১১ লক্ষাধিক সংখ্যালঘু ভোটাৰৰ মাজত ওজন বৃদ্ধি কৰিবৰ কাৰণে প্ৰতিটো দলেই অহোপুৰুষাৰ্থ চেষ্টা কৰিছে। সংখ্যালঘু লোকক অনবৰতে তুচ্ছ - তাৎচিল্য কৰা মুখ্যমন্ত্ৰীৰ পৰা আৰম্ভ কৰি দীলিপ শইকীয়ালৈ মুছলমান প্ৰীতি পদৰ্শন কৰাৰ সমান্তৰালকৈ কংগ্ৰেছ আৰু এ আই ইউ ডি এফেও যিমান পাৰে নিজৰ দূৰ্গ অক্ষত ৰখাৰ চেষ্টাত নামি পৰা সময়তে আজি লাহৰীঘাটৰ উলুবাৰীত দেখা গ'ল অন্য ❒ ৬ পৃষ্ঠাত

**▪ মৰিগাঁৱৰ কুশতলিত হিমন্ত বিশ্ব শৰ্মাৰ বৃহৎ নিৰ্বাচনী সভা ▪**

## মমতাজৰ পুত্ৰয়ো বিজেপিত ভোট দিব ঃ ডº হিমন্ত বিশ্ব শৰ্মা



**অসম বাৰ্তা, ভূৰাগাঁও, ৩ অক্টোবৰ ঃ** আজি মৰিগাঁও জিলাৰ কুশতলিত হিমন্ত বিশ্ব শৰ্মাই বিজেপিৰ এক বৃহৎ নিৰ্বাচনী সভাৰ অংশ গ্ৰহণ কৰে। কেবা সহস্ৰাধিক লোকৰ উপস্থিতিত হিমন্ত বিশ্ব শৰ্মাই পূৰ্বৰ সভাসমূহৰ দৰেই বিভিন্ন আছনি কোনে পাইছে কোনে পোৱা নাই তাৰ খবৰ সোধে মঞ্চৰ পৰা। মুখ্যমন্ত্ৰী গৰাকীয়ে আগন্তুক নগাঁও লোকসভা নিৰ্বাচনত হিন্দু মুছলমান সকলো লোককে বিজেপিৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাক ভোট দিবৰ বাবে আহ্বান জনাই। বৃহৎ সমাগম দেখি মুখ্যমন্ত্ৰী গৰাকীয়ে দৃঢ়তাৰে কয় যে ❒ ৬ পৃষ্ঠাত

**বিজেপিৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ আজমলৰ বিৰুদ্ধে এজাহাৰ দাখিলক লৈ প্ৰতিক্ৰিয়া**

## দেৱাশিস শৰ্মাই আজমলৰ বিৰুদ্ধে এজাহাৰ দিয়াটো আশীৰ্বাদ হৈ পৰিছে ঃ আজমল



**অসম বাৰ্তা, নগাঁও, ৩ অক্টোবৰঃ** বিজেপিৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাই আজমলৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰাক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে এআইইউডিএফৰ মুৰব্বী তথা নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰাৰ্থী মৌলানা বদৰুদ্দিন আজমলে। এজাহাৰ দাখিলৰ বিষয়টোক নিজৰ বাবে 'আশীৰ্বাদ' বুলি অভিহিত কৰি ❒ ৬ পৃষ্ঠাত

**শনিবাৰেও আন্দোলন ঃ অসমৰ কুংকী চৌধুৰীক আটক**

## জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত পুনৰ উত্তপ্ত দিল্লীৰ যন্তৰ-মন্তৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩ অক্টোবৰ ঃ** দেশৰ মুখ্য নিৰ্বাচন কমিছনাৰ জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত দিল্লীৰ যন্তৰ-মন্তৰ পুনৰ উত্তপ্ত হৈ উঠিছে। শুকুৰবাৰৰ পিছত শনিবাৰেও ৰাজধানী দিল্লীত প্ৰায় একেই পৰিস্থিতি দেখা গৈছে। পদত্যাগৰ দাবীত পুনৰ ৰাজপথত মিছিল কৰা হয়। মিছিল ৰখাবলৈ আৰক্ষীয়ে বেৰিকেড প্ৰতিষ্ঠা কৰে। সেই বেৰিকেড ভাঙি আগুৱাবলৈ চেষ্টা কৰাৰ সময়ত প্ৰতিবাদকাৰীৰ সৈতে আৰক্ষীৰ টনা-আঁজোৰা তথা কথাৰ কটাকটি হয়। এই টনা-আঁজোৰাৰ সময়তে ❒ ৬ পৃষ্ঠাত

**মমতাজ-জাহানাৰাক লৈ অপপ্ৰচাৰৰ অভিযোগ**

## আজমলৰ বিৰুদ্ধে বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ এজাহাৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৩ অক্টোবৰ ঃ** ষষ্ঠ অক্টোবৰত অনুষ্ঠিত হ'বলগীয়া নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিৰোধী পক্ষৰ মূল বিষয় হৈ পৰিছে দুগৰাকী মহিলা-মমতাজ বেগম আৰু জাহানাৰা বেগম। ইতিপূৰ্বে বিদেশী ঘোষিত এই দুগৰাকী মহিলাক ডিটেনশ্বন কেম্পলৈ প্ৰেৰণ কৰা ঘটনাৰ পটভূমিত কংগ্ৰেছ আৰু এআইইউডিএফে নিৰ্বাচনী প্ৰচাৰ চলাইছে বুলি অভিযোগ উঠিছে। সংখ্যালঘু অধ্যুষিত অঞ্চলত অনুষ্ঠিত সভা-সমিতিত এই দুগৰাকী মহিলাক লৈ সেই সময়ৰ নগাঁও জিলা আয়ুক্ত তথা ❒ ৬ পৃষ্ঠাত

**ফাইনেলত পাকিস্তানক ১৯ ৰানত পৰাস্ত**

## এছিয়ান গেমছৰ পুৰুষ ক্ৰিকেটত ভাৰতৰ ঐতিহাসিক স্বৰ্ণ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩ অক্টোবৰ ঃ** এছিয়ান গেমছৰ পুৰুষ ক্ৰিকেট ফাইনেলত ভাৰতীয় দলে পাকিস্তানক ১৯ ৰানত পৰাস্ত কৰি সোণৰ পদক অৰ্জন কৰিছে। এই জয়ৰ ফলতে টীম ইণ্ডিয়াই এছিয়ান গেমছৰ পুৰুষ ক্ৰিকেটত এক ঐতিহাসিক সাফল্য লাভ কৰিলে। ফাইনেলখনত প্ৰথমে বেটিং কৰি ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ছ উইকেটৰ বিনিময়ত ২১১ ৰান সংগ্ৰহ কৰে। ভাৰতীয় ইনিংছত অভিষেক শৰ্মাই ৬৮ ৰান আৰু তিলক বৰ্মাই ৫১ ৰান কৰে। ইয়াৰ পিছত ২১২ ৰানৰ লক্ষ্য ❒ ৬ পৃষ্ঠাত

## ডিচেম্বৰ বা জানুৱাৰীত উদ্বোধন হ'ব জাগীৰোড ছেমিকণ্ডাক্টৰ প্ৰকল্প ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৩ অক্টোবৰ ঃ** অসমবাসীৰ বাবে সুখবৰ। জাগীৰোডত নিৰ্মীয়মান ছেমিকণ্ডাক্টৰ প্ৰকল্প শীঘ্ৰে মুকলি হ'ব। ইতিমধ্যে প্ৰকল্পটোত পৰীক্ষামূলক ছেমিকণ্ডাক্টৰ উৎপাদন আৰম্ভ হৈছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জানিবলৈ দিছে। শনিবাৰে মুখ্যমন্ত্ৰীগৰাকীয়ে জাগীৰোডৰ নিৰ্মীয়মান ছেমিকণ্ডাক্টৰ প্ৰকল্প পৰিদৰ্শন কৰি এই মন্তব্য আগবঢ়ায়। প্ৰকল্পটো কেতিয়া উদ্বোধন হ'ব বুলি সাংবাদিকসকলে সোধা প্ৰশ্নৰ উত্তৰত তেওঁ কয়, "ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ এটা ক্লিন ৰুমৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। দ্বিতীয়টো ক্লিন ৰুমৰ নিৰ্মাণ কাৰ্য চলি আছে। প্ৰকল্পটোৰ নিৰ্মাণ সম্পূৰ্ণ হ'লে জাগীৰোড ছেমিকণ্ডাক্টৰ প্ৰকল্প বিশ্বৰ ভিতৰত সৰ্বাধিক ছেমিকণ্ডাক্টৰ উৎপাদন কৰা কেন্দ্ৰ হিচাপে পৰিণত হ'ব।" তেওঁ লগতে কয়, "জাগীৰোড ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ উদ্বোধন ডিচেম্বৰ বা জানুৱাৰী ❒ ৬পৃষ্ঠাত

**অসমত সম নাগৰিক সংহিতা কাৰ্যকৰীৰ পথ মুকলি**

## ৰাষ্ট্ৰপতিৰ অনুমোদন লাভ ইউচিচিৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ৩ অক্টোবৰ ঃ** অসমৰ আইন আৰু সামাজিক ব্যৱস্থাত এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ সূচনা হৈছে। ৰাজ্যখনত সম নাগৰিক সংহিতা তথা ইউ চি চি কাৰ্যকৰী কৰাৰ ❒ ৬ পৃষ্ঠাত

**গৱেষণা, সংৰক্ষণ আৰু প্ৰসাৰত নতুন অধ্যায় ঃ মুখ্যমন্ত্ৰী**

## তেজপুৰ বিশ্ববিদ্যালয়ত ধ্ৰুপদী অসমীয়া অধ্যয়নৰ উৎকৰ্ষ কেন্দ্ৰ স্থাপন

**নিউজ ডেস্ক, অসম বাৰ্তা, ৩ অক্টোবৰ ঃ** তেজপুৰ বিশ্ববিদ্যালয়ত ধ্ৰুপদী অসমীয়া অধ্যয়নৰ উৎকৰ্ষ কেন্দ্ৰ স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনোৱা সিদ্ধান্তক মুখ্যমন্ত্ৰী ডº হিমন্ত ❒ ৬ পৃষ্ঠাত

**কাৰখানা ভিতৰত কেইবাজনো শ্ৰমিক আবদ্ধ; মুখ্যমন্ত্ৰীৰ গভীৰ শোক**

## অন্ধ্ৰ প্ৰদেশৰ ঔষধ কাৰখানাত ভয়াবহ বিস্ফোৰণত নিহত ৫, আহত ১২

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩ অক্টোবৰ ঃ** অন্ধ্ৰ প্ৰদেশৰ তিৰুপতি জিলাৰ শ্ৰী চিটীত অৱস্থিত এক ঔষধ প্ৰস্তুতকৰণ কাৰখানাত শনিবাৰে ভয়াবহ বিস্ফোৰণ সংঘটিত হয়। এই দুৰ্ঘটনাত এতিয়ালৈকে পাঁচজন লোকৰ মৃত্যু হৈছে আৰু কমেও ৰচজন গুৰুতৰভাৱে আহত হৈছে। নিশা পালিত হঠাৎ সংঘটিত এই বিস্ফোৰণৰ ফলত কেইবাজনো শ্ৰমিক ❒ ৬ পৃষ্ঠাত

**পুৰুষৰ ৫৭ কিলোগ্ৰাম শাখাৰ ফাইনেলত উত্তৰ কোৰিয়াৰ চং ছুঙক পৰাস্ত**

## এছিয়ান গেমছত বিশ্ব চেম্পিয়নক পৰাস্ত কৰি অমন ছেহৰাৱতৰ স্বৰ্ণ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩ অক্টোবৰ ঃ** এছিয়ান গেমছ ২০২৬ত ভাৰতৰ মল্লযুঁজাৰু অমন ছেহৰাৱতে ঐতিহাসিক সাফল্য অৰ্জন কৰিছে। পুৰুষৰ ৫৭ কিলোগ্ৰাম শাখাৰ ফাইনেলত তেওঁ বিশ্বৰ প্ৰথম স্থানৰ মল্লযুঁজাৰু উত্তৰ কোৰিয়াৰ চং ছুঙক ১১-৭ ব্যৱধানত পৰাস্ত কৰি স্বৰ্ণ পদক জয় কৰে। এই জয়ৰ লগে লগে ভাৰতৰ পদক তালিকাত ২০সংখ্যক স্বৰ্ণ পদক যোগ হয়। মল্লযুঁজত এয়া ভাৰতৰ দ্বিতীয়টো স্বৰ্ণ। অমনৰ বাবে এয়া এছিয়ান গেমছৰ প্ৰথমটো স্বৰ্ণ; ২০২২ চনৰ এছিয়ান গেমছত তেওঁ ব্ৰঞ্জৰ ❒ ৬ পৃষ্ঠাত

**হৰমনপ্ৰীতৰ দুটা গল; যুগৰাজ, হাৰ্দিক আৰু শিলানন্দৰ এটাকৈ গল**

## এছিয়ান গেমছৰ হকীত ভাৰতৰ স্বৰ্ণজয়

**▪ ২০২৮ চনৰ লছ এঞ্জেলছ অলিম্পিকৰ বাবে যোগ্যতা অৰ্জন ▪**



**নিউজ ডেস্ক, অসম বাৰ্তা, ৩ অক্টোবৰ ঃ** চলিত এছিয়ান গেমছৰ পুৰুষ হকী ফাইনেলত ভাৰতীয় দলে মালয়েছিয়াক ৫-১ গলত পৰাস্ত কৰি স্বৰ্ণ পদক জয় কৰিছে। এই ঐতিহাসিক জয়ৰ লগে লগে ভাৰতীয় পুৰুষ হকী দলে ২০২৮ চনৰ লছ এঞ্জেলছ অলিম্পিকৰ বাবেও যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। ফাইনেলত ভাৰতৰ হৈ অধিনায়ক হৰমনপ্ৰীত সিঙে দুটা গল কৰে। তেওঁ ১১ আৰু ৫৭ মিনিটত গল দুটা দিয়ে। আনহাতে, যুগৰাজ সিঙে ২৩ মিনিটত, হাৰ্দিক সিঙে ৪২ মিনিটত আৰু শিলানন্দ লাক্ৰাই ৫৪ মিনিটত এটাকৈ গল কৰে। ভাৰতীয় দলৰ আক্ৰমণাত্মক খেলৰ সন্মুখত মালয়েছিয়াৰ ৰক্ষণব্যৱস্থা ভাঙি পৰে আৰু ভাৰতে স্পষ্ট ব্যৱধানত জয় লাভ ❒ ৬ পৃষ্ঠাত

# বন্তিৰে সন্মান, এদিন পিছতে হাবিৰ মাজত মোদী-মুখ্যমন্ত্ৰীৰ কাট-আউট

## গহপুৰত বিজেপিৰ 'সংস্কাৰ'ক লৈ প্ৰশ্ন সচেতন মহলৰ, বিধায়ক উৎপল বৰাৰ স্পষ্টীকৰণ দাবী

**অসম বাৰ্তা, গহপুৰ, ৩ অক্টোবৰ** ঃ ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে যোৱা ১৭ ছেপ্টেম্বৰত গহপুৰ বিধানসভা সমষ্টিৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত 'আশীৰ্বাদ বন্তি' প্ৰজ্বলন কাৰ্যসূচীৰ পিছত সৃষ্টি হোৱা এক দৃশ্যই এতিয়া গহপুৰত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। গহপুৰ বিধানসভা সমষ্টিৰ বিধায়ক উৎপল বৰাৰ আহ্বানত দলীয় সতীৰ্থ আৰু ৰাইজৰ সহযোগত ১৭ ছেপ্টেম্বৰৰ সন্ধিয়া সমষ্টিটোৰ বিভিন্ন স্থানত 'আশীৰ্বাদ বন্তি' প্ৰজ্বলন কৰা হৈছিল। কাৰোবাৰ ঘৰৰ পদূলিৰ পৰা ৰাজহুৱা স্থানলৈকে বিভিন্ন ঠাইত প্ৰজ্বলিত হৈছিল এই বন্তি। কাৰ্যসূচীৰ অংশ হিচাপে পূব ছয়দুৱাৰ মণ্ডলৰ কলাবাৰী চেণ্টাৰ, গহপুৰ নগৰৰ বৰপুখুৰী পাৰ আৰু ঘাঁহিগাঁৱৰ হনুমান মন্দিৰকে ধৰি বিভিন্ন ঠাইত অনুষ্ঠিত বন্তিপ্ৰজ্বলন কাৰ্যসূচীত বিধায়ক উৎপল বৰাই নিজেও অংশগ্ৰহণ কৰিছিল। ইফালে, সেইদিনা গহপুৰ নগৰৰ মাজমজিয়াত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ডিভাইডাৰত আৰু ঘাঁহিগাঁও ষ্টেডিয়ামৰ সন্মুখত একেটা ৰাষ্ট্ৰীয় ঘাইপথৰ ডিভাইডাৰত স্থাপন কৰা হৈছিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বৃহৎ আকাৰৰ ফটো কাট-আউট। বিশেষকৈ ঘাঁহিগাঁও ষ্টেডিয়ামত ছয়দুৱাৰ মণ্ডল বিজেপি আৰু আমতলা গাঁও পঞ্চায়তৰ উদ্যোগত বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণৰ বাবে এই কাট-আউট দুটা স্থাপন কৰা হৈছিল বুলি জানিব পৰা গৈছে। কিন্তু অভিযোগ অনুসৰি, অনুষ্ঠান শেষ হোৱাৰ পিছত প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ সেই বৃহৎ আকাৰৰ ফটো কাট-আউট দুটা সন্মান সহকাৰে সংৰক্ষণ কৰাৰ পৰিৱৰ্তে ঘাঁহিগাঁও ষ্টেডিয়ামৰ সন্মুখৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ হাবি-জংঘলৰ মাজত পেলাই থোৱা অৱস্থাত পোৱা গৈছে। আজি একাংশ সচেতন লোকে এই দৃশ্য প্ৰত্যক্ষ কৰাৰ পিছতে বিষয়টোৱে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। বন্তি জ্বলাই এদিন পূৰ্বে যিসকল নেতাক সন্মান জনোৱা হৈছিল, সেইসকলৰ ছবি পৰৱৰ্তী সময়ত এনেদৰে হাবিৰ মাজত পেলাই থোৱা ঘটনাক লৈ স্বাভাৱিকতে প্ৰশ্ন উত্থাপন কৰিছে সচেতন মহলে। 'সংস্কাৰ' আৰু শৃংখলাৰ কথা সততে উল্লেখ কৰা বিজেপিৰ নেতৃত্বৰ অধীনতে যদি দেশৰ প্ৰধানমন্ত্ৰী আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ ছবি ব্যৱহাৰ কৰাৰ পিছত এনেদৰে পেলাই থোৱা হয়, তেন্তে এয়া কিমানদূৰ দলীয় সংস্কাৰ আৰু শিষ্টাচাৰৰ পৰিচায়ক— সেই প্ৰশ্নও উত্থাপন কৰিছে একাংশ লোকে। গহপুৰৰ একাংশ বৌদ্ধিক আৰু সচেতন নাগৰিকে অভিযোগ কৰে যে, ৰাজনৈতিক কাৰ্যসূচীত ব্যৱহাৰ কৰা এনে ছবি বা কাট-আউট অনুষ্ঠানৰ পিছত অন্ততঃ সন্মানজনকভাৱে আঁতৰাই সংৰক্ষণ অথবা যথাযথভাৱে নিষ্পত্তি কৰাৰ দায়িত্ব সংশ্লিষ্ট আয়োজকৰ। কিন্তু তাৰ পৰিৱৰ্তে হাবি-জংঘলৰ মাজত পেলাই থোৱা ঘটনাই সংশ্লিষ্ট নেতৃত্বৰ দায়িত্ববোধক লৈ প্ৰশ্ন উত্থাপন কৰিছে। ঘটনাটোক লৈ বিভিন্ন দল-সংগঠন আৰু সচেতন মহলৰ মাজতো প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। তেওঁলোকে কয় যে, এফালে বন্তি প্ৰজ্বলন কৰি প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীক সন্মান জনোৱা আৰু আনফালে অনুষ্ঠানৰ পিছতে তেওঁলোকৰ বৃহৎ কাট-আউট হাবিৰ মাজত পেলাই থোৱা- এই দুটা ছবিৰ মাজত এক স্পষ্ট বৈপৰীত্য পৰিলক্ষিত হৈছে। এই সমগ্ৰ বিষয়টো সন্দৰ্ভত গহপুৰ বিধানসভা সমষ্টিৰ বিধায়ক উৎপল বৰাৰ পৰা উপযুক্ত স্পষ্টীকৰণ দাবী কৰিছে গহপুৰৰ বৌদ্ধিক আৰু সচেতন মহলে। এদিনৰ সন্মানৰ পিছত হাবিত অৱহেলিত ছবি- এই দৃশ্যই এতিয়া গহপুৰৰ ৰাজনীতিত 'সংস্কাৰ'ৰ দাবীক লৈ নতুনকৈ প্ৰশ্নৰ অৱকাশ সৃষ্টি কৰিছে।

# উৎকৃষ্ট সেৱাৰ স্বীকৃতি; আৰক্ষী সঞ্চালক প্ৰধানৰ প্ৰশংসনীয় পদক লাভ কৰা বিশ্বনাথৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আছিফ আহমেদলৈ অভিনন্দন

**অসম বাৰ্তা, গহপুৰ, ৩ অক্টোবৰ** ঃ উৎকৃষ্ট কৰ্মদক্ষতা, কৰ্তব্যনিষ্ঠা আৰু উল্লেখনীয় সেৱাৰ স্বীকৃতিস্বৰূপে অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান কাৰ্যালয়ে প্ৰদান কৰা ২০২৬ বৰ্ষৰ "আৰক্ষী সঞ্চালক প্ৰধানৰ প্ৰশংসনীয় পদক" লাভ কৰি গৌৰৱ কঢ়িয়াই আনিছে বিশ্বনাথ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আছিফ আহমেদে। উক্ত সন্মানত তেওঁ স্বৰ্ণ পদক লাভ কৰি নিজৰ যোগ্যতা প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈছে। জ্যেষ্ঠ আৰক্ষী অধীক্ষক আছিফ আহমেদৰ এই সন্মান লাভৰ খবৰে বিশ্বনাথ জিলাত আনন্দ আৰু উৎসাহজনক পৰিৱেশৰ সৃষ্টি কৰিছে। তেওঁৰ এই কৃতিত্বৰ বাবে জিলাখনৰ বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে বিভিন্নজনে আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে তেওঁক। উল্লেখযোগ্য যে, বিশ্বনাথ জিলাত জ্যেষ্ঠ আৰক্ষী অধীক্ষক হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পিছৰে পৰা মাত্ৰ কেইটামান দিনৰ ভিতৰতে আছিফ আহমেদৰ নেতৃত্বত জিলাখনত অপৰাধ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কেইবাটাও উল্লেখনীয় অভিযান চলোৱা হৈছে। বিশেষকৈ গৰু চুৰি, ঘৰ চুৰি আদিৰ সৈতে জড়িত বিভিন্ন অসাধু চক্ৰৰ বিৰুদ্ধে অভিযান চলাই কেইবাজনো অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে বিশ্বনাথ আৰক্ষী। ইয়াৰ উপৰি জিলাখনত সক্ৰিয় হৈ থকা নকল সোণৰ বেহাৰ সৈতে জড়িত কেইবাজনো লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে ড্ৰাগছ, ভাং আৰু নকল টকাৰ বিৰুদ্ধেও আৰক্ষীয়ে কেইবাটাও সফল অভিযান চলাইছে। অৰুণাচলত বন্দী হৈ থকা কেইবাগৰাকী শিশু আৰু নাবালিকাক উদ্ধাৰ কৰাৰ লগতে উক্ত নাৰী সৰবৰাহৰ লগত জড়িত চক্ৰ সমূহক গ্ৰেপ্তাৰ কৰাত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে আছিফ আহমেদে। আৰক্ষীৰ এই অভিযানসমূহৰ ফলত অপৰাধমূলক কাৰ্যকলাপৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণৰ এক বাৰ্তা প্ৰেৰণ হৈছে। কৰ্তব্য পালনত নিষ্ঠা, নেতৃত্বদানৰ দক্ষতা, অপৰাধ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা আৰু উল্লেখনীয় সেৱাৰ স্বীকৃতিস্বৰূপেই জ্যেষ্ঠ আৰক্ষী অধীক্ষক আছিফ আহমেদে "আৰক্ষী সঞ্চালকপ্ৰধানৰ প্ৰশংসনীয় পদক"ৰ স্বৰ্ণ পদক লাভ কৰা বুলি জানিব পৰা গৈছে। তেওঁৰ এই সন্মানক বিশ্বনাথ আৰক্ষীৰ বাবে এক গৌৰৱৰ মুহূৰ্ত হিচাপে অভিহিত কৰি জিলাখনৰ বিভিন্ন মহলে অভিনন্দন জ্ঞাপন কৰাৰ লগতে আগন্তুক দিনতো জিলাখনৰ আইন-শৃংখলা আৰু জনসুৰক্ষাৰ ক্ষেত্ৰত অধিক সফলতাৰে কাম কৰি যাবলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

## উন্নয়ন খণ্ড পৰ্যায়ত অনুষ্ঠিত হ'ব বিশেষ সেৱা শিবিৰ

# শিৱসাগৰ জিলাত 'সেৱা সেতু অভিযান- চৰকাৰ আপোনাৰ দুৱাৰত'

**অসম বাৰ্তা, ষ্টাফ ৰিপ'টাৰ, শিৱসাগৰ, ৩ অক্টোবৰ** ঃ 'সেৱা সংকল্প অভিযান- ২০২৬'-ৰ অংশ স্বৰূপে শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত জিলাখনৰ পাঁচোটা উন্নয়ন খণ্ডত 'সেৱা সেতু অভিযান- চৰকাৰ আপোনাৰ দুৱাৰত' শীৰ্ষক বিশেষ সেৱা শিবিৰৰ আয়োজন কৰা হৈছে। বিভিন্ন চৰকাৰী সেৱা আৰু জনকল্যাণমূলক আঁচনিসমূহ পোনপটীয়াকৈ জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাৰ মূল উদ্দেশ্যেৰে ১ অক্টোবৰৰ পৰা ১০ অক্টোবৰলৈ সমগ্ৰ ৰাজ্যজুৰি এই অভিযান অনুষ্ঠিত কৰা হৈছে। জিলাখনৰ সকলো উন্নয়ন খণ্ডতে পুৱা ১০ বজাৰ পৰা এই শিবিৰসমূহ অনুষ্ঠিত হ'ব। এইসূচী অনুসৰি, ৪ অক্টোবৰত আমগুৰি উন্নয়ন খণ্ডৰ পিএম শ্ৰী আমগুৰি হালোৱাটিং মজদুৰ উচ্চ মাধ্যমিক বিদ্যালয়ত, ৫ অক্টোবৰত নাজিৰা উন্নয়ন খণ্ডৰ নাজিৰা মহাবিদ্যালয়ত, ৬ অক্টোবৰত গৌৰীসাগৰ উন্নয়ন খণ্ডৰ চাৰিং মহাবিদ্যালয়ত, ৮ অক্টোবৰত শিৱসাগৰ উন্নয়ন খণ্ডৰ খেলুৱা উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ সভাকক্ষত আৰু ৯ অক্টোবৰত ডিমৌ উন্নয়ন খণ্ডৰ জ্যোতি-বিষ্ণু প্ৰকল্পত এই শিবিৰসমূহ অনুষ্ঠিত হ'ব। এই বিশেষ শিবিৰসমূহত সংশ্লিষ্ট চৰকাৰী বিভাগসমূহৰ বিষয়া-কৰ্মচাৰীসকল প্ৰত্যক্ষভাৱে উপস্থিত থাকি ৰাইজক প্ৰয়োজনীয় তথ্য আৰু সহায় প্ৰদান কৰাৰ লগতে নতুন আবেদন গ্ৰহণ, পঞ্জীয়ন, নথি-পত্ৰ পৰীক্ষণ আৰু ওজৰ-আপত্তি নিষ্পত্তিৰ কাম-কাজ সম্পাদন কৰিব। শিবিৰৰ জৰিয়তে ৰাইজে আয়ুষ্মান ভাৰত- পি.এম.জে.এই., পি.এম. গৰীব কল্যাণ অন্ন যোজনা, পি.এম.-কিষাণ, চাৰ্ভে এণ্ড মেপিং (SVAMITVA), প্ৰধানমন্ত্ৰীজন ধন যোজনা, প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা, প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা, অটল পেঞ্চন যোজনা, পি.এম. স্বনিধি, ভি.বি.-জি. ৰামজী, ৱান নেচন ৱান ৰেচন কাৰ্ড (ONORC), পি.এম. সূৰ্য ঘৰ: বিনামূলীয়া বিজুলী যোজনা আৰু দিব্যাংগসকলৰ বাবে অৰুণোদয় আঁচনিৰ সুবিধা লাভ কৰিব পাৰিব। ইয়াৰ উপৰিও ভূমি পট্টা প্ৰদান, নামজাৰী (Mutation), মাটি বিক্ৰীৰ অনুমতি (Land Sale Permission), নতুন ৰেচন কাৰ্ড বিতৰণ, জন্ম-মৃত্যু আৰু বিবাহৰ প্ৰমাণ পত্ৰ, নতুন বেংক একাউণ্ট খোলা, অৱসৰপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰীৰ পেঞ্চন সেৱা, কিষাণ ক্ৰেডিট কাৰ্ড, নিযুত মইনা আৰু নিযুত বাবু আদিকে ধৰি বিভিন্ন চৰকাৰী সেৱা সহজতে লাভ কৰিব পৰা যাব। "এখন শিবিৰ, বহু সেৱা -চৰকাৰ আপোনাৰ দুৱাৰত"- এই মূল ধাৰণাৰে শিৱসাগৰ জিলা প্ৰশাসনে সংশ্লিষ্ট অঞ্চলৰ সকলো ৰাইজকে নিজ নিজ স্থানীয় শিবিৰত সময়মতে উপস্থিত হৈ প্ৰয়োজনীয় চৰকাৰী সুবিধা আৰু জনকল্যাণমূলক আঁচনিৰ সুযোগ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

# মাজুলী জিলা প্ৰশাসনৰ বিশেষ তৎপৰতা

## পতিয়া-দক্ষিণপাট সত্ৰ সংযোগী পথৰ হাবি কাটি পথ মুকলি কৰিছে বিভাগীয় কতৃপৰ্ক্ষই

**অসম বাৰ্তা, বনগাঁও, ৩ অক্টোবৰ** ঃ হালধিবাৰী-বেচামৰা মথাউৰি পথটিৰ দক্ষিণ পাটৰ পৰা চুমৈমাৰী হৈ পতিয়া তিনি আলিত সংযোগ হৈছে। উক্ত পথয়েদি নিতৌ, শ শ যাত্ৰী- দৰ্শনাৰ্থী, দেশী-বিদেশী পৰ্যটক ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী দক্ষিণ পাট সত্ৰ দৰ্শন আৰু নিমাতী-অফলামুখ আভ্যন্তৰীণ পাৰা পাৰ ফেৰী সেৱালৈ অহা যোৱা কৰাৰ এটি সুচল পথ হিচাবে ছাত্ৰ-ছাত্ৰী আৰু ৰাইজে ব্যৱহাৰ কৰি অহাৰ লগতে সৰু-বৰ চাৰি চকীয়া বাহনবোৰ যাতায়ত কৰে। তেনে এটি ব্যস্ততা পুৰ্ন মথাউৰি পথৰ কুমাৰ গাৱঁৰ পৰা দক্ষিণ পাট সত্ৰৰ মুল প্ৰৱেশ পথ তিনি আলিলৈকে পথৰ দুয়োপাৰৰ পৰা ডাঠ-হাবি জংঘলে আৱৰি ধৰাৰ ফলত পথটি সৰু হৈ পৰে। ফলত বাহন চালক সকল প্ৰায়েই যাতায়তী সমস্যাৰ সন্মুখীন হ'ব লগীয়া হয়। তদুপৰি পথটিত সাপৰ সঘন আহ-যাহৰ বাবে বিদ্যালয়মুখী ছাত্ৰ -ছাত্ৰী ভীতিগ্ৰস্ত হৈ পৰাৰ বাতৰি প্ৰায়েই পোৱা যায়। উল্লেখ থাকিল যে বিভাগীয় কতৃপৰ্ক্ষৰ চূড়ান্ত অৱহেলাৰ পৰিপ্ৰেক্ষিতত হালধি বাৰী বেচামৰা মথাউৰিৰ সুদীৰ্ঘ পথটি বহু অংশৰ দুয়োপাৰত হাবি জংঘলে আৱৰি ধৰি আছে। বিভাগীয় বিষয়া কৰ্ম্মচাৰী বিষয়াই তেনে পৰিৱেশ দেখিয়ো নেদেখাৰ ভাওঁ ধৰি থকাত এই প্ৰতিবেদকে যাতায়তী সুচল আৰু ছাত্ৰ-ছাত্ৰীৰ নিৰাপদ আহ-যাহৰ প্ৰতি বিশেষ গুৰুত্ব দি শেহতীয়াকৈ ২৭ চেপ্তেম্বৰত মাজুলী জিলা জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকক বিষয়টি টেলিফোনিক অৱগত কৰা হয়। জিলা আয়ুক্ত গৰাকীয়ে বিষয়টি আন্তৰিকতাৰে গ্ৰহণ কৰি বিভাগীয় কতৃপৰ্ক্ষক তৎকালীন ভাৱে পতিয়া— দক্ষিণ পাট সত্ৰ সংযোগী পথৰ দুয়োপাৰৰ হাবি জংঘল কাটিবলৈ জৰুৰী নিৰ্দেশ দিয়াত ৩০ চেপ্তমবৰৰ পৰা দুজনকৈ লোকে হাবি জংঘল কটাৰ কাম আৰম্ভ কৰে। জিলা আয়ুক্ত গৰাকীৰ এনে তৎপৰতাক ৰাইজ তথা ছাত্ৰ-ছাত্ৰীয়ে সন্তোষ প্ৰকাশ কৰি কাকতৰ যোগেদি আয়ুক্ত গৰাকীক ধন্যবাদ জ্ঞাপন কৰে।

## মাকুমত একেটা স্থানতে ২৫টা চৰকাৰী সেৱাৰে 'সেৱা সংকল্প অভিযান'ৰ শিবিৰ

# ৰাইজৰ দুৱাৰদলিত চৰকাৰী সেৱা



**অসম বাৰ্তা, মাকুম, ৩ অক্টোবৰ** ঃ প্ৰশাসন আৰু নাগৰিকৰ মাজৰ দূৰত্ব হ্ৰাস কৰি চৰকাৰী আঁচনি তথা সেৱাৰ সুবিধা পোনপটীয়াকৈ ৰাইজৰ দুৱাৰদলিত উপলব্ধ কৰাৰ লক্ষ্যৰে সমগ্ৰ ৰাজ্যৰ লগতে মাকুমতো অনুষ্ঠিত হয় 'সেৱা সংকল্প অভিযান'ৰ বিশেষ শিবিৰ। ১ অক্টোবৰৰ পৰা ১০ অক্টোবৰলৈ ৰাজ্যজুৰি চলি থকা এই অভিযানৰ অংশ হিচাপে মাকুম খণ্ড বিষয়াৰ কাৰ্যালয় আৰু মাকুম সমজিলা প্ৰশাসনৰ উদ্যোগত আজি মাকুমৰ অসম বনৰক্ষী বিদ্যালয়ৰ প্ৰাংগণত এই শিবিৰ অনুষ্ঠিত কৰা হয়। শিবিৰটোত একেটা স্থানতে ৰাইজৰ বাবে বিভিন্ন চৰকাৰী আঁচনি আৰু সেৱাৰ সুবিধা আগবঢ়োৱা হয়। অৰুণোদয়, ৰাজহ বিভাগৰ সেৱা, স্বাস্থ্য সেৱা, প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি, কৃষক ঋণ কাৰ্ড, মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনি, সেৱা সেতু, প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ, নিজুত মইনা, জন্ম-মৃত্যুৰ প্ৰমাণপত্ৰ, নতুন ৰেচন কাৰ্ড আৰু প্ৰধানমন্ত্ৰী স্বনিধি আদি আঁচনিকে ধৰি মুঠ ২৫টা চৰকাৰী আঁচনিৰ সেৱা আৰু তথ্য ৰাইজক প্ৰদান কৰা হয়। ইয়াৰ উপৰি বিভিন্ন আঁচনিৰ বাবে নতুনকৈ আবেদন দাখিল কৰাৰ লগতে অনলাইন আবেদন প্ৰক্ৰিয়াতো ৰাইজক প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়োৱা হয়। অনুষ্ঠানত মাকুম সমষ্টিৰ বিধায়ক সঞ্জয় কিষান, তিনিচুকীয়া জিলা আয়ুক্ত সুমিত সাত্তাৱন, মাকুম সমজিলা আয়ুক্ত নীলোৰাম শৰ্মা, তিনিচুকীয়া চক্ৰ বিষয়া গৌৰাংগ দত্ত, ডুমডুমা চক্ৰ বিষয়া নৱজ্যোতি চহৰীয়া, মাকুম পৌৰসভাৰ কাৰ্যবাহী বিষয়া দিলাক্ষী কলিতা, পৌৰপতি অৰ্চনা শইকীয়াৰ লগতে বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। 'চৰকাৰী সেৱা ৰাইজৰ দুৱাৰদলিত'— এই লক্ষ্যক বাস্তৱ ৰূপ দিয়াৰ উদ্দেশ্যেৰে অনুষ্ঠিত এই শিবিৰত বিভিন্ন চৰকাৰী আঁচনিৰ সুবিধা লাভৰ বাবে বৃহৎসংখ্যক ৰাইজে অংশগ্ৰহণ কৰে।

# ডিব্ৰুগড় চহৰৰ মাজ মজিয়াৰ পথৰ পৰা ছয়টি শিশু উদ্ধাৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩ অক্টোবৰ** ঃ শিশুশ্ৰম আৰু পথত বসবাস কৰা শিশুৰ বিৰুদ্ধে চলোৱা অভিযানৰ অংশ হিচাপে ৩ অক্টোবৰত ডিব্ৰুগড় জিলা পৰ্যায়ৰ টাস্ক ফ'ৰ্চে ৰংঘৰ প্লাজাৰ সমীপৰ এইচ এছ ৰোড অঞ্চলৰ পৰা ছয়টি শিশু উদ্ধাৰ কৰে। উদ্ধাৰ কৰা শিশুকেইটিক ডিব্ৰুগড়ৰ শিশু কল্যাণ সমিতিৰ সন্মুখত হাজিৰ কৰোৱা হয়। সমিতিয়ে শিশুকেইটিক যত্ন আৰু সুৰক্ষাৰ বাবে প্ৰেৰণা শিশুগৃহত ৰখাৰ ব্যৱস্থা কৰে। অভিযানটো জিলা প্ৰশাসনৰ অসুৰক্ষিত আৰু বিপদাপন্ন অৱস্থাত থকা শিশুসকলক চিনাক্ত কৰি তেওঁলোকৰ সুৰক্ষা, পুনৰ্বাসন আৰু প্ৰয়োজনীয় যত্ন নিশ্চিত কৰাৰ চলিত প্ৰচেষ্টাৰ অংশ।

# মাজুলীৰ বনগাঁও ত্ৰিবেনী শতদ'ল শাখা সাহিত্য সভাৰ সাহিত্য সন্মিলন আৰু গান্ধী জয়ন্তী উদ্‌যাপন

**অসম বাৰ্তা, বনগাঁও, ৩ অক্টোবৰ** ঃ পূব মাজুলী মহাবিদ্যালয় প্ৰেক্ষাগৃহত দিনযোৰা কাৰ্যসূচীৰে সাহিত্য সন্মিলন আৰু গান্ধী জয়ন্তী সাহিত্য প্ৰেমী ৰাইজৰ সন্তোষজনক সহাঁৰিৰ মাজত উদযাপন কৰা হয়। বনগাওঁ ত্ৰিবেনী শতদল শাখা সাহিত্য সভাৰ উদ্যোগত মহাবিদ্যালয় খনিৰ সহযোগত আয়োজিত সন্মিলনৰ আন আন কাৰ্যসূচীৰ ভিতৰত পুৱা গছপুলি ৰোপণ, পতাকা উত্তোলন, স্মৃতি তৰ্পণ, মহামানৱ মহাত্মা গান্ধী ৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ ও পুষ্পাঞ্জলি কাৰ্যসূচী সু সম্পন্ন হোৱাৰ লগে-লগে ত্ৰিবেনী শতদল শাখা সাহিত্য সভাৰ সভাপতি ড° অৰূপ কুমাৰ বৰাৰ সভাপতিত্ব এখনি মুকলি সভা অনুষ্ঠিত হয়। মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল বৰুৱাৰ উদ্বোধনী ভাষণৰে আৰম্ভ হোৱা সভা খনি মহাবিদ্যালয়ৰ অধ্যাপক দ্বিজেন কুমাৰ শইকীয়াই আতঁ ধৰে। অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত গোস্বামী কুমাৰ গোস্বামীয়ে সভাত মুখ্য অতিথিৰ আসনৰ পৰা মাজুলীৰ ঐতিহ্য ৰূপ বৰ্ণনা কৰাৰ লগতে সাহিত্য সংস্কৃতিৰ পীঠস্থান মাজুলীক লৈ গৌৰৱ অনুভৱ আৰু প্ৰশংসা কৰে। অসম সাহিত্য সভাই সম্প্ৰতি হাতত লোৱা পদক্ষেপৰ ওপৰত চমু এক বিৱৰণ উল্লেখ কৰি কয় যে- সাহিত্য সভাই সম্প্ৰতি ১০৫ খনকৈ গ্ৰন্থ প্ৰকাশ কৰাৰ লগতে আৰু বহু কেইখন মূল্যৱান গ্ৰন্থ প্ৰকাশৰ উদ্যোগ লোৱাৰ কথা জানিবলৈ দিয়ে। সভাত আকাশী তৰা নেওঁগৰ ৪খন, পুলক শইকীয়াৰ এখন, অনুপ কুমাৰ বৰা আৰু বুদ্ধিন বৰাৰ সম্পাদনাত প্ৰকাশিত Issues and trends of Society, Politics and Culture নামৰ এখনি গ্ৰন্থ উন্মোচন কৰাৰ উপৰি ত্ৰিবেনী শতদল শাখা সাহিত্য সভাৰ মুখপত্ৰ "ত্ৰিবেনী" উন্মোচন কৰে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় সম্পাদক ড° জ্যোতি ৰেখা হাজৰিকাই। জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাস্থাপক প্ৰাক্তন সভাপতি প্ৰভাত বৰাবুঢ়া ভকত, প্ৰাক্তন সভাপতি ৰাম সাগৰ নাথ, ৰনজিৎ কুমাৰ ভুএগাঁ, জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, কবি সন্মিলনীৰ সভাপতি যুগল হাজৰিকা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক মনোজ্যোতি ৰেগন, সাংবাদিক সন্থাৰ সম্পাদক ডিম্বেশ্বৰ দত্ত, উপ সভাপতি খগেন হাজৰিকা, আদিয়ে সভাত বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে। সভাত মাজুলীৰ ভালে কেইগৰাকী গণ্যমান্য বিশিষ্ট ব্যক্তিৰ সমন্বিতে জিলা সাহিত্য সভাৰ সম্পাদক সঞ্জীৱ বৰা, সুভদ্ৰা বৰা, মুহিন গায়ন, আনন্দ শইকীয়া, হীৰা ভুএগাঁ, পুলক শইকীয়া, আছুৰ জিলা পৰ্যায়ৰ বিষয় ববীয়া সহ ত্ৰিবেনী শতদল শাখা সাহিত্য সভাৰ বিষয়ববীয়া সদস্য/সদস্যা সকল উপস্থিত থাকে। সভাত শিল্পীসকলে সমদলীয় সংগীত, বৰগীত আৰু আইসকলৰ দিহা-নামে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# নৈনৈপৰীয়া সাহিত্য সভাৰ সাহিত্যানুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, দেওমৰনৈ, ৩ অক্টোবৰ** ঃ "অকল পুথিগত জ্ঞানেই নহয়, সমান্তৰালভাৱে ব্যৱহাৰিক জ্ঞান আহৰণ কৰিলেহে বিশ্ব জয় কৰিব পাৰি।" - এই বক্তব্য দৰং জিলা সাহিত্য সভাৰ সম্পাদক মৃনাল ৰাজবংশীৰ দৰং জিলা সাহিত্য সভাৰ অন্যতম শাখা, ইতিমধ্যে অসম সাহিত্য সভাৰ দ্বাৰা শতদল শাখা হিচাপে স্বীকৃত নৈনৈ পৰীয়া সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত "আহিনৰ আবেলিত কবিতাৰ গুঞ্জন" শীৰ্ষক সাহিত্যানুষ্ঠানত নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰি কবি-গল্পকাৰ নাই বা ৰস ৰচকেই যে সাহিত্যিক এনে নহয়, লোক-সংস্কৃতি, কলা-কৃষ্টিৰ সাধক সকলো একো একোজন সাহিত্যক বক্তাৰ গৰাকীয়ে কয় নৈনৈ পৰীয়া সাহিত্য সভাৰ পঁচিশ সংখ্যক দ্বি বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা সাহিত্যানুষ্ঠানত ৰাজবংশীয়ে ভাষা-সাহিত্যৰ ভেটি মজবুত কৰিবলৈ হলে ভাষা-সাহিত্য জীয়াই ৰাখিবই লাগিব বুলি প্ৰসংগক্ৰমে অসম সাহিত্য সভাই জন্মলগ্নৰে পৰা নিজৰ মাতৃ ভাষাৰ ঘাই শিপাডাল মজবুত কৰি ৰাখিবলৈ চেষ্টা চলাই অহাৰ কথা কয়। শাখাৰ সভাপতি ভূবনেশ্বৰ ডেকাৰ সঞ্চালনাত অনুষ্ঠিত সভাত সম্পাদক গৰাকীয়ে প্ৰসংগক্ৰমে পুথিগত জ্ঞানতকৈ অভিজ্ঞতাৰ জ্ঞান বহু ওপৰত বুলি পুথিগত জ্ঞান আহৰণৰ সমান্তৰালভাৱে অভিজ্ঞতাপুষ্ট ব্যৱহাৰিক জ্ঞানত মনোনিবেশ কৰিবলৈ বিশেষকৈ ছাত্ৰ ছাত্ৰী সকলৰ প্ৰতি আহ্বান জনায়। দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক মুকুট চন্দ্ৰ হাজৰিকা, সাংগঠনিক সম্পাদক ধীৰাজ বৰা, শাখাৰ প্ৰাক্তন সভাপতি লোহিত শৰ্মা প্ৰমুখ্যে ডেৰ শতাধিক ব্যক্তিৰ উপস্থিতিত সাহিত্যানুষ্ঠানৰ পৰ্যালোচকৰ আসন অলংকৃত কৰে পশ্চিম বেজভাগতী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়ত্ৰী, এগৰাকী যুৱ সাহিত্যকৰ্মী মনিষা ডেকাই। স্থানীয় উত্তৰ হাপামাৰা প্ৰাথমিক বিদ্যালয়ত আঞ্চলিক ৰাইজৰ সহযোগত গান্ধী জয়ন্তীৰ লগত ৰজিতা খুৱাই অনুষ্ঠিত সভাত "আবেলিৰ আহিনত কবিতাৰ গুঞ্জন" শীৰ্ষক সাহিত্যানুষ্ঠান বিদ্যালয়ৰ কণ-কণ ছাত্ৰ-ছাত্ৰী সকলে "চিৰ চেনেহী মোৰ ভাষা জননী" শীৰ্ষক গীত পৰিবেশনেৰে শুভাৰম্ভ কৰে। ডেৰ কুৰিৰো অধিক নবীন-প্ৰবীণ কবি-সাহিত্যিক-ৰস ৰচক আৰু শিল্পীৰ গল্প-কবিতা-ৰস ৰচনা পাঠ আৰু গীত-নৃত্যই জীপাল কৰি তোলা সাহিত্যানুষ্ঠান উদ্বোধন কৰে উত্তৰ হাপামাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিক্ৰমজিৎ শৰ্মাই।

## ডাঃ ভৱানী প্ৰসাদ চলিহা-অনুবাদক দেৱীপ্ৰসাদ বাগড়োদিয়াক 'প্ৰহৰী প্ৰভাকৰ, ডিব্ৰুগড়' সন্মান প্ৰদান

# ডিব্ৰুগড়ত 'প্ৰহৰী'ৰ জিলা দিৱস উদ্‌যাপন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩ অক্টোবৰ** ঃ ডিব্ৰুগড় মহানগৰৰ পূব মিলন নগৰ নিৱাসী তথা আন্তঃৰাষ্ট্ৰীয় প্ৰসূতি ৰোগ বিশেষজ্ঞ, সমাজকৰ্মী ডাঃ ভৱানী প্ৰসাদ চলিহা আৰু জ্যোতিনগৰ নিবাসী তথা বিশিষ্ট অনুবাদ সাহিত্যিক, চাহ উদ্যোগী, সমাজকৰ্মী দেৱীপ্ৰসাদ বাগড়োদিয়াক সামাজিক ক্ষেত্ৰ তথা সাহিত্যলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে আগবঢ়োৱা হৈছে 'প্ৰহৰী প্ৰভাকৰ, ডিব্ৰুগড়' উপাধি আৰু সন্মান। এই সন্মান প্ৰদান কৰিছে ডিব্ৰুগড় মহানগৰৰ সৌন্দৰ্যবৰ্ধন আৰু ঐতিহ্য সংৰক্ষণ সমিতি 'প্ৰহৰী'য়ে। যোৱা ২ অক্টোবৰত মহানগৰখনৰ জেইলৰোডস্থিত শ্ৰীভাৰতী মহাবিদ্যালয়ত ডিব্ৰুগড় জিলা প্ৰতিষ্ঠা (১৯৭১)ৰ দশম সংখ্যক উদ্‌যাপন দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত দুয়োগৰাকী বিশিষ্ট ব্যক্তিক এই সন্মান প্ৰদান কৰে সংগঠনটোৱে। সংগঠনটোৰ সভাপতি তথা সাহিত্যাচাৰ্য ড° কৰবী ডেকা হাজৰিকাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত দুয়োগৰাকী ব্যক্তিক ফুলৰ থোপা, গামোচা, চেলেং, এটি স্মাৰক আৰু প্ৰশংসা পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। 'প্ৰহৰী'ৰ সদস্যা গীতা বৰুৱাই আঁতধৰা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক দীপা গোস্বামীয়ে আৰু আদৰণি ভাষণ প্ৰদান কৰে কোষাধ্যক্ষ চেনিৰাম বৰাই। জিলা প্ৰতিষ্ঠা দিৱসৰ স'তে সংগতি ৰাখি আয়োজন কৰা বিশেষ বক্তৃতানুষ্ঠানত 'ডিব্ৰুগড়ৰ চিকিৎসা সেৱাৰ ইতিহাস' সম্পৰ্কে প্ৰজেক্টৰৰ জৰিয়তে তথ্যসমৃদ্ধ বক্তৃতা প্ৰদান কৰে সংগঠনটোৰ কাৰ্যকৰী সভাপতি তথা বিশিষ্ট অস্থিৰোগ বিশেষজ্ঞ ডাঃ শান্তনু লহকৰে। এই বক্তৃতাৰ জৰিয়তে তেওঁ প্ৰথম, দ্বিতীয় বিশ্বযুদ্ধত ডিব্ৰুগড় চহৰক কেন্দ্ৰ কৰি হোৱা স্বাস্থ্যসেৱাৰ শুভাৰম্ভণি আৰু অসমৰ প্ৰথমখন ডাঃ জন বেৰী হোৱাইটে মেডিকেল স্কুল স্থাপন কৰি বৰ্তমানৰ এ এম চি এইছৰ উন্নত চিকিৎসা সেৱা পৰ্যন্ত অগ্ৰগতি আৰু সুফলসমূহ ব্যাখ্যা কৰি ডিব্ৰুগড় চহৰখনেই স্বাস্থ্যৰ দিশত তেতিয়াৰ পৰা বৰ্তমানলৈকে দেশৰ ভিতৰত এখন যে গুৰুত্বপূৰ্ণ চহৰ তাক প্ৰতিপন্ন কৰে বুলি ভাষণত উল্লেখ কৰে। অনুষ্ঠানত নিজৰ অনুভৱ ব্যক্ত কৰি বঁটাপ্ৰাপক দুয়োগৰাকীয়ে নিজকে গৌৰৱবোধ কৰাৰ লগতে নিজ নিজ ক্ষেত্ৰত লাভ কৰা বৰ্ণিল অভিজ্ঞতা চমুকৈ বৰ্ণনা কৰি 'প্ৰহৰী' তথা ডিব্ৰুগড়বাসীক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানত ডাঃ চলিহাৰ জীৱন-কৃতি সম্পৰ্কে নৰেন্দ্ৰনাথ গোস্বামীয়ে আৰু বাগড়োদিয়াৰ জীৱন-কৃতী সম্পৰ্কত চমুকৈ আলোকপাত কৰে অভিনেত্ৰী ঝৰ্ণা শইকীয়াই। অনুষ্ঠানত উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই কয় যে ডিব্ৰুগড়ৰ সজ্জনৰ স'তে থাকি আপ্লুত হৈছো। মানৱ জগতৰ সৰ্বাংগীণ স্বাস্থ্য সামাজিক, শাৰীৰিক, সামাজিক আৰু মানসিক স্বাস্থ্যৰ স'তে জড়িত হৈ থাকে। সামাজিক স্বাস্থ্য যেতিয়াই বেয়া হয় তেতিয়াই মানুহৰ মানসিক আৰু শাৰীৰিক স্বাস্থ্য দুয়োটাই অৱনতি ঘটে। 'প্ৰহৰী'ৰ দৰে অনুষ্ঠানৰ দৰে আন অনুষ্ঠান-সংগঠনেও ডিব্ৰুগড়ত সামাজিক স্বাস্থ্যৰ উন্নতিৰ হকে কাম-কাজে কৰা বাবে তেওঁ আহ্বান জনায়। শ্ৰীভাৰতী কলেজৰ শিক্ষক-শিক্ষাৰ্থীৰ এটি সমৱেত গীতেৰে আৰম্ভ হোৱা অনুষ্ঠানত ড° চুমি ফুকনে দেৱীপ্ৰসাদ বাগড়োদিয়াৰ অনুদিত এটি বৰগীত হিন্দী ভাষাত পৰিৱেশন কৰে। ড° মৃণাল কুমাৰ বৰুৱাই শলাগ জ্ঞাপন কৰা অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকা, সমাজকৰ্মী জ্যোতি প্ৰসাদ কানৈ, ড° ৰঘুনাথ বৰবৰা, ডাঃ অমৃত কুমাৰ বৰুৱা, লোহিত চন্দ্ৰ ডেকাকে ধৰি অৰ্ধশতাধিক গণ্যমান্য ব্যক্তি আৰু বিভিন্ন দল-সংগঠনৰ ব্যক্তি উপস্থিত থাকে।

# গান্ধী জয়ন্তীত বৰপেটাৰোডত ৫০০ গছপুলি ৰোপণ; ২,০০০ গছপুলি বিতৰণ

**অসম বাৰ্তা, কুমুল্লীপাৰা, ৩ অক্টোবৰ** ঃ জাতিৰ পিতা মহাত্মা গান্ধীৰ জন্মজয়ন্তীৰ পৱিত্ৰ দিনটোত পৰিৱেশ সংৰক্ষণ আৰু সেউজীয়া সমাজ গঢ়াৰ বাৰ্তা লৈ বৰপেটাৰোডত গ্ৰহণ কৰা হয় এক প্ৰশংসনীয় পদক্ষেপ। প্ৰকৃতিপ্ৰেমী স্বপন দাসৰ নেতৃত্বত পৰিচালিত স্বেচ্ছাসেৱী সংগঠন 'নেচাৰ ফৰ্চ'ৰ উদ্যোগত আজি দুৰ্গাবাৰী-কালীবাৰী ৰোডত বৃহৎ বৃক্ষৰোপণ আৰু গছপুলি বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। গান্ধী জয়ন্তীৰ সৈতে সংগতি ৰাখি আয়োজন কৰা এই কাৰ্যসূচীত পথৰ দুয়োকাষে আৰু উপযুক্ত স্থানত মুঠ ৫০০টা গছপুলি ৰোপণ কৰা হয়। ইয়াৰ সমান্তৰালভাৱে পৰিৱেশ সুৰক্ষাৰ প্ৰতি ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে ২,০০০টা গছপুলি বিনামূলীয়াকৈ বিতৰণ কৰা হয়। কাৰ্যসূচীৰ জৰিয়তে সংগঠনটোৱে কেৱল গছপুলি ৰোপণ আৰু বিতৰণতে সীমাবদ্ধ নাথাকি প্ৰতিজন নাগৰিকক গছপুলিবোৰৰ যথাযথ যত্ন লৈ ডাঙৰ কৰি তোলাৰ আহ্বান জনায়। প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা, বায়ু প্ৰদূষণ হ্ৰাস আৰু ভৱিষ্যৎ প্ৰজন্মৰ বাবে এখন সুস্থ আৰু সেউজীয়া পৰিৱেশ নিশ্চিত কৰাৰ ক্ষেত্ৰত বৃক্ষৰোপণৰ গুৰুত্বৰ বিষয়েও সজাগতামূলক বাৰ্তা প্ৰদান কৰা হয়। সংগঠনটোৰ এই পদক্ষেপে গান্ধীজীৰ সৰল জীৱন, স্বচ্ছতা, প্ৰকৃতিৰ প্ৰতি দায়বদ্ধতা আৰু সমাজৰ কল্যাণৰ আদৰ্শক কাৰ্যৰ জৰিয়তে আগবঢ়াই নিয়াৰ এক ইতিবাচক প্ৰয়াস হিচাপে বিশেষ তাৎপৰ্য বহন কৰিছে। 'নেচাৰ ফৰ্চ'ৰ এনে উদ্যোগে কেৱল বৰপেটাৰোডৰ পৰিৱেশ অধিক সেউজীয়া কৰাই নহয়, গছপুলি ৰোপণৰ লগতে তাৰ সংৰক্ষণ আৰু প্ৰতিপালনৰ প্ৰতি সমাজৰ দায়বদ্ধতাও বৃদ্ধি কৰিব বুলি সচেতন মহলে আশা প্ৰকাশ কৰিছে।

# ‘সেৱা সংকল্প অভিযান’ৰ অধীনত ডুমডুমা বিধানসভা সমষ্টি পৰ্যায়ৰ কুইজ প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৩ অক্টোবৰ ঃ** অসম চৰকাৰৰ নিৰ্দেশনা অনুসৰি ‘সেৱা সংকল্প অভিযান’ৰ অংশ হিচাপে বৃহস্পতিবাৰে ডুমডুমাৰ পি এম শ্ৰী হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিধানসভা সমষ্টি পৰ্যায়ৰ কুইজ প্ৰতিযোগিতাখন অনুষ্ঠিত হৈ যায়। কাকপথাৰ শিক্ষা খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত আৰু ডুমডুমা সমজিলা প্ৰশাসনৰ সহযোগত প্ৰতিযোগিতাখন অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাখনৰ উদ্বোধনী অনুষ্ঠানত ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালা, ডুমডুমা সমজিলাৰ সমজিলা আয়ুক্ত নুজহাৎ নাছৰিন, ডুমডুমা সমজিলাৰ সহকাৰী আয়ুক্ত কৃতাৰ্থ নেওগ, কাকপথাৰ শিক্ষা খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া আব্দুল লতিফ ভূঞা আৰু ডুমডুমাৰ পি এম শ্ৰী হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আলিপ খান উপস্থিত থাকে। ‘ক’ শাখাত ডুমডুমাৰ ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অভিজ্ঞান মেধি আৰু কৰণ মৰাণে প্ৰথম স্থান লাভ কৰে। ৰূপাই জাতীয় বিদ্যালয়ৰ ভগীৰথ মৰাণ আৰু নৱদীপ সন্দিকৈয়ে দ্বিতীয় স্থান, আনহাতে ৰূপাইৰ মডাৰ্ণ একাডেমীৰ ৰাজবীৰ দেউৰী আৰু সিদ্ধাৰ্থ দেউৰীয়ে তৃতীয় স্থান লাভ কৰে। ‘খ’ শাখাত ডুমডুমা মহাবিদ্যালয়ৰ এঞ্জেলিনা শৰ্মা আৰু নন্দিতা কুমাৰী শ্বাহে প্ৰথম স্থান লাভ কৰে। ৰূপাই জাতীয় বিদ্যালয়ৰ ৰূপস্মিতা ভূঞা আৰু নেউচেংফা ভাজনীয়ে দ্বিতীয় স্থান আৰু ডুমডুমাৰ লোটাছ একাডেমীৰ সংঘমিত্ৰা গুপ্তা আৰু বৈষ্ণৱী গুপ্তাই তৃতীয় স্থান লাভ কৰে। ‘গ’ শাখাত ডুমডুমা মহাবিদ্যালয়ৰ অৰ্জুন শ্ৰীবাস্তৱ আৰু সৌৰভ চৰকাৰে প্ৰথম স্থান লাভ কৰে। ডুমডুমাৰ বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ মনদীপ মৰাণ আৰু চিন্তু গগৈয়ে দ্বিতীয় স্থান, আনহাতে একেখন মহাবিদ্যালয়ৰ মোহন তাঁতী আৰু সুৰজ নায়কে তৃতীয় স্থান লাভ কৰে। বিধানসভা সমষ্টি পৰ্যায়ৰ প্ৰতিযোগিতাত স্থান লাভ কৰা প্ৰতিযোগীসকলে জিলা পৰ্যায়ৰ কুইজ প্ৰতিযোগিতাত ডুমডুমা বিধানসভা সমষ্টিক প্ৰতিনিধিত্ব কৰিব।

# বগীনদী প্ৰেছ গীল্ডৰ আতিথ্যত ‘জাফা’ৰ লখিমপুৰ জিলা সমিতিৰ বিশেষ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ৩ অক্টোবৰ ঃ** লখিমপুৰ জিলাৰ চাউলধোৱাস্থিত ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামীণ উন্নয়ন প্ৰতিষ্ঠান (এছ আই পি আৰ ডি)ৰ কনফাৰেঞ্চ হলত আজি ২ অক্টোবৰত জাৰ্ণেলিষ্ট এছ'চিয়েছন ফ'ৰ আছাম চমুকৈ ‘জাফা’ৰ লখিমপুৰ জিলা সমিতিৰ এখন বিশেষ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। বগীনদী প্ৰেছ গীল্ডৰ আতিথ্যত অনুষ্ঠিত এই গুৰুত্বপূৰ্ণ সভাখনত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা সাংবাদিকসকলে অংশগ্ৰহণ কৰে। সভাত সভাপতিত্ব কৰে ‘জাফা’ৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য সাংগঠনিক সম্পাদক তথা লখিমপুৰ জিলা সমিতিৰ সভাপতি কুশল শইকীয়াই। ‘জাফা’ৰ লখিমপুৰ জিলা সমিতিৰ সম্পাদক ৰাজু বৰাই সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়াই। সভাৰ মূল আলোচ্য বিষয় হিচাপে ২০২৭ বৰ্ষত লখিমপুৰ জিলাত অনুষ্ঠিত হ'বলগীয়া ‘জাফা’ কেন্দ্ৰীয় সমিতিৰ ২১ সংখ্যক কেন্দ্ৰীয় অধিৱেশনক কেন্দ্ৰ কৰি আলোচনা কৰা হয়। এই অধিৱেশনখন লখিমপুৰ জিলাত অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত জিলা সমিতিৰ বিষয়ববীয়াসকলে সহমত প্ৰকাশ কৰে। অধিৱেশনখন সৰ্বাংগসুন্দৰ আৰু সফলভাৱে অনুষ্ঠিত কৰাৰ বাবে প্ৰয়োজনীয় প্ৰস্তুতি, স্থান নিৰ্বাচন, অভ্যৰ্থনা সমিতি গঠন, পুঁজি সংগ্ৰহ আদি বিভিন্ন দিশ সন্দৰ্ভত সভাত বিশদভাৱে আলোচনা কৰা হয়। ইয়াৰ উপৰি সভাত সাংবাদিকসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যা, যেনে, কৰ্মক্ষেত্ৰত নিৰাপত্তা, স্বীকৃতি, সা-সুবিধা আদি বিষয়তো আলোচনা হয়। লগতে লখিমপুৰ জিলা সমিতিয়ে অনাগত দিনত গ্ৰহণ কৰিবলগীয়া বিভিন্ন কাৰ্যসূচী, সাংগঠনিক তৎপৰতা বৃদ্ধি আৰু নতুন সদস্য ভৰ্তি সন্দৰ্ভতো মত বিনিময় কৰা হয়। সভাত ‘জাফা’ৰ লখিমপুৰ জিলা সমিতিৰ মুখ্য উপদেষ্টা মজিদ সোণোৱাল, কাৰ্যকৰী সভাপতি সুদীপ্ত দাস, উপ-সভাপতি চাহাবুদ্দিন আহমেদকে ধৰি কেইবাগৰাকী জ্যেষ্ঠ সাংবাদিকে বক্তব্য আগবঢ়ায়।

# কাটৰি চাপৰি বৰবালিৰ ধৰ্মপ্ৰাণ মহিলা ৰূপা বৰাৰ ৭৬ বছৰ বয়সত মৃত্যু

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ৩ অক্টোবৰ ঃ** লখিমপুৰ জিলাৰ কদম ৰাজহচক্ৰৰ অন্তৰ্গত কাটৰি চাপৰি বৰবালি গাঁৱৰ এগৰাকী অতি ধৰ্মপ্ৰাণ আৰু সৰবৰহী মহিলা ৰূপা বৰাৰ আজি ৩ অক্টোবৰৰ পুৱা ৭-৪৫ বজাত মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স হৈছিল ৭৬ বছৰ। জানিব পৰামতে, দীৰ্ঘদিন ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আছিল ৰূপা বৰা। চিকিৎসাধীন অৱস্থাতে তেখেতৰ একমাত্ৰ জীয়ৰী কণানদীৰ নিবাসী অঞ্জু বৰাৰ গৃহত আজি পুৱা তেখেতে শেষ নিশ্বাস ত্যাগ কৰে। ৰূপা বৰাৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে-লগে সমগ্ৰ কাটৰি চাপৰি বৰবালি, কণানদী অঞ্চলত শোকৰ ছাঁ পৰে। ধৰ্মীয় কাম-কাজত সদায় আগভাগ লোৱা, মাৰ্জিত ব্যৱহাৰ আৰু সৰল জীৱন-যাপনৰ বাবে তেখেত অঞ্চলটোত সকলোৰে পৰিচিত আৰু শ্ৰদ্ধাৰ পাত্ৰ আছিল। নাম-প্ৰসংগ, ভাগৱত পাঠ আদি ধৰ্মীয় অনুষ্ঠানত তেখেতৰ উপস্থিতি আছিল নিয়মীয়া। মৃত্যুৰ সময়ত তেখেতে একমাত্ৰ জীয়ৰী অঞ্জু বৰাকে ধৰি বহু আত্মীয়-স্বজনক ইহ সংসাৰত এৰি থৈ যায়। তেখেতৰ বিদেহ আত্মাৰ সদগতি কামনাৰে অঞ্চলৰ বহু লোকে গভীৰ শোক প্ৰকাশ কৰিছে।

### চৰকাৰী পেন্সনৰ পৰা বঞ্চিত দৰঙী কৃষ্টিৰ সাধক পঞ্চানন বৰুৱা

# ৯৪ বছৰতো শুকনানি ওজাৰ সাধনা

**অসম বাৰ্তা, মঙলদৈ, ৩ অক্টোবৰ ঃ** “অ' মাই মনসা, বন্দো দেৱী চৰণ তোমাৰ, মাই মনসা...”- দেৱী স্তুতিৰ এই সুৰ যেন আজিও প্ৰতিধ্বনিত হয় দৰঙৰ উদমাৰী গাঁৱৰ এগৰাকী বয়োজ্যেষ্ঠ শিল্পীৰ কণ্ঠত। বয়সে ৯৪ বছৰত উপনীত হ'লেও দৰঙী লোককলা-সংস্কৃতিৰ অন্যতম সাধক পঞ্চানন বৰুৱা, অৰ্থাৎ ‘পচা ওজা’ই আজিও এৰি দিয়া নাই শিল্পী জীৱন। জীৱনৰ ১৩ বছৰ বয়সৰ পৰাই শুকনানি ওজা, ব্যাসৰ ওজা আৰু দৰঙী খুলীয়া ভাওনাৰ সৈতে জড়িত হৈ পৰা শিল্পীগৰাকীয়ে প্ৰায় দশক ধৰি দৰঙী লোক কৃষ্টি-সংস্কৃতিৰ সাধনা কৰি আহিছে। কিন্তু দৰঙী লোককৃষ্টিৰ সংৰক্ষণ আৰু প্ৰচাৰত জীৱন উৎসৰ্গা কৰা এইগৰাকী শিল্পী আজিও চৰকাৰী শিল্পী পেন্সনৰ দৰে সুবিধাৰ পৰা বঞ্চিত হৈ থকাটো এক উদ্বেগজনক বিষয় হিচাপে পৰিগণিত হৈছে। ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত উদমাৰী গাঁৱৰ পঞ্চানন বৰুৱাৰ জীৱনেই যেন দৰঙী লোক কলা-সংস্কৃতিৰ এক জীৱন্ত দলিল। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাৰ দেওনা পাৰ হ'ব নোৱাৰিলেও লোক কলা-সংস্কৃতিব ক্ষেত্ৰত তেওঁৰ অভিজ্ঞতা আৰু জ্ঞান বহু শিক্ষিত লোকতকৈও সমৃদ্ধ। কিশোৰ বয়সতে শুকনানি ওজাৰ প্ৰতি আকৰ্ষিত হোৱা পঞ্চানন বৰুৱাই পৰৱৰ্তী সময়ত এই লোক কলাৰ এজন নিষ্ঠাবান সাধক হিচাপে নিজকে প্ৰতিষ্ঠা কৰে। দৰঙৰ মাটিৰ সৈতে ওতপ্ৰোতভাৱে জড়িত শুকনানি ওজা হৈছে দৰঙী লোক সংস্কৃতিৰ এক উল্লেখযোগ্য পৰম্পৰা। দেৱী বন্দনা, লোক বিশ্বাস, সংগীত, নৃত্য আৰু পৰম্পৰাগত পৰিৱেশনৰ সমন্বয়ে গঢ় লৈ উঠা এই লোক কলাক নিজৰ জীৱনৰ অন্যতম সাধনা হিচাপে গ্ৰহণ কৰি আহিছে পঞ্চানন বৰুৱাই। দৰং জিলাৰ বিভিন্ন প্ৰান্তৰ উপৰি গুৱাহাটী, কামৰূপ, ওদালগুৰি আদি বিভিন্ন ঠাইলৈ গৈ তেওঁ শুকনানি ওজা প্ৰদৰ্শন কৰিছে। বিশেষকৈ দুৰ্গা পূজাৰ সময়ত তেওঁৰ শিল্পীসত্তাই অধিক সক্ৰিয় হৈ উঠে। কেৱল নিজে শিল্প চৰ্চা কৰাই নহয়, নতুন প্ৰজন্মৰ মাজলৈ এই পৰম্পৰা আগবঢ়াই নিয়াৰ ক্ষেত্ৰতো শিল্পীগৰাকীৰ ভূমিকা উল্লেখযোগ্য। বহু নতুন শিল্পীক তেওঁ শুকনানি ওজাৰ প্ৰশিক্ষণ দি আহিছে। নিজৰ জ্ঞান, অভিজ্ঞতা আৰু দীৰ্ঘদিনীয়া সাধনাৰ জৰিয়তে নতুন শিল্পীক গঢ়ি তুলি দৰঙী এই লোক কৃষ্টিক জীয়াই ৰখাৰ নিৰন্তৰ প্ৰচেষ্টা চলাই আহিছে ৯৪বছৰীয়া পঞ্চানন বৰুৱাই। শিল্পীগৰাকীৰ পৰিয়ালতো আছে দৰঙী লোক কৃষ্টিৰ প্ৰতি গভীৰ অনুৰাগ। তেওঁৰ কেইবাজনো সন্তানেই পিতৃৰ পদাংক অনুসৰণ কৰি লোক কলা-সংস্কৃতিৰ সৈতে জড়িত হৈ আছে। তেওঁৰ পুত্ৰ দ্বিপেন বৰুৱা অনাতাঁৰ কেন্দ্ৰ, গুৱাহাটীৰ স্বীকৃত ব্যাসৰ ওজাপালি আৰু ছিয়া গীতৰ শিল্পী। আন এজন পুত্ৰ বিপুল বৰুৱা ব্যাসৰ ওজাপালিৰ সৈতে জড়িত। কনিষ্ঠ জীয়ৰী ৰণজুন বৰুৱা এগৰাকী নামৰ পাঠিকা। অৰ্থাৎ পঞ্চানন বৰুৱাৰ পৰিয়ালটো দৰঙী লোক সংস্কৃতিৰ সাধনা আৰু সংৰক্ষণৰ সৈতে জড়িত হৈ আছে। ইমান দীঘলীয়া সময় ধৰি দৰঙী লোক কৃষ্টিৰ সেৱা কৰি অহাৰ পিছতো শিল্পীগৰাকীৰ জীৱন অৱশ্যে সচ্ছল নহয়। প্ৰচাৰবিমুখ এইগৰাকী শিল্পীয়ে জীৱনৰ অধিকাংশ সময় কঠোৰ পৰিশ্ৰমেৰে কৃষিকাৰ্য কৰি জীৱন নিৰ্বাহ কৰি আহিছে। বৰ্তমান বয়সৰ ভৰতো তেওঁ শিল্পীসত্তাক জীয়াই ৰাখিছে। কিন্তু চৰকাৰী বিভিন্ন আঁচনি আৰু শিল্পী কল্যাণমূলক সুবিধাৰ পৰা তেওঁ বঞ্চিত হৈ থকাৰ অভিযোগ উঠিছে। এসময়ত যিখন ঘৰত জয়ঢোলৰ দেৱধ্বনি, দৰঙী লোক কৃষ্টিৰ গীত-মাত আৰু নৃত্যৰ মূৰ্চ্ছনাই মুখৰ কৰি ৰাখিছিল, আজি সেই ঘৰখনতেই বিৰাজ কৰে এক নীৰৱতা। প্ৰায় কুৰি বছৰ পূৰ্বে সহধৰ্মিণীৰ পৰলোকগমনৰ পিছৰে পৰা শিল্পীগৰাকীয়ে প্ৰায় অকলশৰীয়া জীৱন অতিবাহিত কৰি আহিছে। জীৱনৰ বিয়লি বেলাতো লোক কৃষ্টিৰ প্ৰতি থকা অদম্য আকৰ্ষণে তেওঁক আজিও শিল্প চৰ্চাৰ পৰা আঁতৰাই ৰাখিব পৰা নাই। দৰঙী কলা-কৃষ্টিৰ প্ৰতি তেওঁৰ অৱদানৰ বাবে বিভিন্ন সময়ত জিলাখনৰ বিভিন্ন দল-সংগঠনে শিল্পীগৰাকীক সম্বৰ্ধনা জনাই আহিছে। দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘ, মঙলদৈ গ্ৰন্থমেলা, কলাইগাঁও আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কলাইগাঁও আঞ্চলিক সমিতি, দক্ষিণ কলাইগাঁও দুৰ্গা পূজা সমিতি, উদমাৰী ভোটকাচৌকা দুৰ্গা পূজা সমিতি আদিয়ে বিভিন্ন সময়ত তেওঁৰ শিল্পীসত্তাৰ স্বীকৃতি প্ৰদান কৰিছে। কিন্তু সামাজিক সন্মান আৰু সম্বৰ্ধনাৰ বিপৰীতে চৰকাৰী স্বীকৃতি আৰু সহায়ৰ ক্ষেত্ৰত যেন এতিয়াও পিছপৰি আছে শিল্পীগৰাকী। প্ৰশ্ন উত্থাপন হৈছে- দৰঙী লোক কৃষ্টিৰ এটা পৰম্পৰা প্ৰজন্মৰ পিছত প্ৰজন্মলৈ কঢ়িয়াই নিয়া এইগৰাকী ৯৪বছৰীয়া শিল্পীৰ জীৱনৰ অন্তিম পৰ্যায়ত চৰকাৰৰ দায়িত্ব কি? জীৱনজোৰা সাধনাৰ বিনিময়ত তেওঁলোকৰ বাবে থকা শিল্পী পেন্সন বা অন্যান্য কল্যাণমূলক আঁচনিৰ সুবিধা প্ৰকৃত শিল্পীসকলৰ ওচৰলৈ কিমান দূৰ গৈছে, সেয়াও পুনৰ পৰ্যালোচনাৰ প্ৰয়োজন আছে। পঞ্চানন বৰুৱাৰ দৰে শিল্পীসকল কেৱল এগৰাকী ব্যক্তি নহয়, তেওঁলোক একো একোটা জীৱন্ত সাংস্কৃতিক ঐতিহ্য। তেওঁলোকৰ কণ্ঠত, স্মৃতিত আৰু অভিজ্ঞতাত সংৰক্ষিত হৈ আছে বহু পুৰণি লোকগীত, লোক বিশ্বাস, পৰম্পৰা আৰু পৰিৱেশনৰ পদ্ধতি। সময়ৰ সোঁতত আধুনিকতাৰ প্ৰভাৱত বহু লোক কলা হেৰাই যোৱাৰ আশংকাৰ মাজত এনে শিল্পীসকলৰ জ্ঞান আৰু অভিজ্ঞতা নথিভুক্ত কৰাৰ লগতে তেওঁলোকক সামাজিক আৰু চৰকাৰীভাৱে সুৰক্ষা দিয়াটোও গুৰুত্বপূৰ্ণ। আজিও ৯৪ বছৰ বয়সত পঞ্চানন বৰুৱাৰ কণ্ঠত যেতিয়া বাজি উঠে- “অ' মাই মনসা, বন্দো দেৱী চৰণ তোমাৰ..”, তেতিয়া সেয়া কেৱল এটা গীতৰ সুৰ নহয়; সেয়া দৰঙৰ মাটিৰ বহু পুৰণি লোক পৰম্পৰাৰ এক জীৱন্ত প্ৰতিধ্বনি। জীৱনৰ শেষ প্ৰান্ততো শুকনানি ওজাৰ সাধনাত ব্ৰতী হৈ থকা এইগৰাকী শিল্পীৰ জীৱন আৰু সাধনাই এটাই প্ৰশ্ন এৰি যায়- যিসকলে নিজৰ জীৱন দি লোক কৃষ্টিক জীয়াই ৰাখিলে, তেওঁলোকৰ জীৱনৰ শেষ সময়খিনি সুৰক্ষিত কৰাৰ দায়িত্ব কাৰ?

# “সত্যনাথ বৰাৰ গদ্য চিন্তাৰ বাহন, সমকালতো সমানেই প্ৰাসংগিক” ঃ ড° বসন্ত কুমাৰ গোস্বামী

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৩ অক্টোবৰ ঃ** “গদ্য কেৱল ভাষাৰ প্ৰকাশভংগী নহয়, ই চিন্তাৰ বাহন। সেয়েহে অসমীয়া গদ্যক জীৱন্ত কৰি ৰখাৰ লগতে সত্যনাথ বৰাৰ দৰে অগ্ৰণী সাহিত্যিকৰ সৃষ্টিক সমকালীন সমাজৰ প্ৰেক্ষাপটত পুনৰ পাঠ কৰাৰ প্ৰয়োজন আছে।” — এই মন্তব্য অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ। ডুমডুমা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উদ্‌যাপনৰ অংশ হিচাপে শুকুৰবাৰে মহাবিদ্যালয়খনত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত সত্যনাথ বৰাৰ কালজয়ী গদ্যগ্ৰন্থ ‘সাৰথি’ৰ ইংৰাজী মুলানুবাদ ‘The Charioteer’ উন্মোচন কৰি ড° গোস্বামীয়ে এইদৰে কয়। অসম সাহিত্য সভা, ডুমডুমা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগ আৰু আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ যৌথ উদ্যোগত অনুষ্ঠিত অনুষ্ঠানত ‘অসমীয়া গদ্যৰ বিকাশত সত্যনাথ বৰাৰ অৱদান’ শীৰ্ষক বক্তৃতা প্ৰদান কৰি ড° গোস্বামীয়ে সত্যনাথ বৰাৰ গদ্যশৈলীৰ স্বকীয়তা আৰু বৌদ্ধিক গভীৰতাৰ ওপৰত আলোকপাত কৰে। সত্যনাথ বৰাৰ গদ্যশৈলীৰ সৈতে ইংৰাজী সাহিত্যৰ প্ৰখ্যাত ৰচনাকাৰ ফ্ৰান্সিছ বেকনৰ গদ্যশৈলীৰ সাদৃশ্য বিচাৰি ড° গোস্বামীয়ে কয় যে স্পষ্টতা, সংক্ষিপ্ততা আৰু চিন্তাৰ দৃঢ়তাই দুয়োগৰাকী লেখকৰ গদ্যক এক বিশেষ মৰ্যাদা প্ৰদান কৰিছে। গদ্য আৰু পদ্যৰ স্বৰূপ ব্যাখ্যা কৰি তেওঁ কয় যে গদ্যই সৰল আৰু পোনপটীয়া বাক্যৰ মাজেৰে চিন্তাক আগুৱাই নিয়ে, আনহাতে পদ্যই নিজৰ ছন্দ আৰু লয়ৰ মাজেৰে অনুভূতিক প্ৰকাশ কৰে। “গদ্য হৈছে চিন্তাৰ বাহন”— বুলি উল্লেখ কৰি তেওঁ অসমীয়া গদ্যৰ অৱনতি ৰোধ কৰাৰ আহ্বান জনায়। অসমীয়াই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰাৰ এবছৰ অতিক্ৰম কৰাৰ পাছতো ভাষাটোৰ শ্ৰীবৃদ্ধি আৰু প্ৰচাৰৰ বাবে চৰকাৰ আৰু অসমীয়া সমাজে যি পৰিমাণে আগবাঢ়িব লাগিছিল, সেয়া হোৱা নাই বুলি তেওঁ উদ্বেগ প্ৰকাশ কৰে। নিজৰ ভাষাৰ জ্ঞান কেৱল ভাষিক পৰিচয়ৰ বাবেই নহয়, জ্ঞান আহৰণ আৰু সাংস্কৃতিক ধাৰাবাহিকতা ৰক্ষাৰ বাবেও অত্যন্ত গুৰুত্বপূৰ্ণ বুলি তেওঁ মন্তব্য কৰে। ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ৰ প্ৰসংগ উল্লেখ কৰি ডঃ গোস্বামীয়ে মাতৃভাষাৰ জৰিয়তে শিক্ষাগ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে বুলি উল্লেখ কৰে। এনে পৰিপ্ৰেক্ষিতত অসমীয়া ভাষাত এক শক্তিশালী ভেটি নিৰ্মাণ কৰাটো অধিক জৰুৰী বুলি তেওঁ মত প্ৰকাশ কৰে। ‘সাৰথি’ৰ ইংৰাজী অনুবাদৰ প্ৰসংগত তেওঁ কয় যে অনুবাদে সত্যনাথ বৰাৰ সাহিত্যিক অৱদানক অসমীয়া ভাষাৰ পৰিসৰৰ বাহিৰলৈ লৈ যোৱাৰ এক নতুন দুৱাৰ মুকলি কৰিব। ইংৰাজী ভাষাৰ বৃহত্তৰ পাঠক সমাজৰ সৈতে অসমীয়া সাহিত্যৰ সংযোগ স্থাপনৰ ক্ষেত্ৰতো এই অনুবাদে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। “এখন কিতাপ প্ৰকাশ কৰাটো এটি সন্তান জন্ম দিয়াৰ দৰে”— বুলি মন্তব্য কৰি সাহিত্য সৃষ্টিৰ আঁৰত থকা লেখকৰ আৱেগ, চিন্তা আৰু বৌদ্ধিক শ্ৰমৰ কথাও তেওঁ উল্লেখ কৰে। ড° গোস্বামীয়ে পুৱা প্ৰায় ১০ বজাত মহাবিদ্যালয়খনত উপস্থিত হৈ প্ৰথমে অসমীয়া বিভাগ পৰিদৰ্শন কৰে। অসমীয়াই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ এবছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বিভাগটোত তেওঁ এগচি বন্তি প্ৰজ্বলন কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে। ইয়াৰ পাছত মহাবিদ্যালয়ৰ সন্মিলন কক্ষত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী অনুষ্ঠানত তেওঁ সত্যনাথ বৰাৰ গদ্যৰ সমকালীন প্ৰাসংগিকতাৰ লগতে অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্যিক ঐতিহ্যৰ প্ৰসংগ টানি তেওঁ অসমীয়া গদ্যৰ ক্ৰমবিকাশৰ বিভিন্ন ঐতিহাসিক দিশো ব্যাখ্যা কৰে। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই ডুমডুমা মহাবিদ্যালয়ৰ সাহিত্য আৰু সাংস্কৃতিক দায়বদ্ধতাৰ শলাগ লোৱাৰ লগতে ‘সাৰথি’ৰ ইংৰাজী অনুবাদৰ পদক্ষেপক প্ৰশংসা কৰে। মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ তথা পদ্মশ্ৰী বঁটা প্ৰাপক দুলাল মানকিৰ উপস্থিতিত প্ৰধান সম্পাদক বৰাই চাহ জনগোষ্ঠীৰ বাবে অসম সাহিত্য সভাই শীঘ্ৰে এক গুৰুত্বপূৰ্ণ সুখবৰ কঢ়িয়াই আনিব বুলি ঘোষণা কৰে। ৰাজ্যখনৰ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহত অসম সাহিত্য সভাৰ শাখা স্থাপনৰ প্ৰয়োজনীয়তাৰ কথাও তেওঁ উল্লেখ কৰে আৰু ডুমডুমা মহাবিদ্যালয়তো সাহিত্য সভাৰ এটা শাখা গঠনৰ বাবে আহ্বান জনায়। ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা মহাবিদ্যালয়ৰ সংগীতেৰে অনুষ্ঠানৰ শুভাৰম্ভ হয়। মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰকাশ দত্তই সত্যনাথ বৰাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে। অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই আদৰণি ভাষণ প্ৰদান কৰাৰ বিপৰীতে উপাধ্যক্ষ দীপক ৰঞ্জন বৰুৱাই অনুষ্ঠানটোৰ আঁত ধৰে। অনুষ্ঠানত অসম সাহিত্য সভা আৰু তিনিচুকীয়া জিলা সাহিত্য সভাৰ কেইবাগৰাকীও বিষয়ববীয়া, বিশিষ্ট নাগৰিক আৰু সাহিত্যপ্ৰেমী উপস্থিত থাকে। ডুমডুমা মহাবিদ্যালয়ৰ হীৰক জয়ন্তীৰ উপলক্ষত ‘The Charioteer’ৰ উন্মোচনে সত্যনাথ বৰাৰ গদ্যক নতুন পাঠক সমাজৰ সৈতে সংযোগ কৰাৰ লগতে অসমীয়া সাহিত্যৰ এক গুৰুত্বপূৰ্ণ অধ্যায়ক নতুন ভাষা আৰু নতুন পৰিসৰত পুনৰ উন্মোচিত কৰিলে।

### সেৱা সেতুৰ জৰিয়তে উপলব্ধ চৰকাৰী সেৱা- সুবিধাসমূহ গ্ৰহণ কৰিবলৈ আহ্বান মন্ত্ৰী অজন্তা নেওগৰ

# গোলাঘাটত সেৱা সংকল্প অভিযানৰ অধীনত ‘স্বাস্থ্য আৰু কল্যাণ শিবিৰ’ অনুষ্ঠিত

**অসম বাৰ্তা ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৩ অক্টোবৰ ঃ** সেৱা সংকল্প অভিযানৰ অংশ হিচাপে আজি গোলাঘাট জিলাৰ দুটা উন্নয়ন খণ্ড - পূব গোলাঘাট আৰু গমাৰিগুৰি খণ্ডৰ অন্তৰ্গত স্বাস্থ্য আৰু কল্যাণ শিবিৰ আয়োজন কৰা হয়। পূব গোলাঘাট উন্নয়ন খণ্ড, পদুমণিৰ, আৰু গমাৰিগুৰি উন্নয়ন খণ্ডত স্বাস্থ্য আৰু কল্যাণ শিবিৰৰ শুভাৰম্ভণি কৰে অসম চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী অজন্তা নেওগে। শিবিৰ উদ্বোধন কৰি মন্ত্ৰী নেওগে কয় ৰাইজৰ প্ৰয়োজনৰ সময়ত চৰকাৰী সেৱা-সুবিধা সহজে উপলব্ধ কৰাৰ লক্ষ্যৰে সেৱা সংকল্প অভিযানৰ অংশ হিচাপে ৰাজ্যজুৰি অনুষ্ঠিত হৈছে ‘সেৱা সেতু’ অভিযান। এই সেৱা সেতুৰ জৰিয়তে স্বাস্থ্য, শিক্ষা, কৃষি, সমাজ কল্যাণ, নিয়োগ আৰু দক্ষতা বিকাশ, গড়কাপ্তানী, গৃহ, জীৱিকা আদি বিভিন্ন ক্ষেত্ৰৰ চৰকাৰী সেৱা ৰাইজৰ ওচৰলৈ লৈ যোৱা হৈছে। এই কাৰ্যসূচীৰ জৰিয়তে ৰাইজে নিজৰ সমস্যা, প্ৰয়োজনীয়তা বা অভাৱ-অভিযোগসমূহ সংশ্লিষ্ট বিভাগৰ আগত অৱগত কৰি প্ৰয়োজনীয় সহায় লাভ কৰাৰ সুবিধা লাভ কৰিছে বুলি উল্লেখ কৰি মন্ত্ৰী নেওগে লগতে কয় ইয়াৰ লগতে ৰাজ্যৰ ২০২টা স্থানত বিনামূলীয়া স্বাস্থ্য সেৱা আৰু স্বাস্থ্য সজাগতা শিবিৰো আয়োজন কৰা হৈছে, যাতে ৰাইজে ওচৰতে স্বাস্থ্য পৰীক্ষা আৰু প্ৰয়োজনীয় পৰামৰ্শ লাভ কৰিব পাৰে। মন্ত্ৰী নেওগে ৰাইজক এই সেৱা সেতুত উপস্থিত হৈ নিজৰ সমস্যা আৰু প্ৰয়োজনীয়তাসমূহ অৱগত কৰাৰ লগতে উপলব্ধ চৰকাৰী সেৱা-সুবিধাসমূহ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে সকলো বিভাগৰ সংহত অংশগ্ৰহণেৰে এই সেৱা সংকল্প অভিয়ান অনুষ্ঠিত হৈছে আৰু গোলাঘাটৰ সকলো উন্নয়ন খণ্ডৰ অন্তৰ্গত স্বাস্থ্য আৰু কল্যাণ শিবিৰ অক্টোবৰ ৯ তাৰিখৰ ভিতৰত সম্পন্ন হ'ব। বিশেষজ্ঞ চিকিৎসক, এম বি বি এছ ডাক্তৰ, আয়ুস চিকিৎসা, সাধাৰণ স্বাস্থ্য পৰীক্ষা, অসংক্ৰামক ৰোগ নিৰ্ণয়, লেবৰেটৰী, ঔষধ বিতৰণকে আদি কৰি যোগাসন, আভা নুমৱ সৃষ্টি, পুষ্টিৰ তথ্যৰ স্বাস্থ্যসন্মত জীৱনশৈলীৰ বিষয়ে সজাগ কৰা হয়। এই স্বাস্থ্য আৰু কল্যাণ শিবিৰৰ জৰিয়তে ব্যাপক আৰু সুলভ স্বাস্থ্যসেৱা সমূহ ৰাইজৰ ওচৰলৈ লৈ যোৱা। শিবিৰ সমূহত জনসাধাৰণৰ বাবে বিনামূলীয়া স্বাস্থ্য সেৱাৰ ব্যৱস্থা কৰা হয় আৰু ৰোগৰ সঠিক পৰীক্ষা কৰাৰ বাবে এক্সৰে আৰু ই চি জি সেৱাও উপলব্ধ কৰা হয়। স্বাস্থ্য আৰু কল্যাণ শিবিৰ সমূহত যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ পৰা অহা বিশেষজ্ঞ চিকিৎসকে চিকিৎসা সেৱা আগবঢ়ায়। চিকিৎসা সেৱাৰ উপৰিও শিবিৰসমূহত আয়ুষ্মান ভাৰতৰ অধীনত পিএমজে কাৰ্ড আৰু ই-কেৱাইচিৰ সুবিধা প্ৰদান কৰা হয়। পদুমণি উন্নয়ন খণ্ডত অনুষ্ঠিত স্বাস্থ্য আৰু কল্যাণ শিবিৰত মুঠ ৮৭১জন ৰোগী আৰু গমাৰিগুৰি উন্নয়ন খণত অনুষ্ঠিত শিবিৰত মুঠ ৫৩২জন ৰোগীয়ে স্বাস্থ্য সেৱাৰ সুবিধা লাভ কৰে।

# নৰেন নেওগৰ মৃত্যু; লখিমপুৰ জিলা নাগৰিক সমাজ, ‘কে আৰ এছ এছ’ৰ শোক

**অসম বাৰ্তা, লীলাবাৰী, ৩ অক্টোবৰ ঃ** উত্তৰ লখিমপুৰ চহৰৰ সমীপৱৰ্তী তেলিয়া গাঁও নিবাসী বিশিষ্ট কৃষক, সৰবৰহী, ধৰ্মপ্ৰাণ ব্যক্তি, তেলিয়া গাঁও ও নামঘৰ পৰিচালনা সমিতিৰ পৰামৰ্শদাতা, সুহৃদ নৰেন নেওগৰ ৩০ ছেপ্তেম্বৰত দিনৰ ১.৫০ বজাত ৬২ বছৰ বয়সত বাৰ্ধক্যজনিত কাৰণত ইহলীলা সম্বৰণ কৰে। মৃত্যুৰ সময়ত নেওগে পত্নী, এক পুত্ৰ বোৱাৰী, ১ কন্যা, ২ ভাতৃ, ভাই বোৱাৰী, ৩ বাই-ভনী, ভনীজোৱাই, ভালে কেইগৰাকী নাতি, নাতিনী, ইষ্ট-কুতুম্ব সহ বহু গুনমুগ্ধ এৰি থৈ যায়। বিশিষ্ট কৃষক, ধৰ্মপ্ৰাণ ব্যক্তি, সৰবৰহী, সুহৃদ নৰেন নেওগৰ দেহাৱসানত গভীৰ শোক প্ৰকাশ কৰিছে সামাজিক সংগঠন সদৌ লখিমপুৰ জিলা নাগৰিক সমাজে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক শোক বাৰ্তাৰ জৰিয়তে সদৌ লখিমপুৰ জিলা নাগৰিক সমাজৰ সভাপতি, ভাষাবিদ শশীধৰ দেউৰী, উপদেষ্টা গণেশ ভূঞা, ড° কুসুম্বৰ ভূঞা, ড° হামিদুৰ ৰহমান, ধৰ্মেশ্বৰ গগৈ, ডিম্বেশ্বৰ হাজৰিকা, দণ্ডী তামোলী ফুকন আৰু সাধাৰণ সম্পাদক কাব্যপ্ৰাণ ৰূপজ্যোতি দত্ত কোচে নেওগৰ জীৱনাৱসানত অঞ্চলবাসীৰ বাবে অপূৰণীয় ক্ষতি হ'ল বুলি অভিহিত কৰি মৃতকৰ বিদেহী আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। অন্যহাতে আন এক বিবৃতিত ৰাজ্যখনৰ শক্তিশালী জাতীয় সংগঠন কোচ ৰাজবংশী সংগ্ৰাম সমিতিয়ে প্ৰখ্যাত কৃষক নেওগৰ পৰলোকপ্ৰাপ্তিত কৃষি ক্ষেত্ৰখনৰ লগতে অঞ্চলবাসীৰ অপূৰণীয় ক্ষতি হ'ল বুলি অভিহিত কৰিছে। লগতে কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ লখিমপুৰ জিলা সমিতি আৰু লখিমপুৰ নগৰ আঞ্চলিক সমিতিয়ে কৃষকগৰাকীৰ মৃত্যুত শোক প্ৰকাশ কৰিছে।

# অসম সাহিত্য সভাৰ কেন্দ্ৰীয় ধ্ৰুপদী ভাষা দিৱস পালন

### “এটা জাতিৰ জাতীয়ত্ব ৰক্ষা কৰে ভাষাই” ঃ ড° বসন্ত কুমাৰ গোস্বামী




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৩ অক্টোবৰ ঃ** তিনিচুকীয়া জিলা সাহিত্য সভাৰ উদ্যোগত আৰু ৰূপাই শতদল শাখা সাহিত্য সভাৰ আতিথ্যত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় ধ্ৰুপদী ভাষা দিৱস আজি ৩ অক্টোবৰ তাৰিখে ৰূপাই শাখা সাহিত্য সভাৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। দিনৰ পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত বক্তৃতা প্ৰতিযোগিতাত জিলাখনৰ বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে উৎসাহ-উদ্দীপনাৰে অংশগ্ৰহণ কৰে। দিনৰ ২ বজাত অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়াই। জিলা সাহিত্য সভাৰ সম্পাদক অৰূপ কুমাৰ চাংমাইয়ে আঁত ধৰা সভাখন উদ্বোধন কৰে জিলা সাহিত্য সভাৰ উপ-সভাপতি চন্দ্ৰ কুমাৰ বৰুৱাই। আদৰণি ভাষণ আগবঢ়ায় ৰূপাই শতদল শাখা সাহিত্য সভাৰ সভাপতি বেণু বড়াই। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থকা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰণীতা নেওগে ‘ধ্ৰুপদী অসমীয়া ভাষা’ বিষয়ত এক মননশীল আৰু তথ্যসমৃদ্ধ বক্তৃতা আগবঢ়ায়। সভাৰ মুখ্য অতিথি তথা অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে ভাষা, সাহিত্য আৰু সংস্কৃতিৰ আন্তঃসম্পৰ্কৰ বিষয়ে বিস্তৃতভাৱে বক্তব্য আগবঢ়াই কয় যে, “এটা জাতিৰ জাতীয়ত্ব ৰক্ষা কৰে ভাষাই।” ভাষাৰ সংৰক্ষণ, চৰ্চা আৰু বিকাশৰ ক্ষেত্ৰত নতুন প্ৰজন্মৰ ভূমিকা সম্পৰ্কেও তেওঁ গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই বিশিষ্ট অতিথিৰ আসনৰ পৰা ভাষা আৰু সাহিত্যৰ সাম্প্ৰতিক প্ৰাসংগিকতা সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ সাংগঠনিক সম্পাদক সুনীল কুমাৰ গুৰুং, তিনিচুকীয়া জিলা প্ৰতিনিধি মোহন মৰাণ, অসম সাহিত্য সভাৰ প্ৰচাৰ উপ-সমিতিৰ উপ-সভাপতি পুলক কুমাৰ গগৈ, পৰিৱেশ্য কলা উপ-সমিতিৰ আহ্বায়ক চৈয়দ মাৰুক হুছেইন, তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জ্জুন বৰুৱা, প্ৰাক্তন সম্পাদক শৰৎ চন্দ্ৰ চিৰিংফুকনৰ উপৰি জিলাখনৰ বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ আন এক উল্লেখযোগ্য কাৰ্যসূচী হিচাপে বক্তৃতা প্ৰতিযোগিতাত বিজয়ী প্ৰতিযোগীসকলক বঁটা আৰু মানপত্ৰ প্ৰদান কৰা হয়। শেষত ৰূপাই শতদল শাখা সাহিত্য সভাৰ সম্পাদক ৰাতুল গগৈয়ে শলাগৰ শৰাই আগবঢ়ায়। জাতীয় সংগীতেৰে দিনজোৰা কাৰ্যসূচীৰ সফল সামৰণি পৰে।

## সম্পাদকীয়

# শৃংখলাবদ্ধ, নিৰাপদ দুৰ্গা পূজা ঃ প্ৰশাসনৰ তৎপৰতা

শৰৎ আগমনৰ লগে-লগে অসমৰ সামাজিক আৰু সাংস্কৃতিক আকাশ-বতাহ দুৰ্গা পূজাৰ উন্মুখ উখল-মাখলেৰে মুখৰিত হৈ পৰিছে। বিশেষকৈ গুৱাহাটী মহানগৰীত দুৰ্গা পূজা কেৱল ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ মাজতে সীমাবদ্ধ হৈ থকা নাই; ই এক বিশাল জনসমাগম, সাংস্কৃতিক মিলন আৰু আনন্দ-উৎসৱলৈ ৰূপান্তৰিত হৈছে। এনে এক ব্যাপক উৎসৱৰ সময়ত মহানগৰীখনৰ শান্তি-শৃংখলা, জনসাধাৰণৰ সুৰক্ষা আৰু যাতায়াত ব্যৱস্থা সুচাৰুৰূপে চলাই নিয়াটো প্ৰশাসনৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান হৈ পৰে। এই উদ্দেশ্য আগত ৰাখিয়েই অলপতে গুৱাহাটীৰ জিলা পুথিভঁৰালত মহানগৰ আৰক্ষী আৰু পূজা সমিতিসমূহৰ মাজত অনুষ্ঠিত গুৰুত্বপূৰ্ণ যৌথ বৈঠকত যিবোৰ কেইবাটাও প্ৰশাসনীয় নিৰ্দেশনা জাৰি কৰা হৈছে, সি সঁচাকৈয়ে সময়োপযোগী আৰু প্ৰশংসনীয় পদক্ষেপ।

উৎসৱৰ নামত কোনো ধৰণৰ অনিয়ম, অনাকাংক্ষিত দুৰ্ঘটনা বা বিশৃঙ্খলা যাতে সংঘটিত নহয়, তাৰ বাবে মহানগৰ আৰক্ষীয়ে অনুজ্ঞাপত্ৰ গ্ৰহণ, শব্দ নিয়ন্ত্ৰণ, চিচিটিভি (CCTV) কেমেৰা সংস্থাপন, অগ্নি সুৰক্ষা আৰু স্বেচ্ছাসেৱকৰ সক্ৰিয় উপস্থিতিৰ দৰে বিষয়সমূহত কঠোৰ স্থিতি গ্ৰহণ কৰিছে। ৰাস্তা অৱৰোধ কৰি মণ্ডপ নিৰ্মাণ কৰাত বাধা আৰোপ কৰা বা পুৰুষ-মহিলাৰ সুকীয়া প্ৰৱেশ-প্ৰস্থান আৰু জৰুৰীকালীন প্ৰস্থানৰ (Emergency Exit) ব্যৱস্থা ৰখাটোৱে দৰ্শনাৰ্থীসকলৰ নিৰাপত্তা আৰু যাতায়াতৰ সুচলতা বহু পৰিমাণে বৃদ্ধি কৰিব। একেদৰে, মণ্ডপসমূহত অভিজ্ঞ ইলেক্ট্ৰিচিয়ানৰ উপস্থিতি আৰু অগ্নিনিয়ন্ত্ৰক ব্যৱস্থাক বাধ্যতামূলক কৰাৰ সিদ্ধান্তই বিগত সময়ছোৱাত সমগ্ৰ দেশতেই মণ্ডপত ঘটা ভয়াৱহ অগ্নিকাণ্ডৰ দৰে অঘটন ৰোধ কৰাত সহায় কৰিব।

ইফালে, উৎসৱৰ পৰিৱেশ নিকা আৰু সুস্থ কৰি ৰখাৰ স্বাৰ্থত প্ৰশাসনে গ্ৰহণ কৰা নীতিসমূহ অতিকৈ গুৰুত্বপূৰ্ণ। নিশা ১০ বজাৰ পিছত মাইক বা ছিষ্টেম বজোৱাত নিষেধাজ্ঞা, শব্দৰ মাত্ৰা ৫৫ ডেচিবেলত সীমিত ৰখা আৰু 'আইটেম ছং' বা অশ্লীল গীত নবজাবলৈ দিয়া নিৰ্দেশনাই শব্দ প্ৰদূষণ ৰোধ কৰাৰ উপৰি উৎসৱটিৰ পৱিত্ৰতা আৰু মাংগলিক পৰিৱেশ বৰ্তাই ৰাখিব। তাৰ উপৰি, পূজা মণ্ডপসমূহক 'ধূমপান আৰু মদ্যপান নিষিদ্ধ অঞ্চল' হিচাপে ঘোষণা কৰাৰ নিয়মে যুৱপ্ৰজন্ম আৰু শিশুসকলৰ বাবে এক সুস্থ সামাজিক পৰিৱেশ গঢ়ি তোলাত যোগাত্মক প্ৰভাৱ পেলাব।

যিহেতু সংবেদনশীল পৰিস্থিতি আৰু অনাকাংক্ষিত ঘটনা ৰোধ কৰিবলৈ চিচিটিভি আৰু স্থানীয় আৰক্ষীক স্বেচ্ছাসেৱকৰ সবিশেষ তথ্য দিয়াৰ নিৰ্দেশ দিয়া হৈছে, সেয়েহে ই অপৰাধ প্ৰৱণতা ৰোধতো বিশেষ ভূমিকা ল'ব। অৱশ্যে কেৱল প্ৰশাসনে নিৰ্দেশনা জাৰি কৰিলেই এখন শৃংখলাবদ্ধ সমাজ গঠন হ'ব নোৱাৰে। এই নিয়মসমূহ কেৱল কাগজত বন্দী হৈ নাথাকি বাস্তৱত ৰূপায়ণ কৰাৰ দায়িত্ব মহানগৰীৰ প্ৰতিখন পূজা সমিতিৰ। আয়োজকসকলে আৰক্ষী প্ৰশাসনৰ সৈতে স্বতঃস্ফূৰ্তভাৱে সহযোগিতা কৰা উচিত।

এক নিৰাপদ আৰু আনন্দদায়ক দুৰ্গা পূজা উদযাপনৰ বাবে সাধাৰণ নাগৰিক আৰু দৰ্শনাৰ্থীসকলৰো সমানেই দায়িত্ব আছে। যাতায়াতৰ নীতি- নিয়ম মানি চলা, আৰক্ষী আৰু স্বেচ্ছাসেৱকৰ নিৰ্দেশনা অনুসৰি চলাচল কৰা আৰু সন্দেহজনক ব্যক্তি বা বস্তুলৈ লক্ষ্য ৰখা প্ৰতিজন দৰ্শনাৰ্থীৰে কৰ্তব্য। প্ৰশাসনৰ তীক্ষ্ণ দৃষ্টি, পূজা সমিতিসমূহৰ নিয়মানুৱৰ্তিতা আৰু ৰাইজৰ সচেতন সহযোগিতাইহে আগন্তুক দুৰ্গা পূজাক প্ৰকৃত অৰ্থত শৃংখলাবদ্ধ, শান্তিপূৰ্ণ, পৱিত্ৰ আৰু সুৰক্ষিত কৰি তুলিব পাৰিব।

# ভোট চুৰি আৰু জ্ঞানেশ কুমাৰৰ পদত্যাগ

**ড° আৰ কে বেজবৰুৱা**

বৰ্তমান আমাৰ সমনীয়া সকলৰ বয়স প্ৰায় ৫৫-৬০ বছৰ। ২০ বছৰ বাদ দিলে বিগত প্ৰায় ৩০-৪০ বছৰে আমি ভাৰতীয় গণতন্ত্ৰৰ স্বৰূপ দেখি আহিছোঁ। তাৰ আগৰ প্ৰায় ৩০ বছৰৰ লুকাই থকা কাহিনী সামাজিক মাধ্যমৰ বদান্যতাত শুনিবলৈ পাইছোঁ। ইয়াৰ পৰা আমি নিশ্চিত যে ইমান বছৰে ভাৰতত যিবোৰ দলে শাসন কৰিলে, কোনো ধোৱা তুলসীৰ পাত নহয়। মহাত্মা গান্ধীৰ নীতিও সমালোচনাৰ উৰ্দ্ধত নাছিল। গান্ধী নীতি বহুসময়ত পক্ষপাত দুষ্ট হৈছিল। গতিকে কোনো দলেই ডাঠি ক'ব নোৱাৰে যে "আমি জনগণৰ হিতৰ বাবে এশ শতাংশ কাম কৰিছোঁ" বুলি। কিন্তু এই কথা সত্য যে আজিৰ বিজেপিৰ শাসন কালত দেশৰ সামগ্ৰীক প্ৰগতি বিগত চৰকাৰৰ দিনতকৈ বহুত পৰিমাণে উন্নত হৈছে। শান্তি-শৃংখলা, ব্যৱসায়-বাণিজ্য, শিক্ষা, স্বাস্থ্য, যাতায়ত, ৰাস্তা-পদূলি, বৈদেশিক নীতি, বৈজ্ঞানিক গৱেষণা আদি সকলো দিশতে ভাৰত প্ৰগতিৰ বাটত লক্ষণীয় ভাৱে আগবাঢ়ি গৈছে। তাৰ মাজত কিছুমান এনেকুৱা কথাই অৱশ্যে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰা পৰিলক্ষিত হৈছে। ইয়াৰ প্ৰথম হৈছে হিন্দুত্ববাদৰ সম্প্ৰসাৰণ, ধৰ্মীয় মেৰুকৰণ, মুছলমান আইনৰ ওপৰত হস্তক্ষেপ, চৰকাৰী নিযুক্তিৰ বিপৰীতে নিবনুৱা সমস্যা, নতুন আইন প্ৰস্তুত কৰা, যি কোনো পৰীক্ষাৰ পেপাৰ লীক, ভ্ৰষ্টাচাৰক উদ্‌গনি দিয়া কিছুমান নেতাক জেললৈ পঠোৱা আৰু বিৰোধী পাৰ্টিক চৰকাৰ গঠনৰ সুবিধা নিদিয়া। তাৰ লগতে ৰাম মন্দিৰ নিৰ্মাণ, অনুচ্ছেদ ৩৭০ বাতিল, অপাৰেচন সিন্দূৰ, জ্ঞানবাপী মন্দিৰ প্ৰসংগ, অবৈধ অতিক্ৰমণ উচ্ছেদ, অসম আৰু উত্তৰপ্ৰদেশত বুলড'জাৰ অপাৰেচন পাঠ্যক্ৰমৰ সংশোধন, FCRA, চৰকাৰ আৰু হিতাধিকাৰীৰ মাজত প্ৰত্যক্ষ সংযোগ আদিয়ে একাংশ নেতা আৰু বিৰোধীক ক্ষোভিত কৰাটো স্বাভাৱিক কথা। তাৰ পিছত আহিল এছ আই আৰ।

ক'ভিড মহামাৰীৰ বাবে ২০২১ চনত লোকপিয়ল হোৱা নাছিল। ২০১১ চনৰ পৰা ২০২৬ চনলৈ ভোটাৰ তালিকা সংশোধন কৰাৰ বাবে নিৰ্বাচন আয়োগে নিৰ্বাচন অনুষ্ঠিত কৰাৰ আগে আগে কেইখনমান ৰাজ্যত এছ আই আৰ (SIR) কৰাৰ বাবে নিৰ্দেশ জাৰি কৰিছিল। এই এছ আই আৰক ইতিমধ্যে উচ্চতম ন্যায়ালয়ে বৈধতা প্ৰদান কৰিছে। ফলত এই পৰ্যন্ত ১৩ কোটি মানুহৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰা হৈছেবুলি বিৰোধী ৰাজনৈতিক দলসমূহে জোৰদাৰ অভিযোগ তুলি আহিছে। তাৰ বাবে মুখ্য নিৰ্বাচনী আয়ুক্ত শ্ৰীজ্ঞানেশ কুমাৰক দোষাৰোপ কৰা হৈছে। তাতকৈ ডাঙৰ কথা, বিজেপি চৰকাৰৰ আদেশ মতে শ্ৰীজ্ঞানেশ কুমাৰে ভোট চুৰিত সহায় কৰা বুলি বিৰোধী সৰৱ হৈছে। উল্লেখযোগ্য যে ভাৰতৰ বহুজন মুখ্য নিৰ্বাচনী আয়ুক্ত পূৰ্বৰ চৰকাৰৰ প্ৰিয়পাত্ৰ হৈ ৰাজনৈতিক সুবিধা আদায় কৰা বুলিও অভিযোগ আছে। তেওঁলোকৰ ভিতৰত টি এন শেষাণ, নবীন চাওলা, এম এছ গীল বিশেষ ভাৱে বিতৰ্কিত। জ্ঞানেশ কুমাৰক ২০২৫ চনৰ ১৯ ফেব্ৰুৱাৰীত মুখ্য নিৰ্বাচনী আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছিল। প্ৰশ্ন তাতো উঠে ২০২৪ চন আৰু তাৰ আগৰ নিৰ্বাচনত বিজেপি

*গান্ধী নীতি বহুসময়ত পক্ষপাত দুষ্ট হৈছিল। গতিকে কোনো দলেই ডাঠি ক'ব নোৱাৰে যে "আমি জনগণৰ হিতৰ বাবে এশ শতাংশ কাম কৰিছোঁ" বুলি। কিন্তু এই কথা সত্য যে আজিৰ বিজেপিৰ শাসন কালত দেশৰ সামগ্ৰীক প্ৰগতি বিগত চৰকাৰৰ দিনতকৈ বহুত পৰিমাণে উন্নত হৈছে। শান্তি-শৃংখলা, ব্যৱসায়-বাণিজ্য, শিক্ষা, স্বাস্থ্য, যাতায়ত, ৰাস্তা-পদূলি, বৈদেশিক নীতি, বৈজ্ঞানিক গৱেষণা আদি সকলো দিশতে ভাৰত প্ৰগতিৰ বাটত লক্ষণীয় ভাৱে আগবাঢ়ি গৈছে। তাৰ মাজত কিছুমান এনেকুৱা কথাই অৱশ্যে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰা পৰিলক্ষিত হৈছে। ইয়াৰ প্ৰথম হৈছে হিন্দুত্ববাদৰ সম্প্ৰসাৰণ, ধৰ্মীয় মেৰুকৰণ, মুছলমান আইনৰ ওপৰত হস্তক্ষেপ, চৰকাৰী নিযুক্তিৰ বিপৰীতে নিবনুৱা সমস্যা, নতুন আইন প্ৰস্তুত কৰা, যি কোনো পৰীক্ষাৰ পেপাৰ লীক, ভ্ৰষ্টাচৰক উদ্‌গনি দিয়া কিছুমান নেতাক জেললৈ পঠোৱা আৰু বিৰোধী পাৰ্টিক চৰকাৰ গঠনৰ সুবিধা নিদিয়া। তাৰ লগতে ৰাম মন্দিৰ নিৰ্মাণ, অনুচ্ছেদ ৩৭০ বাতিল, অপাৰেচন সিন্দূৰ, জ্ঞানবাপী মন্দিৰ প্ৰসংগ, অবৈধ অতিত্ৰ মণ উচ্ছেদ, অসম আৰু উত্তৰপ্ৰদেশত বুলড'জাৰ অপাৰেচন পাঠ্যত্ৰ মৰ সংশোধন, FCRA, চৰকাৰ আৰু হিতাধিকাৰীৰ মাজত প্ৰত্যক্ষ সংযোগ আদিয়ে একাংশ নেতা আৰু বিৰোধীক ক্ষোভিত কৰাটো স্বাভাৱিক কথা।*

দল বিজয়ী হোৱাত কোন নিৰ্বাচনী আয়ুক্তই ভোট চুৰি কৰাত সহায় কৰিছিল?

আমি জনাত প্ৰতি ১০ বছৰৰ মূৰে মূৰে নিৰ্বাচন আয়োগে ভোটাৰ তালিকা সংশোধন কৰে। এই প্ৰক্ৰিয়াত মৃত ব্যক্তিৰ নাম কৰ্তন কৰা হয়। বিভিন্ন কাৰণত যিসকলে স্থান বা সমষ্টি সলনি কৰে, তেৰোঁলোকৰো পূৰ্বৰ বাসস্থানৰ পৰা নাম কৰ্তন কৰা হয়। ভাৰতত হোৱা মৃত্যুৰ




সংখ্যা প্ৰতিদিনে গড়ে প্ৰায় ২৬, ৮০০ জন। তদুপৰি, ৰাষ্ট্ৰসংঘৰ বিশ্ব জনসংখ্যা সম্ভাৱনা (UN World Population Prospects)ৰ তথ্য অনুসৰি প্ৰতি বছৰে ভাৰতত মৃত্যু হোৱা লোকৰ সংখ্যা প্ৰায় ৮৫ লাখৰ পৰা ৯০ লাখ লোক ১৮ বছৰৰ ওপৰৰ প্ৰাপ্তবয়স্ক। এই পৰিমাণ ৮৫ লাখ ধৰিলেও বিগত ২০ বছৰত এই সংখ্যা হ'ব ৮৫০০০০০×২০= ১৭০০০০০০০ হ'ব। তাৰ লগত থাকিব স্থান সলনি কৰা লোকৰ সংখ্যাটো। গতিকে গোটেই দেশত এছ আই আৰ কৰিলে ১৩ কোটিতকৈয়ো অধিক হ'ব। তাৰ লগত যোগ হব প্ৰকৃত তথ্যৰ যোগান ধৰিব নোৱাৰা লোকৰ সংখ্যা। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে, যিসকল প্ৰকৃত ভাৰতীয় নাগৰিকৰ নাম ভুলক্ৰমে ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰা হৈছে, তেওঁলোকৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ সুবিধা আছে। সেয়েহে তাৰ বাবে সাধাৰণ মানুহ আতংকিত হোৱাৰ প্ৰয়োজন নাই।

এতিয়া প্ৰশ্ন হৈছে - সমস্ত বিৰোধী দলৰ নেতা সকলে ভোটাৰ তালিকাৰ পৰা মৃত ব্যক্তিসকলৰ নাম আঁতৰাই দিয়াতো নিবিচাৰে নেকি? মৃত মানুহৰ নাম ভোটাৰ তালিকাত থাকিলে তেৰোঁলোক জয়ী হ'ব পাৰিব নে? যিসকল লোকে স্থান সলনি কৰিছে, তেৰোঁলোকে দুঠাইত ভোট দি বিৰোধী দল জিকাত সুবিধা কৰিব নেকি? তাৰ পিছত আহে অবৈধ নাগৰিকৰ প্ৰতি প্ৰীতি। বিৰোধী সকলো দলেই ভাৰতৰ পৰা অবৈধ বাংলাদেশী আৰু ৰহিংগীয়া বহিষ্কাৰ হোৱাটো নিবিচাৰে নেকি? আচলতে ৰাহুল গান্ধীকে ধৰি সমস্ত বিৰোধীৰ তেৰোঁলোকৰ সমষ্টিৰ জনগণ আৰু দেশৰ প্ৰতি Accountability কি?

আজি বহু বছৰ ধৰি যিকোনো নিৰ্বাচনত হাৰি যোৱা দলৰ নেতাসকলে 'ই ভি এম'ৰ ব্যৱহাৰৰ ওপৰত অভিযোগ উত্থাপন কৰি আহিছে। নিৰ্বাচনত হাৰিলেই বিৰোধী দলবোৰে ই ভি এম হেক কৰি ভোট চুৰি কৰা বুলি বিজয়ী দলক নিৰন্তৰ দোষাৰোপ কৰা দেখা গৈছে। হাৰি যোৱা দলসমূহে ভোট গ্ৰহণত পুনৰ বেলত পেপাৰ ব্যৱহাৰ কৰিবলৈ দাবী তোলা দেখা গৈছে। পৰাজিত দল বা প্ৰাৰ্থীয়েইনহয়, অসমৰ দুই এজন বিশিষ্ট ব্যক্তিয়েও তেৰোঁলোকে দিয়া ভোট অন্য প্ৰাৰ্থীৰ নামত পৰা বুলি অভিযোগ তুলিছিল। কথা হৈছে, সঁচাকৈয়ে ইভি এম হেক হৈছে নেকি? যদি হৈছে, গণতন্ত্ৰৰ বাবে ই এক ভয়ংকৰ কথা। য'ত মানুহে নিজৰ পচন্দৰ প্ৰাৰ্থী বা দলক ভোট দিব নোৱাৰে, তাত নিৰ্বাচন বা গণতন্ত্ৰৰ মূল্য কি?

স্বাধীনতাৰ প্ৰায় পিছৰে পৰা ভাৰতৰ কিছুমান ঠাইত নিৰ্বাচনত বেলট বাকচ কাঢ়ি নিয়া, প্ৰকৃত ভোটাৰৰ বেলট কাগজ সলনি কৰা, ভোটৰ বুথ দখল কৰি প্ৰাৰ্থীয়ে গুণ্ডা গিৰি কৰি নিজৰ ইচ্ছা মতে বেলট কাগজ সুমুৱাই দিয়া নাইবা আগতেই চাব মৰা বেলট পেপাৰ ভৰাই দিয়া আৰু লগতে ৰাজনৈতিক হিংসা এটা নৈমিত্তিক ঘটনা আছিল। ১৯৫০ চনৰ পৰা ১৯৮০ চনলৈ এনেকুৱা বহুতো ঘটনাৰ অভিযোগ নিৰ্বাচন আয়োগে লাভ কৰিছিল। এনেকুৱা হিংসাত্মক ঘটনা পৰিহাৰ কৰা আৰু খৰচ কমোৱা বা গণনাৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্বাচন আয়োগে বিকল্প ব্যৱস্থাৰ সন্ধানত নামি পৰিল।

১৯৭০ চনৰ শেষৰ ফালে নিৰ্বাচন আয়োগে ইলেক্ট্ৰনিক ভোটিং মেচিনৰ কথা বিবেচনা কৰিলৈ বাধ্য হ'ল। ইলেক্ট্ৰনিক কৰ্প'ৰেচন আৰু ভাৰত ইলেক্ট্ৰনিকচৰ সহযোগত ১৯৯০ চনৰ পৰা নিৰ্বাচনত ইলেক্ট্ৰনিক ভোটিং মেচিন বা EVM ব্যৱহাৰ কৰিবলৈ নিৰ্বাচন আয়োগে সিদ্ধান্ত লৈছিল। এতিয়া আকৌ বেলট পেপাৰৰ দ্বাৰা নিৰ্বাচন কৰাৰ দাবী তুলিছে ভাৰতৰ কংগ্ৰেছ দলে। এয়া দলটোৰ অজ্ঞতা নে পুনৰ বেলট পেপাৰৰ লগত পূৰ্বৰ কাৰ্য্য সংঘটিত কৰি নিৰ্বাচন জিকাৰ অভিসন্ধি? যিহেতু ইণ্ডি এলায়েঞ্চে ২০১৬ চনৰ পৰা হাৰি আহিছে!

এতিয়া আছে মূল প্ৰশ্ন -যিহেতু বিজেপিয়ে জ্ঞানেশ কুমাৰৰ সৈতে অভিসন্ধি কৰি নিৰ্বাচনত জিকিছে, গতিকে জ্ঞানেশ কুমাৰ, প্ৰধান মন্ত্ৰী মোডী আৰু অমিত শ্বাহে পদত্যাগ কৰিব লাগিব। এয়া বিৰোধীৰ দাবী আৰু ২ অক্টোবৰৰ পৰা দেশৰ সকলোতে সত্যাগ্ৰহ- প্ৰতিবাদ হ'ব। তাৰ বিপৰীতে দেশৰ সকলোতে আন এটা প্ৰশ্ন উঠিছে - যিহেতু যোৱা নিৰ্বাচন অবৈধ আছিল, সেই অবৈধ নিৰ্বাচনত বিজয়ী হোৱা ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী আৰু পঞ্জাৱ, কেৰেলা, কৰ্ণাটক আদি প্ৰদেশৰ চৰকাৰে পদত্যাগ কৰিব নে? যদি সত্যাগ্ৰহৰ ওপৰত কংগ্ৰেছ আৰু আন আন পাৰ্টিৰ ভৰষা আছে, তেন্তে নিজৰ পৰাই আৰম্ভ কৰা উচিত! দেখা যাওক চৰকাৰে এইবাৰ কি পদক্ষেপ গ্ৰহণ কৰে আৰু বিৰোধীয়ে কিমান সফলতা অৰ্জন কৰে। সাধাৰণ জনতাই কিন্তু দেশত দিনে দিনে বৃদ্ধি হোৱা আন্দোলন আৰু অশান্তি দূৰ হোৱাটো বিচাৰে। মোডী চৰকাৰে উন্মোচিত কৰা ভাৰতৰ প্ৰগতিৰ নতুন গতি বাধাগ্ৰস্ত হোৱাটো বেছি ভাগ জনতাই নিবিচাৰে।

# ঈশ্বৰপুত্ৰলৈ বুলি একলম...

প্ৰতি,

মৰমৰ জুবিন দা। সৰ্বপ্ৰথমে মোৰ সেৱা আৰু মৰমবোৰ আদৰি ল'বা। তুমি কায়িক ভাবে নোহোৱা দিন ধৰি আমি হৃদয়ত এবুকু বিষাদ লৈ কিমান শোকাকুল হৈ আছো সেয়া নক'লেও তুমি অনুভৱ কৰিব পাৰিছা নহয় নে? তুমি চাগৈ আকাশৰ বক্ষত জোন- তৰাহৈ কুশলে আছা। আমাক তাৰে পৰা চাই আছা। কিন্তু পৃথিৱীৰ মানুহ, জীৱ-জন্তু, চৰাই-চিৰিকটি, গছ-গছনি, নদ-নদী প্ৰকৃতিৰ সকলো দুখ-দুৰ্দশা দেখি তোমাৰ হৃদয় ব্যথিত হৈ চকুলো নিগৰিছে। সেয়া আমি সকলোৱে জানো জুবিন দা। শঠতা, বিদ্বেষ জৰ্জৰিত কিছু মানুহৰ কাৰণে আজি তোমাক সময়তকৈ সোনকালে হেৰুৱাব লগা হ'ল। কিন্তু তোমাক ভালপোৱা অজস্ৰ জাতি-ধৰ্ম-নিৰ্বিশেষে আজি হিয়া ধাকুৰিয়াই কান্দিছে। তুমি বিহীনতা সকলোৱে মৰ্মে মৰ্মে উপলব্ধি কৰিছে। তোমাৰ প্ৰতিটো গানত নিজকে বিলীন কৰি বিচাৰি ফুৰিছে। শিশুৰ পৰা বৃদ্ধলৈ তোমাক প্ৰতিপলে স্মৰণ কৰি আহিছে।

সেই ১৯ ছেপ্টেম্বৰ ২০২৫ অভিশপ্ত দিনটো কোনো কালে কোনেও ভবা নাছিল। এনে এটা দিন আহিব আৰু তুমি বিদেশৰ ছিংগাপুৰত গৈ সাগৰৰ তলিত চিৰদিনৰ কাৰণে শুই পৰিবা বুলি। তুমিটো কৈছিলা ন ব্ৰহ্মপুত্ৰ তোমাৰ প্ৰিয় নদী। তোমাৰ মৃত্যু হ'লে তাতে উটুৱাই দিবা। কিন্তু বিশাল সমুদ্ৰতহে তুমি শেষ নিশ্বাস এৰিলা।

সেইদিনা কি হৈছিল জানা, হঠাৎ আকাশখন গোমা হৈ পৰিছিল। চৰাই-চিৰিকটি, জীৱ জন্তু, নদ-নদী, গছ-গছনি প্ৰকৃতি সকলো প্ৰাণ স্তব্ধ হৈ পৰিল। সকলোৱে চিঞৰি চিঞৰি কান্দিছিল। দিনতে বিশাল আকাশখনেও আঁউসী ৰূপ ধাৰণ কৰিলে। তোমাক প্ৰাণ ভৰি ভালপোৱা লক্ষ লক্ষ মানুহ ঘৰৰ পৰা পথলৈ ওলাই আহিল। তোমাৰ প্ৰিয় গীত-

"মায়াৱিনী ৰাতিৰ বুকুত  
দেখা পালোঁ তোমাৰ ছবি  
ধৰা দিলা গোপনে আহি  
হিয়াৰ কোণত  
তুমি যে মোৰ শুকান মনত  
নিয়ৰৰে চেঁচা টোপাল  
নামি অহা ৰ'দৰে নৈ  
মোৰ দেহত প্ৰতি পুৱা  
ধুমুহাৰ সতে মোৰ বহু যুগৰে নাচোন  
এন্ধাৰো সঁচা মোৰ বহু দিনৰে আপোন  
নিজানৰ গান মোৰ শেষ হ'ব ভাবো তোমাৰ বুকুত।"

লক্ষ লক্ষ জনে গীতটো চিঞৰি চিঞৰি প্ৰাণ ঢালি গাইছিল। প্ৰতি মানুহৰ মুখে-মুখে প্ৰাৰ্থনা গীত হৈ বিশ্বতে বিয়পি পৰিল। প্ৰতি ঘৰে ঘৰে তোমাৰ নামত চাকি জ্বলিল। তোমাৰ নশ্বৰদেহ সোণাপুৰত স্থাপন কৰিলে। তাতো তোমাৰ শ শ মানুহে বন্তি জ্বলাই প্ৰাৰ্থনা কৰি তীৰ্থস্থানলৈ পৰিণত কৰিলে। আকাশে বতাহে সকলোতে তুমি। মানুহ, জীৱ-জন্তু সকলো হৃদয়ে হৃদয়ে তুমি বিয়পি পৰিলা। সপ্তসুৰে জগত জিনিলা।

জানানে দাদা। জীৱনত জীয়াই থাকোঁতে তোমাৰ দৰে এজন ভগৱান ৰূপী মানুহক দেখা পালো। যদিও তোমাক কাষৰ পৰা নাপালো। তথাপিও দূৰত থাকিলেও তোমাৰ কথা ভাবিলে, কল্পনা কৰিলে নিচেই কাষতে থকা যেন লাগে। এজন মানুহক মনে প্ৰাণে কিমান ভাল পালে মৃত্যুৰ পিছতো শ্মশানতো মৰম, শ্ৰদ্ধা, ভক্তিভাৱ বোৱাই পবিত্ৰ ভগৱানৰ তীৰ্থস্থানলৈ পৰিণত কৰিব পাৰে। সেয়া দেখা পালো। তোমাৰ গীত, তোমাৰ কণ্ঠ, তোমাৰ সুৰ শৈশৱৰ পৰা শুনি আহিছো। সুখতো-দুখতো তোমাৰ গীত শুনি সকাহ পাওঁ। জী উঠো আমি তেতিয়াই। মানৱদৰদী, প্ৰকৃতি প্ৰেমী তোমাৰ আদৰ্শ বুকুত বান্ধি আগ বাঢ়ি যাওক সকলো। তোমাৰ গুণগৰিমা অৱদান প্ৰতিজন অসমীয়াৰ মনত চিৰপ্ৰবাহিত হৈ বৈ ৰওক। তোমাৰ অজস্ৰ সৃষ্টিৰাজি যুগে যুগে প্ৰসাৰিত হওক। তুমি আমাৰ হিয়াৰ আমঠু সংগীত জগতৰ ভোটাতৰা, অসমৰ অমূল্য সম্পদ। ঈশ্বৰ পুত্ৰ জুবিন গাৰ্গ। তুমি চিধা কথা কৈ ভালপোৱা এজন সঁচা মানুহ। "মোৰ কোনো জাতি নাই, মোৰ কোনো ধৰ্ম নাই" বুলি কৈ এনে তোমাৰ মহান বাণীয়ে সকলোকে একেটা ডোলেৰে কৰ্মৰ মাজেৰে সকলো জাতি, ধৰ্মক একত্ৰিত কৰিলা।

মৰমৰ জুবিন দাদা, আজি এবছৰে হ'ল তুমি জোনৰ দেশলৈ গুচি যোৱা। কেনেকৈ যে সময়বোৰ পাখি লগা কাঁড়ৰৰ দৰে উৰা মাৰিল চকুৰ পচাৰতে টলকিবই নোৱাৰিলো। সকলোৱে বুকু শূন্যত মাৰ গ'ল। তুমি য'তে আছা ভালে থাকা। তোমাক আমি প্ৰকৃতিৰ বুকুত বিচাৰি লম। তুমি যুগে যুগে জী উঠা প্ৰকৃতিৰ ৰূপত। । তুমি "Osbeckia Zubeengargiana" ফুল হৈ ফুলি থাকা। "Euthalia Zubeengargi" পখিলা হৈ মুক্ত মনে বিচৰণ কৰা। নাহৰ দেশত তুমি নাহৰ গছ হৈ সকলোকে প্ৰাণ দিয়া।

আজিও বাট চাওঁ। জানোচা হঠাতে তুমি আমাৰ মাজত জীৱন্তে দেখা দিয়াহি বুলি! তুমি যে কায়িক ভাবে নাই সেয়া আমাৰ মনে কেতিয়াও মানি নলয় জুবিন দা।

শেষত তোমাৰ এটি গীতেৰে—

বাটৰে শেষ'তে বাট চাওঁ তোমালে  
লৈ যোৱাহি...  
আজি তোমাৰ বাটেৰে।  
তুমি আহিলে... নামে বুকুলে শাওন  
তুমি নহ'লে..  
উকা উকা মোৰ' ফাগুন...  
বাটৰে শেষতে বাট চাওঁ"..  
তোমালে লৈ যোৱাহি.  
আজি তোমাৰ বাটেৰে...

ইতি  
তোমাৰ মৰমৰ অনুৰাগী  
**দীপশিখা বৰা,**  
**বালিপথাৰ, কাৰ্বি-আংলং**

# খোৱাং মহাবিদ্যালয়ৰ বৰ্তমান স্থিতি আৰু সম্ভাৱনা

**লক্ষীনন্দন কলিতা**

ডিব্ৰুগড় জিলাৰ খোৱাংঘাটত অৱস্থিত খোৱাং মহাবিদ্যালয় উজনি অসমৰ এখন গুৰুত্বপূৰ্ণ উচ্চ শিক্ষানুষ্ঠান। গ্ৰাম্য আৰু আৰ্থ-সামাজিকভাৱে তুলনামূলকভাৱে পিছপৰা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীক উচ্চ শিক্ষাৰ সুযোগ প্ৰদান কৰাৰ লক্ষ্যৰে ১৯৮২ চনৰ ১৭ জুলাইত কলা শাখাৰে মহাবিদ্যালয়খনৰ যাত্ৰা আৰম্ভ হৈছিল। পৰৱৰ্তী সময়ত ১৯৮৬ চনত বাণিজ্য শাখা সংযোজন কৰা হয়। ২০০৫ চনত মহাবিদ্যালয়খন প্ৰাদেশিকীকৰণ হয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সৈতে ইয়াৰ সংযুক্তি আছে। ২০০৪ চনৰ ১৯ অক্টোবৰত বিশ্ববিদ্যালয় অনুদান আয়োগে (UGC) 2(f) আৰু 12(B) ধাৰাৰ অধীনত মহাবিদ্যালয়খনক স্বীকৃতি প্ৰদান কৰে।

বৰ্তমান খোৱাং মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে ড° ত্ৰৈলোক্য দিহিঙীয়া। অধ্যক্ষৰ বাৰ্তাত গুণগত শিক্ষা, জ্ঞানৰ সৈতে দক্ষতা, শৃংখলা, চৰিত্ৰ গঠন, সৃষ্টিশীলতা আৰু ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ কথা প্ৰকাশ পাইছে। ড° দিহিঙীয়াৰ নেতৃত্বত মহাবিদ্যালয়খনে কেৱল পৰম্পৰাগত পাঠদানতে সীমাবদ্ধ নাথাকি দক্ষতা বিকাশ, কেৰিয়াৰ-সচেতনতা, গৱেষণা আৰু বিভিন্ন শৈক্ষিক কাৰ্যসূচীৰ জৰিয়তে শিক্ষাৰ পৰিৱেশ অধিক গতিশীল কৰাৰ দিশত আগবাঢ়িছে বুলি মহাবিদ্যালয়খনৰ সাম্প্ৰতিক কাৰ্যসূচীসমূহৰ পৰা উমান পোৱা যায়। বৰ্তমান খোৱাং মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক কলা শাখাৰ লগতে স্নাতক পৰ্যায়ত B.A. আৰু B.Com. পাঠ্যক্ৰম চলি আছে। মহাবিদ্যালয়ৰ বিভাগসমূহৰ ভিতৰত অসমীয়া, ইংৰাজী, অৰ্থনীতি, শিক্ষা, ইতিহাস, ৰাজনীতি বিজ্ঞান, সমাজতত্ব আৰু বাণিজ্য অন্তৰ্ভুক্ত। নতুন শিক্ষানীতি (NEP) ২০২০ৰ সৈতে সংগতি ৰাখি FYUGP ব্যৱস্থাৰ অধীনত বিভিন্ন বিষয়ৰ পাঠ্যক্ৰমো উপলব্ধ কৰা হৈছে। ইয়াৰ ভিতৰত অসমীয়া, ইংৰাজী, ইতিহাস, ৰাজনীতি বিজ্ঞান, সমাজতত্ব, শিক্ষা, অৰ্থনীতি আৰু বাণিজ্যৰ পাঠ্যক্ৰম উল্লেখযোগ্য। উচ্চতৰ মাধ্যমিক কলা শাখাত অসমীয়া/বিকল্প ইংৰাজী, ইংৰাজী, উন্নত অসমীয়া, অৰ্থনীতি, শিক্ষা, ইতিহাস, ৰাজনীতি বিজ্ঞান আৰু সমাজতত্ত্বৰ দৰে বিষয়ৰ সুবিধা আছে। বৰ্তমান সময়ত কেৱল ডিগ্ৰী অৰ্জন কৰাই যথেষ্ট নহয়; শিক্ষাৰ সৈতে দক্ষতা আৰু কৰ্মমুখী জ্ঞানৰ সংযোগো সমানেই গুৰুত্বপূৰ্ণ। এই দিশটোক গুৰুত্ব দি খোৱাং মহাবিদ্যালয়ত বিভিন্ন Add-on Course চলি আছে। মহাবিদ্যালয়ৰ তথ্য অনুসৰি সৃষ্টিশীল লেখন, অসমীয়া ভাষাৰ প্ৰয়োগ, Spoken English, Soft Skills, Human Rights, Beauty Care Management আদি ক্ষেত্ৰত প্ৰমাণপত্ৰধাৰী পাঠ্যক্ৰমৰ ব্যৱস্থা আছে।

বিশেষকৈ সাহিত্য আৰু সৃষ্টিশীল লেখনৰ ক্ষেত্ৰত এনে পাঠ্যক্ৰমে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ সুযোগ সৃষ্টি কৰিছে। ইয়াৰ উপৰি কম্পিউটাৰ শিক্ষাৰ বাবেও বিশেষ ব্যৱস্থাৰ কথা মহাবিদ্যালয়ৰ নথিত উল্লেখ আছে। খোৱাং মহাবিদ্যালয়ৰ সাম্প্ৰতিক কাৰ্যসূচীসমূহলৈ লক্ষ্য কৰিলে গৱেষণা আৰু শৈক্ষিক বিনিময়ৰ ক্ষেত্ৰতো সক্ৰিয়তা বৃদ্ধি পোৱা দেখা যায়। ২০২৬ চনৰ জুন মাহত মহাবিদ্যালয় আৰু RCU—NERৰ মাজত এক Interactive Session অনুষ্ঠিত হয়, য'ত দুটা গৱেষণা প্ৰকাশনৰ বিষয়েও আলোচনা কৰা হয়। ২০২৬ চনৰ মে' মাহত Presentation and Communication Skill বিষয়ক Faculty Development Programme অনুষ্ঠিত হয়। ইয়াৰ পূৰ্বে ২০২৫ চনত কৃত্ৰিম বুদ্ধিমত্তা (Artificial Intelligence) আৰু শিক্ষা-গৱেষণা, উচ্চ শিক্ষানুষ্ঠানৰ Accounts Maintenance, Civil Service Examinationৰ প্ৰস্তুতি আৰু Career Development আদি বিষয়তো কৰ্মশালা আৰু কাৰ্যসূচী অনুষ্ঠিত হোৱা মহাবিদ্যালয়ৰ তথ্যত প্ৰকাশ পাইছে। এইবোৰ কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক পৰিৱৰ্তিত সময়ৰ সৈতে খাপ খুৱাই আগবাঢ়িবলৈ সহায় কৰাৰ লগতে মহাবিদ্যালয়খনত এক শৈক্ষিক আৰু বৌদ্ধিক পৰিৱেশ গঢ়ি তোলাত সহায় কৰিছে। খোৱাং মহাবিদ্যালয়ৰ অন্যতম বৈশিষ্ট্য হৈছে ইয়াৰ প্ৰাকৃতিক পৰিৱেশ। মহাবিদ্যালয়ৰ তথ্য অনুসৰি ইয়াৰ চৌহদটো পৰিৱেশ-বান্ধৱ আৰু শিক্ষাৰ অনুকূল। কেন্দ্ৰীয় পুথিভঁৰালটোও শিক্ষাৰ্থীৰ জ্ঞান আহৰণ আৰু সৃষ্টিশীল চিন্তাৰ বাবে উপযোগী হিচাপে গঢ়ি তোলা হৈছে। খোৱাং মহাবিদ্যালয়ৰ লক্ষ্য কেৱল পাঠ্যপুথিভিত্তিক শিক্ষা প্ৰদান কৰাতে সীমাবদ্ধ নহয়। চৰিত্ৰ গঠন, সামাজিক দায়বদ্ধতা, নেতৃত্বৰ গুণ, সৃষ্টিশীলতা আৰু সামগ্ৰিক ব্যক্তিত্ব বিকাশৰ ওপৰতো গুৰুত্ব দিয়া হৈছে। ছাত্ৰ-ছাত্ৰীৰ বাবে বিভিন্ন বৃত্তি আৰু সহায়মূলক ব্যৱস্থাও আছে। ইয়াৰ ভিতৰত SC/ST আৰু OBC/MOBC শিক্ষাৰ্থীৰ Post-Matric Scholarship, Ishan Uday Scholarship আদি উল্লেখযোগ্য। মহাবিদ্যালয়খনে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ শ্ৰেষ্ঠ শিক্ষাৰ্থীৰ বাবে Late Thulantar Hazarika Memorial Award আৰু শ্ৰেষ্ঠ স্নাতকৰ বাবে পুৰস্কাৰ প্ৰদানৰ ব্যৱস্থাও ৰাখিছে।

২০২৫-২৬ আৰু ২০২৬ চনৰ মহাবিদ্যালয়ৰ অফিচিয়েল জাননী আৰু অনুষ্ঠানসমূহে দেখুৱাইছে যে খোৱাং মহাবিদ্যালয়ত শৈক্ষিক আৰু প্ৰশাসনিক কাম-কাজ অব্যাহত আছে। ইয়াৰ লগতে ২০২৫ চনত Academic and Administrative Audit অনুষ্ঠিত হোৱা আৰু ছাত্ৰ-ছাত্ৰীৰ কেৰিয়াৰ গঠনৰ বাবে বিভিন্ন অনুষ্ঠান আয়োজন কৰা হৈছিল। এই পদক্ষেপসমূহে মহাবিদ্যালয়খনক কেৱল পৰীক্ষামুখী শিক্ষানুষ্ঠান হিচাপে নহয়, বৰং উচ্চ শিক্ষা, দক্ষতা আৰু কৰ্মমুখী চিন্তাৰ এক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰচেষ্টাৰ ইংগিত বহন কৰে। চাৰিটা দশকৰো অধিক সময়ৰ শিক্ষাৰ যাত্ৰাৰে খোৱাং মহাবিদ্যালয়ে খোৱাং আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ অসংখ্য শিক্ষাৰ্থীৰ উচ্চ শিক্ষাৰ সপোন পূৰণ কৰি আহিছে। গ্ৰাম্য পৰিৱেশত অৱস্থিত হোৱাৰ পাছতো আধুনিক শিক্ষা-পদ্ধতি, NEP-2020ৰ সৈতে সামঞ্জস্যপূৰ্ণ পাঠ্যক্ৰম, দক্ষতা বিকাশ, গৱেষণা, কেৰিয়াৰ সচেতনতা আৰু বিভিন্ন শৈক্ষিক কাৰ্যসূচীৰ জৰিয়তে মহাবিদ্যালয়খনে সময়ৰ সৈতে নিজকে আগুৱাই নিয়াৰ প্ৰয়াস কৰিছে।

অধ্যক্ষ ড° ত্ৰৈলোক্য দিহিঙীয়াৰ নেতৃত্বত গুণগত শিক্ষা, শৃংখলা, দক্ষতা আৰু সামগ্ৰিক ব্যক্তিত্ব বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰি খোৱাং মহাবিদ্যালয়ে আগন্তুক দিনত আৰু অধিক শক্তিশালী শৈক্ষিক প্ৰতিষ্ঠান হিচাপে নিজকে প্ৰতিষ্ঠা কৰাৰ সম্ভাৱনা বহন কৰিছে। অৱশ্যে বাণিজ্য শাখাৰ প্ৰাদেশিকীকৰণ, নতুন বিষয় আৰু অধিক কৰ্মমুখী-পেছাদাৰী পাঠ্যক্ৰম সংযোজন, আন্তঃগাঁথনিৰ নিৰন্তৰ উন্নয়ন আৰু অধিক গৱেষণামূলক পৰিৱেশ সৃষ্টি আদি ক্ষেত্ৰত আগন্তুক দিনত অধিক গুৰুত্ব প্ৰয়োজন হ'ব। এই প্ৰচেষ্টাসমূহ সফল হ'লে খোৱাং মহাবিদ্যালয় কেৱল এখন মহাবিদ্যালয় হৈ নাথাকি উজনি অসমৰ গ্ৰাম্য অঞ্চলৰ যুৱপ্ৰজন্মৰ জ্ঞান, দক্ষতা আৰু সম্ভাৱনাৰ এক শক্তিশালী কেন্দ্ৰ হিচাপে পৰিগণিত হ'ব পাৰিব।

# ডিব্ৰুগড় জিলাৰ চাবুৱাত সামাজিক অনুষ্ঠান প্ৰিয়দৰ্শিনী'ৰ চতুৰ্থ বৰ্ষপূৰ্তি উদ্‌যাপন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩ অক্টোবৰ ঃ** অসমৰ শিশু আৰু নাৰীৰ সবলীকৰণ, শিক্ষা, প্ৰতিভা বিকাশ আৰু সামাজিক অধিকাৰৰ ক্ষেত্ৰত কাম কৰি অহা সামাজিক অনুষ্ঠান 'প্ৰিয়দৰ্শিনী'ৰ চতুৰ্থ বৰ্ষপূৰ্তি ডিব্ৰুগড় জিলাৰ চাবুৱাৰ ডি. ডি. আৰ. মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। শিশু আৰু নাৰীক আগুৱাই নিয়াৰ লগতে তেওঁলোকৰ প্ৰতিভা, সৃষ্টিশীলতা আৰু আত্মবিশ্বাস বৃদ্ধিৰ জৰিয়তে এখন সুস্থ সমাজ গঢ়াৰ লক্ষ্যৰে 'প্ৰিয়দৰ্শিনী'য়ে বিভিন্ন সময়ত কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। এই উদ্দেশ্যে পুৱা ১০ বজাত ভাৰতী দত্ত আৰু কল্যাণী দিহিঙীয়াৰ বৃক্ষৰোপণ কাৰ্যসূচীৰে বৰ্ষপূৰ্তিৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছতে বিভিন্ন প্ৰতিযোগিতা, সাংস্কৃতিক অনুষ্ঠান আৰু অন্যান্য কাৰ্যসূচী অনুষ্ঠিত হয়। ৰ'জলীন গগৈয়ে আঁতধৰা মুকলি সভাখন ডি. ডি. আৰ. মহাবিদ্যালয়ৰ অধ্যাপিকা কল্পনা বৰাৰ সভাপতিত্বত অনুষ্ঠিত হয়। উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰদীপ বৰাই। সভাত অধ্যাপিকা মৃদুস্মিতা ঘৰফলীয়াই বিশেষ বক্তব্য আগবঢ়ায়। অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক, লেখক তথা সাহিত্য-সংস্কৃতিৰ সৈতে জড়িত গৌতম গগৈ আৰু সত্ৰীয়া নৃত্য কলা কেন্দ্ৰৰ অধ্যক্ষা পৰিনীতা হাজৰিকাক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। গগৈয়ে 'প্ৰিয়দৰ্শিনী'য়ে শিশু আৰু নাৰীৰ বাবে কৰি অহা কামৰ শলাগ লৈ তেওঁ নতুন প্ৰজন্মক সাহিত্য, সংস্কৃতি আৰু সৃষ্টিশীল কামৰ সৈতে জড়িত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। নতুন প্ৰজন্মৰ প্ৰসংগত গৌতম গগৈয়ে কয় যে আজিৰ শিশুসকল মোবাইল, ইণ্টাৰনেট আৰু সামাজিক মাধ্যমৰ সৈতে ডাঙৰ হৈ আছে। অনুষ্ঠানত ড° ৰুণুমা শৰ্মাই 'এমুঠি জোনাক' নামৰ কবিতা পুথিখন উন্মোচন কৰে। গ্ৰন্থখন উন্মোচন কৰি ড° ৰুণুমা শৰ্মাই সাহিত্যচৰ্চাৰ প্ৰয়োজনীয়তা আৰু নতুন কবি-লেখকক উৎসাহিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক সুনীল গুৰুঙে বক্তব্যত শিশু আৰু নাৰীৰ প্ৰতিভা বিকাশৰ বাবে এনে সামাজিক অনুষ্ঠানৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি 'প্ৰিয়দৰ্শিনী'ৰ কামৰ শলাগ লয়। অসম সাহিত্য সভাৰ দুলীয়াজান অধিৱেশনৰ সাধাৰণ সম্পাদক ব্ৰজেন গগৈয়ে 'প্ৰিয়দৰ্শিনী'ৰ চতুৰ্থ বৰ্ষপূৰ্তি উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থখন উন্মোচন কৰে। বক্তব্যত তেওঁ কয় যে এনে স্মৃতিগ্ৰন্থ কেৱল এখন কিতাপ নহয়; ই এটা অনুষ্ঠানৰ কাম-কাজ আৰু যাত্ৰাৰ বুৰঞ্জী ধৰি ৰখা একো একোখন দলিল। লগতে তেওঁ আগন্তুক অসম সাহিত্য সভাৰ অষ্টসপ্ততিতম দ্বি-বাৰ্ষিক দুলীয়াজান অধিৱেশন সফল কৰি তুলিবলৈ চাবুৱাবাসী ৰাইজৰ সহায়-সহযোগিতা কামনা কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট কবি বিজু শৰ্মা, চাবুৱা ডাইটৰ প্ৰবক্তা ভূপেন দাস, মটক সাহিত্য সভাৰ সভাপতি ভাগ্যেশ্বৰ গগৈ, অসম সাহিত্য সভাৰ বিত্ত উপসমিতিৰ উপ-সভাপতি অৰুণ চন্দ্ৰ বৰুৱা, তিনিচুকীয়া জিলা সাহিত্য সভাৰ সম্পাদক অৰূপ চাংমাই, নৱপ্ৰজন্মৰ লেখক মনজিৎ ৰাজখোৱা, সাংবাদিক পুষ্টক ফুকনৰ লগতে বহু গণ্য-মান্য ব্যক্তি। অনুষ্ঠানৰ আৰম্ভণিতে ইন্দু মিলিয়ে বন্তিপ্ৰজ্বলন, ৰূপা গগৈয়ে মাল্যাৰ্পণ, লক্ষ্মী নেওগে স্মৃতি তৰ্পণ আৰু তন্ময়ী দত্তই বৰগীত পৰিৱেশন কৰে। কবিতাপাঠ কৰে গৌৰিত গগৈ, চিত্ৰামণি হাজৰিকা, বন্দীতা গোঁহাই আৰু বিতুমণি ফুকনে। মূৰ্চনা গগৈ, বিশ্ময়নীতা গগৈ আৰু প্ৰজ্ঞা গগৈয়ে নৃত্য পৰিৱেশন কৰে। অনন্যা গগৈয়ে জুবিন গাৰ্গৰ গীতেৰে অনুষ্ঠানটো জীপাল কৰি তোল। অনুষ্ঠানত প্ৰায় পাঁচ শতাধিক লোকৰ উপস্থিতিয়ে 'প্ৰিয়দৰ্শিনী'ৰ সামাজিক আৰু সৃষ্টিশীল কামৰ প্ৰতি ৰাইজৰ আগ্ৰহ আৰু সঁহাৰি প্ৰতিফলিত কৰে। পুষ্পাঞ্জলী গগৈয়ে শলাগৰ শৰাই আগবঢ়ায়।

# ৰাজ্য চৰকাৰৰ শিল্পী পেন্সনৰ পৰা আজিয়ো বঞ্চিত দক্ষিণপাটৰ জনপ্ৰিয় শিল্পী প্ৰবীন দত্ত

## শীৰ্ঘে পেন্সনৰ দাবী মাজুলীৰ বিভিন্ন দল-সংগঠনৰ

**অসম বাৰ্তা, বনগাঁও, ৩ অক্টোবৰ ঃ** মাজুলী জিলাৰ দক্ষিণ পাট কলিত গাঁও নিবাসী প্ৰবীন দত্ত - বয়স প্ৰায় তিনিকুৰি দহ বছৰ মাজুলী জিলাৰ এগৰাকী সৰ্বজন পৰিচিত জনপ্ৰিয় শিল্পী। । যাৰ হাতৰ পৰশত প্ৰান পাই উঠে শ্ৰীকৃষ্ণ, বলোভদ্ৰ, ভগৱান শ্ৰীকৃষ্ণৰ অনন্ত শৰ্য্যা, জয়-বিজয়, নাৰদ, ঋষি-মুনি, ৰাম, হনুমান, গৰুড, শিৱ, নৃসিংহ মুৰাৰি, বৰাহ আদি কৰি ভিন ভিন ৰূপৰ চিমেণ্ট-বালি সংমিশ্ৰিত আকৰ্ষণীয় ধৰণৰ মূৰ্ত্তি। তদুপৰি মাজুলী জিলাৰ বাহিৰে-ভিতৰে আনকি ৰাজ্যৰ ৰাজধানী গুৱাহাটী পৰ্যন্ত নাম ঘৰ, মন্দিৰ আদি কৰি ধৰ্ম্মীয় অনুষ্ঠান/প্ৰতিষ্ঠানত ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিব পৰাকৈ ভগৱানৰ বিভিন্ন ৰূপ চৰিত্ৰ সংপৃক্তৰে ভক্তপ্ৰাণ ৰাইজৰ আদৰণি গেট নিৰ্ম্মান কৰি বিভিন্ন জনৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈ আহিছে। অন্যহাতেদি মাজুলীৰ উপৰি বিভিন্ন জিলাত ভাওনাঁত ভাৱৰীয়াৰ পেইণ্ট কৰা আৰু ভাৱৰীয়াৰ সাজ পোছাক নিজা প্ৰচেষ্টাত ঘৰতে নিৰ্মাণ/চিলাই কৰি সমাজত কৃষ্ণ সংস্কৃতিৰ ভেটি জীয়াই ৰখাত ওৰে জীৱন উৎসৰ্গা কৰা প্ৰবীন দত্তই কঠোৰ শ্ৰম আৰু সাধনাৰ জৰিয়তে উপাৰ্জ্জন কৰা সামান্য অৰ্থৰে কথমপি পৰিয়ালটি পোহপালন দি আহিছে। অমায়িক চৰিত্ৰৰ ভাস্কৰ্য চিত্ৰ শিল্পত পাৰ্গত শিল্পী গৰাকীক তেওঁৰ ঐকান্তিক সাধনা আৰু কঠোৰ শ্ৰমক উৎসাহিত কৰাৰ বাবে সত্ৰনগৰীৰ মাজুলীৰ সত্ৰাধিকাৰ সকলৰ প্ৰমুখ্যে বিভিন্ন দল-সংগঠনে ৰাজ্য চৰকাৰক নীৰৱিচ্চিন ভাৱে দৃষ্টি গোচৰ কৰি অহাৰ পিছতো আজি পৰ্যন্ত কিন্ত চৰকাৰৰ শুভ দৃষ্টি লাভ কৰিবলৈ সক্ষম হোৱা নাই দুভৰ্গীয়া শিল্পী গৰাকীয়ে নৱপ্ৰজন্মৰ আদৰ্শৰ প্ৰতীক হৈ পৰা শিল্পী গৰাকীৰ ঐকান্তিক সাধনা আৰু কঠোৰ শ্ৰমক চৰকাৰী ভাৱে স্বীকৃতি প্ৰদান কৰি ৰাজ্য চৰকাৰক এটি পেন্সন দিবলৈ মাজুলীৰ বিভিন্ন দল-সংগঠন গণ্যমান্য বিশিষ্ট ব্যক্তি আৰু সচেতন মহলে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ইয়াৰে দাবী জনায়। শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰৰ দাতিঁকাষৰীয়া গাঁৱত বসবাস কৰি বাল্যকালৰে পৰা এনে কৰ্ম্মত আত্মনিৱেশ কৰা শিল্পী প্ৰবীন দত্ত পেন্সনৰ যোগ্য ব্যক্তি।

# ১২ লক্ষাধিক টকা বাজেট নিৰ্ধাৰণৰে পাঁচদিনীয়া কাৰ্যসূচীৰ লাইখুঁটা স্থাপন

## বৰক্ষেত্ৰীৰ নাৰুৱাত লক্ষ্মী পূজাৰ সোণালী জয়ন্তী উদ্‌যাপনৰ বিশাল আয়োজন

**অসম বাৰ্তা, দৌলাশাল, ৩ অক্টোবৰ ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ১নং নাৰুৱা গাঁৱত লক্ষ্মী পূজা উদযাপনৰ বিশাল আয়োজন চলিছে। ১৯৭৭ চনত নাৰুৱা গাঁৱত স্থাপিত লক্ষ্মী মন্দিৰৰ পূজাভাগে এইবেলি ৫০ বছৰত ভৰি দিয়াত গাঁওবাসীয়ে লক্ষ্মী পূজাৰ সোণালী জয়ন্তী উদযাপনৰ বাবে বিশাল আয়োজন চলাইছে। ১নং নাৰুৱা গাঁও উন্নয়ন সমিতিৰ উদ্যোগত ১২ লক্ষাধিক টকাৰ বাজেটৰে ধৰ্মীয়, আধ্যাত্মিক, সাংস্কৃতিক আৰু বিভিন্ন কাৰ্যসূচীৰে পাঁচদিনীয়াকৈ লক্ষ্মী পূজাৰ সোণালী জয়ন্তী উদযাপনৰ প্ৰস্তুতি চলাইছে। তদুপলক্ষে লক্ষ্মী মন্দিৰ প্ৰাংগণত আজি লাইখুঁটা স্থাপন কৰা হয়। পুৰোহিত সুৰেশ শৰ্মাৰ মন্ত্ৰোচ্চাৰণ আৰু আয়তীৰ উৰুলিৰ ধ্বনিৰ মাজেৰে গাঁওখনৰ শতাধিক পুৰুষ- মহিলাৰ উপস্থিতিত লাইখুঁটা স্থাপন কৰে পূজা পৰিচালনা সমিতিৰ সম্পাদক কৰ্ণধৰ দাসে। অহা ২৫ অক্টোবৰৰ পৰা ২৯ অক্টোবৰলৈ অনুষ্ঠিত হ'বলগীয়া লক্ষ্মী পূজাৰ সোণালী জয়ন্তী বৰ্ষৰ কাৰ্যসূচী মৰ্মে ২৫ অক্টোবৰত পুৱা ৮.৩০ বজাত পতাকা উত্তোলন কৰিব পূজা পৰিচালনা সমিতিৰ সভাপতি মহীধৰ দাসে আৰু ধৰ্মধ্বজা উত্তোলন কৰিব ব্ৰজেন্দ্ৰ নাথ শৰ্মাই। পুৱা ৯ বজাত লক্ষ্মী পূজাৰ ৫০ বছৰ উপলক্ষত অঞ্চলটোৰ ৫০ গৰাকী বিশিষ্ট ব্যক্তিৰদ্বাৰা ৫০খন পতাকা উত্তোলন কৰা হ'ব। ইয়াৰ পাছতেই বন্তিপ্ৰজ্বলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ কৰা হ'ব। দিনৰ ১০.৩০ বজাত গাঁওখনত উলিওৱা হ'ব ধৰ্মীয়-সাংস্কৃতিক শোভাযাত্ৰা। দিনৰ ভাগত বিস্তৃত কাৰ্যসূচীৰ পাছত সন্ধিয়া ৫০ গচি বন্তি প্ৰজ্বলন কৰা হ'ব। নিশা ৯ বজাত জনসেৱা কামৰূপীয়া ঢুলীয়া দলৰ নাট প্ৰদৰ্শন কৰিব। ২৬ অক্টোবৰৰ পুৱা ১১ বজাৰ পৰা অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাত কলাগুৰু থিয়েটাৰৰ প্ৰথম নিশাৰ নাট নিবেদন কৰিব। নিশা ১০ বজাত সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকাই। গীত পৰিৱেশন কৰিব ৰহিম ৰাজ আৰু প্ৰিয়ংকা কলিতাই। ২৭ অক্টোবৰৰ পুৱা ১০ বজাত ভাগৱত পাঠ অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাত কলাগুৰু থিয়েটাৰৰ দ্বিতীয় নিশাৰ নাট নিবেদন কৰিব। নিশা ৯ বজাত মা মনসা পুতলা থিয়েটাৰৰ নাট প্ৰদৰ্শন কৰা হ'ব। ২৮ অক্টোবৰত দুপৰীয়াৰ ভাগত গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হ'ব। গ্ৰন্থ উন্মোচন কৰিব বিশিষ্ট কবি ড° বিনয় কুমাৰ মজুমদাৰে। আবেলি ৩ বজাত নাগাৰা নাম পৰিৱেশন কৰিব নাগাৰা নামৰ জনপ্ৰিয় পাঠক মহেশ ডেকা আৰু বৈজয়ন্তী নাথ তালুকদাৰে। ২৯ অক্টোবৰৰ পুৱা ১১ বজাত খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দুপৰীয়া ২ বজাত চিত্ৰাংকন প্ৰতিযোগিতা, আবলি ৪ বজাৰ পৰা অসম ভিত্তিত আধুনিক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। নিশা ৯ বজাত পাপৰি মিনি থিয়েটাৰে নাট প্ৰদৰ্শন কৰিব। সোণালী জয়ন্তী বৰ্ষৰ পাঁচদিনীয়া কাৰ্যসূচীত ধৰ্মপ্ৰাণ ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে উদযাপন সমিতিয়ে।

# কৃষ্ণাইত 'ভাষা গৌৰৱ দিৱস' পালন



**অসম বাৰ্তা, কৃষ্ণাই, ৩ অক্টোবৰ ঃ** গোৱালপাৰা জিলা সাহিত্য সভাৰ উদ্যোগত আৰু কৃষ্ণাই হাব্ৰাঘাট শাখা সাহিত্য সভাৰ আতিথ্যত আজি (৩ অক্টোবৰ) হাব্ৰাঘাট মহাবিদ্যালয়ৰ সভাকক্ষত 'ভাষা গৌৰৱ দিৱস' উপলক্ষে বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। 'অসমীয়া ভাষাৰ উত্তৰণঃ বৰ্তমান আৰু ভৱিষ্যত' শীৰ্ষক বক্তৃতানুষ্ঠান উদ্বোধন কৰে দলগোমা মহাবিদ্যালয়ৰ অধ্যাপক নজৰুল ইছলামে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি গোৱালপাৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° খৰ্গেশ্বৰ নায়কে অসমীয়া ভাষাৰ বুৎপত্তি, বিকাশ, বৰ্তমান আৰু ভৱিষ্যৎ সম্পৰ্কে বিস্তৃত ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানত সামাজিক মাধ্যমত অসমীয়া ভাষাৰ অপপ্ৰয়োগ সন্দৰ্ভতো সতৰ্ক হ'বলৈ আহ্বান জনোৱা হয়। হাব্ৰাঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণ্টু কুমাৰ দাসে সঞ্চালনা কৰা অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে গোৱালপাৰা জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বাণীকান্ত ৰাভাই। অসম আবৃত্তি পৰিষদৰ প্ৰশিক্ষকসকলৰ সমবেত কবিতা আবৃত্তিয়েও অনুষ্ঠানটো আকৰ্ষণীয় কৰি তোলে। অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়ায় হাব্ৰাঘাট শাখা সাহিত্য সভাৰ সম্পাদক চামনুৰ আলমে আৰু শলাগৰ শৰাই আগবঢ়ায় গোৱালপাৰা জিলা সাহিত্য সভাৰ সম্পাদক শিৱপ্ৰসাদ ৰাভা হাদুৱে।

# গৰোলাত সেৱা সংকল্প অভিযানৰ স্বাস্থ্য আৰু কল্যাণ শিবিৰ

**অসম বাৰ্তা, বৰপেটা সদৰ, ৩ অক্টোবৰ ঃ** সেৱা সংকল্প অভিযানৰ অধীনত মণ্ডিয়া উন্নয়ন খণ্ডৰ ৩নং বৰদলনীস্থিত গৰোলা উচ্চ মাধ্যমিক বিদ্যালয়ত স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত হয়। জনসাধাৰণৰ ওচৰলৈ সমন্বিত স্বাস্থ্যসেৱা আৰু বিভিন্ন চৰকাৰী সেৱা লৈ যোৱাৰ উদ্দেশ্যে আয়োজন কৰা শিবিৰখনত মুঠ ৭৯৩ গৰাকী লোকে চিকিৎসা পৰামৰ্শ আৰু চিকিৎসা সেৱা গ্ৰহণ কৰে। শিবিৰত ঔষধ, প্ৰসূতি আৰু স্ত্ৰীৰোগ, শিশুৰোগ, ছালৰোগ, মানসিক ৰোগ, নাক-কাণ-ডিঙি আৰু চকুৰোগ বিভাগৰ বিশেষজ্ঞ চিকিৎসকৰ লগতে আয়ুষ চিকিৎসা বিষয়াসকলে চিকিৎসা পৰামৰ্শ আৰু প্ৰয়োজনীয় স্বাস্থ্যসেৱা আগবঢ়ায়। লগতে ভ্ৰাম্যমাণ চিকিৎসা গোটৰ জৰিয়তে স্বাস্থ্য পৰীক্ষা আৰু বিভিন্ন পৰীক্ষাগাৰৰ ৰোগ নিৰ্ণয়ৰ সুবিধা প্ৰদান কৰা হয়। সুস্থ জীৱনশৈলী আৰু ৰোগ প্ৰতিৰোধৰ বিষয়ে সজাগতা সৃষ্টিৰ বাবে যোগাসন প্ৰদৰ্শনীও অনুষ্ঠিত হয়। শিবিৰত অসংক্ৰামক ৰোগৰ পৰীক্ষাৰ অংশ হিচাপে ৪২৭ গৰাকী লোকৰ উচ্চ ৰক্তচাপ আৰু ৪২৭ গৰাকী লোকৰ মধুমেহৰ পৰীক্ষা কৰা হয়। ইয়াৰ উপৰি ২৪৩ গৰাকী লোকৰ মুখগহ্বৰৰ কৰ্কট ৰোগ, ১৭৪ গৰাকী মহিলাৰ স্তন কৰ্কট ৰোগ আৰু ১৭৪ গৰাকী মহিলাৰ জৰায়ুমুখৰ কৰ্কট ৰোগৰ পৰীক্ষা কৰা হয়। প্ৰয়োজন অনুসৰি হিতাধিকাৰীসকলক পৰামৰ্শ আৰু উন্নত চিকিৎসাৰ বাবে প্ৰেৰণৰ ব্যৱস্থা কৰা হয়। শিবিৰত প্ৰধানমন্ত্ৰীজন আৰোগ্য যোজনাৰ কাৰ্ড প্ৰস্তুত আৰু বিতৰণৰ সুবিধাৰ লগতে জন্ম-মৃত্যু পঞ্জীয়ন আৰু বিশেষভাৱে সক্ষম ব্যক্তিৰ পৰিচয় পত্ৰ সম্পৰ্কীয় সেৱাও প্ৰদান কৰা হয়। স্বাস্থ্য বিভাগৰ বিশেষজ্ঞ চিকিৎসক, ক্ষেত্ৰ পৰ্যায়ৰ স্বাস্থ্যকৰ্মী আৰু সংশি-ষ্ট বিভাগসমূহৰ সমন্বিত প্ৰচেষ্টাত অনুষ্ঠিত শিবিৰখনে গ্ৰামাঞ্চলৰ জনসাধাৰণৰ দুৱাৰমুখলৈ স্বাস্থ্যসেৱা আৰু বিভিন্ন চৰকাৰী সেৱা লৈ যোৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

## কেইবাখনো ই-ৰিক্সা জব্দ

# গোৱালপাৰা যান-বাহন আৰক্ষীৰ অভিযান

**অসম বাৰ্তা, গোৱালপাৰা, ৩ অক্টোবৰ ঃ** গোৱালপাৰাত অনিয়ন্ত্ৰিত ই-ৰিক্সাৰ চলাচল আৰু যান-জঁট নিয়ন্ত্ৰণৰ লক্ষ্যৰে আৰক্ষীয়ে চলালে বিশেষ অভিযান। জিলাখনৰ বিভিন্ন প্ৰান্তত যান-বাহন আইন উলংঘা কৰা আৰু বৈধ নথি-পত্ৰ নথকা কেইবাখনো ই-ৰিক্সা জব্দ কৰে আৰক্ষীয়ে। গোৱালপাৰা চহৰৰ মাজমজিয়াৰ লগতে বিভিন্ন ব্যস্ত পথ আৰু স্পৰ্শকাতৰ অঞ্চলত বিশেষ তালাচী চলাই ই-ৰিক্সাসমূহৰ অনুজ্ঞাপত্ৰ আৰু প্ৰয়োজনীয় নথি-পত্ৰ পৰীক্ষা কৰা হয়। প্ৰয়োজনীয় নথি-পত্ৰ আৰু লাইচেন্স নথকা ই-ৰিক্সাসমূহ আৰক্ষীয়ে জব্দ কৰে। গোৱালপাৰা চহৰৰ যান-বাহন আৰক্ষীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বাহাৰুল ইছলাম, জিলা আৰক্ষীৰ উপ-আৰক্ষী অধীক্ষক (DSP) দীপাংকৰ ডেকা ৰজা আৰু সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পাৰ্থপ্ৰতিম সিংকনৰ যৌথ নেতৃত্বত এই বিশেষ অভিযান চলোৱা হয়। আৰক্ষীৰ ফালৰ পৰা জানিব পৰা মতে, যান-বাহন আইন সুচাৰুৰূপে পালন কৰা আৰু পথ সুৰক্ষা নিশ্চিত কৰাৰ স্বাৰ্থত অনাগত দিনতো এইধৰণৰ অভিযান অব্যাহত থাকিব।

# গৌৰীপুৰত পদ্মশ্ৰী প্ৰতিমা বৰুৱা পাণ্ডেৰ ৯২ সংখ্যক জন্মজয়ন্তী পালন



**অসম বাৰ্তা, গৌৰীপুৰ, ৩ অক্টোবৰ ঃ** ধুবুৰী জিলাৰ ঐতিহ্যমণ্ডিত গৌৰীপুৰ চহৰৰ মাজমজিয়াত অৱস্থিত গৌৰীপুৰ ৰাজহুৱা পুথিভঁৰালত আজি বিভিন্ন কাৰ্যসূচীৰে পদ্মশ্ৰী প্ৰতিমা বৰুৱা পাণ্ডেৰ ৯২ সংখ্যক জন্মজয়ন্তী পালন কৰা হয়। গৌৰীপুৰীয়া কন্যা তথা লোকসংগীতৰ সম্ৰাজ্ঞী পদ্মশ্ৰী প্ৰতিমা বৰুৱা পাণ্ডেৰ স্মৃতি সজীৱ কৰি ৰখাৰ উদ্দেশ্যে ভাৰতীয় ষ্টেট বেংক, গৌৰীপুৰ শাখা, গৌৰীপুৰ পৌৰসভা আৰু গৌৰীপুৰ শাখা সাহিত্য সভাৰ যৌথ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে জন্মজয়ন্তী উদযাপন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা ১০ বজাত গৌৰীপুৰ পৌৰসভাৰ কাৰ্যবাহী বিষয়া ৰাখী টুমুঙে প্ৰতিমা বৰুৱা পাণ্ডেৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পিছতে পুৱা ১০.৩০ বজাত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত বিভিন্ন স্তৰৰ লোক, সাহিত্যপ্ৰেমী, শিল্পী তথা শুভাকাংক্ষীসকলে মহান শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। পুৱা ১১ বজাত প্ৰতিমা বৰুৱা পাণ্ডেৰ সৈতে সংগীতৰ ক্ষেত্ৰত সংগত কৰা তথা তেওঁৰ সান্নিধ্য লাভ কৰা শিল্পীসকলক অনুষ্ঠানৰ উদ্যোক্তাসকলৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। ইফালে, দুপৰীয়া ২ বজাত প্ৰতিমা বৰুৱা পাণ্ডেৰ জীৱন, কৰ্ম আৰু সংগীতৰ সৈতে জড়িত বিষয়ক লৈ কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। কুইজ প্ৰতিযোগিতাখন উদ্বোধন কৰাৰ লগতে পৰিচালনা কৰে গৌৰীপুৰ ভাৰতীয় ষ্টেট বেংকৰ শাখা প্ৰবন্ধক ৰতন কলিতাই। সন্ধিয়া ৬বজাত প্ৰতিমা বৰুৱা পাণ্ডেৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰা হয়। বন্তি প্ৰজ্বলন কৰে গৌৰীপুৰ পৌৰসভাৰ সভানেত্ৰী জয়া বিশ্বাস আৰু ধুবুৰী জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জীৱনজ্যোতি বৰুৱাই। ইয়াৰ পিছতে পদ্মশ্ৰী প্ৰতিমা বৰুৱা পাণ্ডেৰ কালজয়ী লোকগীতৰ আধাৰত এক বিশেষ লোকগীতৰ অনুষ্ঠান অনুষ্ঠিত হয়। স্থানীয় শিল্পীসকলে প্ৰতিমা বৰুৱা পাণ্ডেৰ জনপ্ৰিয় লোকগীত পৰিৱেশন কৰি অনুষ্ঠানটোক অধিক মনোমোহা কৰি তোলে। জন্মজয়ন্তীৰ সমগ্ৰ কাৰ্যসূচীত গৌৰীপুৰবাসীৰ লগতে বিভিন্ন শ্ৰেণীৰ লোকৰ ব্যাপক উপস্থিতিয়ে শিল্পীগৰাকীৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধা আৰু আৱেগৰ প্ৰতিফলন ঘটায়।

## মুখ্যমন্ত্ৰীৰ প্ৰতিকৃতি দাহেৰে আমগুৰিত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ তীব্ৰ প্ৰতিবাদ

# বানপীড়িতক ১৫ হাজাৰ টকা নিদিয়াৰ অভিযোগ

**অসম বাৰ্তা, চেলেংহাট, ৩ অক্টোবৰ ঃ** প্ৰলয়ংকাৰী বানত ক্ষতিগ্ৰস্ত ৰাইজক চৰকাৰে ঘোষণা কৰা ১৫ হাজাৰ টকাৰ ক্ষতিপূৰণ এতিয়ালৈকে প্ৰদান নকৰাৰ অভিযোগ তুলি আমগুৰিত কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে আজি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। প্ৰতিবাদকাৰীসকলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে বিভিন্ন শ্লোগান দি পৰিবেশ উত্তাল কৰি তোলে। বানপীড়িত ৰাইজৰ অধিকাৰৰ বাবে আন্দোলন কৰা কৃষক মুক্তি সংগ্ৰাম সমিতি, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি আৰু ৰাইজৰ দলৰ নেতা-কৰ্মীক আটক কৰাৰ বিৰোধিতাও প্ৰতিবাদৰ অন্যতম কাৰণ। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় মুখ্য সাংগঠনিক সম্পাদক ঋতুমনি হাজৰিকাৰ উপস্থিতিত মুখ্যমন্ত্ৰীৰ প্ৰতিকৃতি দাহ কৰি চৰকাৰৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে সংগঠনটোৱে। তেওঁলোকৰ অভিযোগ, বানত ক্ষতিগ্ৰস্ত হোৱা বহু পৰিয়ালে ঘোষিত ক্ষতিপূৰণ আজিলৈকে পোৱা নাই। অনতিপলমে ক্ষতিপূৰণ প্ৰদান কৰিবলৈ সংগঠনটোৱে দাবী জনায়। সংগঠনটোৰ অভিযোগ অনুসৰি, বানপীড়িতৰ ন্যায্য অধিকাৰৰ বাবে আন্দোলন কৰা নেতা-কৰ্মীক আটক কৰি চৰকাৰে আন্দোলন দমন কৰিবলৈ চেষ্টা কৰিছে। তেওঁলোকে কয়, ১৯ জুলাইৰ মহাপ্ৰলয়ৰ মূল কাণ্ডাৰী হিচাপে কয়লা আৰু শিল খননৰ সৈতে জড়িত ধৰ্মেশ্বৰ কোঁৱৰ, সুশান্ত বৰগোহাঁই আৰু ময়ূৰ বৰগোহাঁইক গ্ৰেপ্তাৰ কৰিব নোৱাৰে। অথচ বানপীড়িতৰ হকে মাত মতা লোকক আটক কৰিছে। আটক কৰা কৃষক মুক্তি, ছাত্ৰ মুক্তি আৰু ৰাইজৰ দলৰ নেতা-কৰ্মীসকলক অবিলম্বে মুকলি কৰি দিবলৈও দাবী জনাই ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় উপসভাপতি ৰবীন হাজৰিকা, জিলা সভাপতি পল্লৱ শইকীয়া আৰু যোৰহাট জিলা কৃষক মুক্তিৰ সভাপতি অৰিন্দন গগৈয়ে। বানত ক্ষতিগ্ৰস্ত প্ৰতিগৰাকী পৰিয়ালে উচিত ক্ষতিপূৰণ নোপোৱালৈকে আৰু আটক কৰা নেতা-কৰ্মী সকলক মুক্তি নিদিয়ালৈকে আন্দোলন অব্যাহত ৰখাৰ হুংকাৰ দিয়ে সংগঠনটোৱে। প্ৰতিবাদ কাৰ্যসূচীত বহুসংখ্যক নেতা-কৰ্মী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# কোকৰাঝাৰত সেৱা সংকল্প অভিযানৰ অধীনত বিভিন্ন কাৰ্যসূচী

**অসম বাৰ্তা, কোকৰাঝাৰ, ৩ অক্টোবৰ ঃ** চলিত সেৱা সংকল্প অভিযানৰ অংশ হিচাপে কোকৰাঝাৰ জিলাজুৰি শিক্ষা, অন্তৰ্ভুক্তি, কল্যাণ, পথ সুৰক্ষা আৰু জনসাধাৰণৰ অংশগ্ৰহণক কেন্দ্ৰ কৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছে। শিক্ষা বিভাগৰ উদ্যোগত সেৱা সংকল্প অভিযানৰ অংশ হিচাপে জিলাখনৰ সকলো বিধানসভা সমষ্টিতে সমষ্টি পৰ্যায়ৰ চিত্ৰাংকন, কুইজ আৰু বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে। আজি কোকৰাঝাৰ শিক্ষা খণ্ডৰ উদ্যোগত পিএম শ্ৰী কোকৰাঝাৰ ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত সমষ্টি পৰ্যায়ৰ কুইজ, বক্তৃতা আৰু চিত্ৰাংকন প্ৰতিযোগিতাত বিধায়ক শিউলি মহিলাৰী আৰু এমচিএলএ ধনেশ্বৰ গয়াৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে উৎসাহেৰে অংশগ্ৰহণ কৰি বিভিন্ন প্ৰতিযোগিতাৰ জৰিয়তে নিজৰ জ্ঞান, আত্মবিশ্বাস আৰু সৃজনশীলতা প্ৰদৰ্শন কৰে। ইয়াৰ উপৰি জিলাখনৰ বিভিন্ন স্থানত পথ সুৰক্ষা সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰাৰ লগতে মটৰ যান-বাহন সম্পৰ্কীয় নিয়ম আৰু বিধি মানি চলাটো নিশ্চিত কৰাৰ উদ্দেশ্যে বলৱৎকৰণমূলক কাৰ্যসূচীও গ্ৰহণ কৰা হৈছে। সেৱা সংকল্প অভিযানৰ আন এক পদক্ষেপ হিচাপে ফকিৰাগ্ৰাম মহাবিদ্যালয়ত, ALIMCO ৰ সহযোগত বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ বাবে এক স্ক্ৰীনিং শিবিৰ অনুষ্ঠিত কৰা হয়। যোগ্য ব্যক্তিসকলক সহায়ক সঁজুলি প্ৰদানৰ বাবে তেওঁলোকৰ প্ৰয়োজনীয়তা নিৰূপণ কৰাৰ উদ্দেশ্যে এই শিবিৰ অনুষ্ঠিত কৰা হয়। কোকৰাঝাৰৰ দ্য হান্স ফাউণ্ডেচনেও শিবিৰটোত সহযোগিতা আগবঢ়ায়। শিবিৰটোত প্ৰায় ১৫০ গৰাকী বিশেষভাৱে সক্ষম ব্যক্তিৰ স্ক্ৰীনিং কৰা হয়। ইয়াৰ জৰিয়তে তেওঁলোকৰ প্ৰয়োজনীয়তা মূল্যায়ন কৰাৰ লগতে উপযুক্ত সহায়ক সঁজুলি লাভৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ পথ প্ৰশস্ত কৰা হয়।

# গান্ধী জয়ন্তী আৰু লাল বাহাদুৰ শাস্ত্ৰী জয়ন্তীত ডুমডুমা লায়ন্স ক্লাবৰ সেৱা কাৰ্যসূচী

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৩ অক্টোবৰ ঃ** জাতিৰ পিতা মহাত্মা গান্ধী আৰু ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ জন্ম দিৱস উপলক্ষে লায়ন্স ক্লাব অৱ ডুমডুমাটি চিটীৰ উদ্যোগত শুকুৰবাৰে ডুমডুমা এফ আৰ ইউ চিকিৎসালয়ত এক সেৱা আৰু জনকল্যাণমূলক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। এই উপলক্ষে ক্লাবৰ সদস্যসকলে চিকিৎসালয়ত চিকিৎসাধীন ৰোগী, আৰ্তজন আৰু অসহায় লোকসকলৰ মাজত ফল-মূল, ফলৰ ৰস আৰু অন্যান্য খাদ্য সামগ্ৰী বিতৰণ কৰে। সেৱা কাৰ্যসূচীৰ সময়ত ক্লাবৰ সদস্যসকলে চিকিৎসালয়খনৰ চিকিৎসক আৰু কৰ্মৰত নাৰ্ছসকলৰ সৈতেও মত বিনিময় কৰে আৰু চিকিৎসালয়ৰ বিভিন্ন বিষয়ৰ লগতে জনসেৱাৰ সৈতে জড়িত বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে। কাৰ্যসূচীত লায়ন্স ক্লাব অৱ ডুমডুমা টি চিটীৰ সভাপতি লায়ন দিনেশ গোয়েল, সম্পাদক লায়ন দীপক চৌধুৰী, কোষাধ্যক্ষ লায়ন এছ. এন. জয়ছোৱালৰ উপৰি প্ৰাক্তন সভাপতি ৰাজকুমাৰ গাড়োদিয়া, ধৰ্মেন্দ্ৰ পেড়িৱাল, ডাঃ উজ্জ্বল ভট্টাচাৰ্য, সঞ্জয় আগৰৱালা, মুকেশ জাজু আদিকে ধৰি ক্লাবৰ অন্যান্য সদস্যসকল উপস্থিত থাকে। এই কাৰ্যসূচীত তিনিচুকীয়া হাৰ্মনি লায়ন্স ক্লাবৰ সভাপতি সুজিত ৰায় আৰু সুৰেশ খৈতানেও অংশগ্ৰহণ কৰে। এই সেৱা কাৰ্যসূচীৰ জৰিয়তে মহাত্মা গান্ধীৰ সত্য, অহিংসা আৰু সেৱাৰ আদৰ্শ তথা প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ 'জয় জোৱান, জয় কিষাণ'ৰ ৰাষ্ট্ৰনিৰ্মাণৰ আহ্বানক স্মৰণ কৰা হয়। লগতে সমাজসেৱা আৰু আৰ্তজনৰ সহায়ৰ ক্ষেত্ৰত নিজৰ দায়বদ্ধতা পুনৰ দোহাৰে লায়ন্স ক্লাবৰ সদস্যসকলে। ক্লাবৰ সদস্যসকলে কয় যে সামূহিক সহযোগিতা আৰু অংশগ্ৰহণৰ জৰিয়তেহে সেৱামূলক কাৰ্য অধিক অৰ্থপূৰ্ণ আৰু সফল হৈ উঠে।

# বৰপেটা জিলা কাৰাগাৰৰ সহকাৰী কাৰাধ্যক্ষক নিলম্বন

**অসম বাৰ্তা, বৰপেটা সদৰ, ৩ অক্টোবৰ ঃ** শুক্ৰবাৰে বৰপেটা জিলা কাৰাগাৰত সংঘটিত হৈছিল উত্তপ্ত পৰিস্থিতি। সহকাৰী কাৰাধ্যক্ষ কিশোৰ হালৈৰ বিৰুদ্ধে উত্থাপিত হৈছিল বহু গুৰুতৰ অভিযোগ। উকিত অভিযোগৰ ভিত্তিতে আজি বিষয়াগৰাকীক নিলম্বনৰ নিৰ্দেশ প্ৰদান কৰা হয়। উল্লেখ্য শুক্ৰবাৰে বৰপেটা জিলা কাৰাগাৰত সংঘটিত উত্তপ্ত পৰিস্থিতি। কাৰাগাৰৰ ভিতৰৰ মূল গেটৰ তলা পৰ্যন্ত ভাঙি পেলাইছিল কাৰাবন্দীসকলে। কাৰাবন্দী সকলে আনকি জিলা কাৰাগাৰৰ ভিতৰত শিল ইটা আদিৰে বহু সামগ্ৰী লণ্ড-ভণ্ড কৰাৰ লগতে কিশোৰ হালৈক শাৰীৰিকভাৱে আক্ৰমণ কৰিছিল। এই ঘটনাৰ পিচতে জিলা আয়ুক্ত নৱদীপ পাঠক জিলা কাৰাগাৰত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ লগতে দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ কথা ঘোষণা কৰিছিল। আজি সহকাৰী কাৰাধ্যক্ষ কিশোৰ হালৈক কাৰাগাৰ মহাপৰিদৰ্শকে নিলম্বনৰ নিৰ্দেশ প্ৰদান কৰে।

## ৯২ সংখ্যক জন্মবাৰ্ষিকীত প্ৰাক্তন

আয়োজন কৰা হয়। ৰাজীৱ ভৱনৰ চৌহদত থকা প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ আৱক্ষ মূৰ্তিত কংগ্ৰেছ নেতা-কৰ্মীসকলে মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানত প্ৰাক্তন সাংসদ বলীন কুলী, প্ৰদেশ কংগ্ৰেছৰ সাংগঠনিক সাধাৰণ সম্পাদক বিপুল গগৈ, জ্যেষ্ঠ কংগ্ৰেছ নেতা প্ৰফুল্ল বড়াকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ নেতা আৰু দলীয় বিষয়ববীয়া উপস্থিত থাকে। অসম প্ৰদেশ কংগ্ৰেছে সামাজিক মাধ্যমতো প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰে। দলটোৱে লিখিছে, "অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বিশিষ্ট ৰাজনীতিবিদ, কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়াদেৱৰ পৱিত্ৰ জন্মবাৰ্ষিকী উপলক্ষে প্ৰদেশ কংগ্ৰেছৰ গুৱাহাটীস্থিত মুখ্য কাৰ্যালয় ৰাজীৱ ভৱনৰ চৌহদত থকা তেওঁৰ আৱক্ষ মূৰ্তিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধা নিবেদন কৰা হয়।" লগতে কংগ্ৰেছে উল্লেখ কৰে, "অসমৰ ৰাজনৈতিক আৰু সামাজিক জীৱনলৈ হিতেশ্বৰ শইকীয়াদেৱে আগবঢ়াই যোৱা অৱদান সদায় স্মৰণীয় হৈ থাকিব।" উল্লেখ্য, ১৯৩৪ চনৰ ৩ অক্টোবৰত শিৱসাগৰ জিলাৰ সাপেখাতিৰ বগাবাগ চাহ বাগিচাত হিতেশ্বৰ শইকীয়াৰ জন্ম হৈছিল। সক্ৰিয় ৰাজনীতিত প্ৰৱেশৰ পূৰ্বে তেওঁ গড়গাঁও কলেজত ইতিহাস বিভাগৰ অধ্যাপক হিচাপে কৰ্মজীৱন আৰম্ভ কৰিছিল। ষাঠিৰ দশকত তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছত যোগদান কৰে আৰু ১৯৭১ চনত নাজিৰা বিধানসভা সমষ্টিৰ পৰা প্ৰথমবাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হয়। ১৯৭২ চনত শৰৎ চন্দ্ৰ সিংহৰ মন্ত্ৰীসভাত তেওঁ গৃহ পৰিক্ৰমাৰ দৰে গুৰুত্বপূৰ্ণ বিভাগৰ ৰাজ্যিক মন্ত্ৰীৰ দায়িত্ব লাভ কৰে। পৰৱৰ্তী সময়ত তেওঁ আন কেইবাটাও গুৰুত্বপূৰ্ণ বিভাগ সফলতাৰে পৰিচালনা কৰে। ১৯৮৩ চনত অসম আন্দোলনে ৰাজ্য উত্তাল কৰি থকা সময়ত অনুষ্ঠিত বিতৰ্কিত নিৰ্বাচনৰ পিছত হিতেশ্বৰ শইকীয়াই প্ৰথমবাৰৰ বাবে অসমৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। কঠিন পৰিস্থিতিত প্ৰশাসন চলোৱাৰ পিছত ১৯৮৫ চনত অসম চুক্তি স্বাক্ষৰিত হোৱাৰ লগে লগে তেওঁ মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰে আৰু বিধানসভা ভংগ কৰা হয়। ইয়াৰ পিছত কেন্দ্ৰীয় চৰকাৰে তেওঁৰ প্ৰশাসনিক দক্ষতাৰ স্বীকৃতি স্বৰূপে গুৰুত্বপূৰ্ণ দায়িত্ব অৰ্পণ কৰে। ১৯৮৬ চনৰ পৰা ১৯৮৯ চনলৈ তেওঁ মিজোৰামৰ লেফটেনেণ্ট গৱৰ্ণৰ তথা পৰৱৰ্তী সময়ত ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰে। মিজো চুক্তি বাস্তৱায়িত কৰি ৰাজ্যখনত শান্তি ঘূৰাই অনাত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ১৯৯১ চনৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছে সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ পিছত হিতেশ্বৰ শইকীয়াই দ্বিতীয়বাৰৰ বাবে অসমৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। তেওঁৰ এই কাৰ্যকাল আলফাৰ বিৰুদ্ধে চলোৱা কঠোৰ অভিযানৰ বাবে বিশেষভাৱে চৰ্চিত হৈছিল। সেই সময়ত অপাৰেচন বজৰং আৰু অপাৰেচন ৰাইন'ৰ দৰে সামৰিক অভিযানৰ সমান্তৰালকৈ তেওঁ আলফাৰ মাজত বিভাজন আনিবলৈও সক্ষম হয়। তেওঁৰ কৌশলপূৰ্ণ ৰাজনীতিৰ ফলত বৃহৎ সংখ্যক আলফা সদস্যই সশস্ত্ৰ সংগ্ৰাম ত্যাগ কৰি মূলসুঁতিলৈ ঘূৰি আহে। এই গোটক পৰৱৰ্তী সময়ত আত্মসমৰ্পণকাৰী আলফা বা 'ছালফা' (SULFA) হিচাপে জনা যায়। ছালফা সদস্যসকলৰ সংস্থাপনৰ বাবে তেওঁৰ চৰকাৰে বিভিন্ন ঋণ আৰু সাহায্য আঁচনি প্ৰৱৰ্তন কৰাৰ লগতে গুৱাহাটীত কেন্দ্ৰীয় আৱাসৰ ব্যৱস্থা কৰিছিল। হিতেশ্বৰ শইকীয়াক কেৱল এজন কৌশলী ৰাজনীতিবিদ হিচাপেই নহয়, অসমৰ শৈক্ষিক আৰু সামাজিক উন্নয়নৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱা নেতা হিচাপেও স্মৰণ কৰা হয়। তেওঁ অনুসূচিত জাতি, জনজাতি, অ'বিচি তথা চাহ জনগোষ্ঠীৰ উন্নয়নৰ বাবে বিশেষ স্বায়ত্তশাসিত পৰিষদ আৰু উন্নয়ন ব'ৰ্ড গঠন কৰিছিল। তেওঁৰ কাৰ্যকালত ৰাজ্যত কেইবাখনো নতুন মহাবিদ্যালয়, কাৰিকৰী প্ৰতিষ্ঠান আৰু সাংস্কৃতিক কেন্দ্ৰ গঢ়ি উঠিছিল। গুৱাহাটীত তেওঁৰ নামত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয় স্থাপন কৰা হয়। অসমীয়া ভাষা আৰু সংস্কৃতিৰ প্ৰসাৰৰ বাবেও তেওঁ ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিছিল। দ্বিতীয় কাৰ্যকালত মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব পালন কৰি থকা সময়ত হিতেশ্বৰ শইকীয়াৰ স্বাস্থ্যৰ অৱনতি ঘটে। ১৯৯৬ চনৰ নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত ২২ এপ্ৰিলত দিল্লীত চিকিৎসাধীন অৱস্থাত এইগৰাকী প্ৰভাৱশালী ৰাজনীতিবিদৰ মৃত্যু হয়। আজিও অসমৰ ৰাজনৈতিক ইতিহাসত তেওঁক এজন দক্ষ প্ৰশাসক, কৌশলী ৰাজনীতিবিদ তথা সংকটকালীন নেতা হিচাপে স্মৰণ কৰা হয়।

## পুনৰ পৰ্যটকৰ বাবে মুকলি

কৰি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কয়, "আজি ২০২৬-২৭ পৰ্যটন বৰ্ষৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান মুকলি কৰিলোঁ। প্ৰথম দিনাই যথেষ্ট সংখ্যক বন্যপ্ৰাণী দেখা পাইছোঁ। গঁড়, হৰিণ, বগা হৰিণৰ লগতে বিভিন্ন প্ৰজাতিৰ ঈগল আৰু মাছ দেখি ভাল লাগিছে। সাধাৰণতে চাৰি-পাঁচ মাহ বন্ধ থকাৰ পিছত প্ৰথম দিনাই ইমান জীৱ-জন্তু দেখা নাযায়; কিন্তু আজি উদ্যানৰ ভিতৰলৈ গৈ যথেষ্ট বন্যপ্ৰাণী দেখি আনন্দিত।" তেওঁ লগতে কয়, "আজি দেশী-বিদেশী পৰ্যটকৰ বাবে অসম এখন শান্তিপূৰ্ণ ঠাই। তাৰ ফলত প্ৰতি বছৰে পৰ্যটকৰ সংখ্যা বৃদ্ধি পাইছে। এতিয়ালৈকে যিখিনি কাম হৈছে, তাক আৰু অধিক পৰ্যটনবান্ধৱ কৰি তুলিবলৈ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। পৰ্যটকসকলে বিশেষকৈ গঁড় চাবলৈ আহে। আজিৰ পৰা ৰপ্ত বছৰ পূৰ্বে প্ৰতিদিনে গঁড় হত্যা হৈছিল; কিন্তু বৰ্তমান গঁড় হত্যা শূন্যলৈ আনিব পৰাটো অসম চৰকাৰৰ ডাঙৰ সাফল্য।" কাজিৰঙাত হ'বলগীয়া 'এলিভেটেড কৰিড'ৰ সম্পৰ্কে মন্ত্ৰীগৰাকীয়ে কয়, "এলিভেটেড কৰিড'ৰ হোৱাৰ লগে লগে পৰ্যটকৰ বাবে ভাল হ'ব। ইয়াৰ দ্বাৰা সুন্দৰ সংযোগ গঢ়ি উঠিব আৰু দূৰত্ব কমিব। মানুহ সহজে আহিব পাৰিব; ফলত পৰ্যটকৰ সংখ্যাও আৰু বাঢ়িব। কিন্তু আমাৰ দায়িত্ব হ'ব যে পৰ্যটক বাঢ়িলে বন্যপ্ৰাণী আৰু বনাঞ্চলৰ ওপৰত যাতে প্ৰভাৱ নপৰে। তাৰ বাবে নতুন নতুন ছেক্টৰ উন্নয়ন কৰিব লাগিব।" তেওঁ আৰু প্ৰকাশ কৰে, "বিগত প্ৰতিটো বছৰত কাজিৰঙাই নিজৰ ৰেকৰ্ড ভাঙি আহিছে আৰু আগন্তুক বছৰতো সেই ধাৰা অব্যাহত থাকিব। সকলোৰে সহায়-সহযোগিতাত এটা সুন্দৰ পৰ্যটকবান্ধৱ পৰিৱেশ সৃষ্টি হৈছে। এইবাৰো সেই ধৰণৰ পৰিৱেশেৰে আগবাঢ়ি যাব। প্ৰতি বছৰে বৰ্ধিত পৰ্যটকৰ কথা লক্ষ্য ৰাখি বন বিভাগ আৰু পৰ্যটন বিভাগে আন্তঃগাঁথনি উন্নয়ন তথা অন্যান্য প্ৰয়োজনীয় কাম কৰি যাব লাগিব।" বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কয়, "এতিয়াই যিখিনি বুকিং দেখা গৈছে, তাৰ পৰা অনুমান কৰা হৈছে যে এইবাৰ পৰ্যটকৰ সংখ্যা বাঢ়িব। তাৰ লগে লগে আমাৰ লক্ষ্য হ'ব যাতে স্থানীয় লোকসকলো পৰ্যটক বৃদ্ধিৰ লগে লগে আত্মনিৰ্ভৰশীল হ'ব পাৰে। স্থানীয় অধিক লোক জড়িত হৈ নিজকে আগবঢ়াই নিব পাৰে আৰু অৰ্থনৈতিকভাৱে উন্নতি কৰিব পাৰে-এই কথাখিনিও আমি বিবেচনা কৰিব লাগিব।" ইফালে অনুষ্ঠানত উপস্থিত থাকি মন্ত্ৰী অতুল বৰাই কয়, "দিল্লীত নৰেন্দ্ৰ মোদীৰ চৰকাৰ হোৱাৰ পৰা গঁড় হত্যা কমিছে। যোৱা বছৰ এটাও গঁড় হত্যা হোৱা নাই। ৰাজ্যখনত শান্তি ঘূৰি অহাৰ এটা কাৰণ পৰ্যটকৰ সংখ্যা বৃদ্ধি; এয়া আমাৰ বাবে আনন্দৰ কথা। এই বছৰ পূৰ্বতকৈও পৰ্যটকৰ সংখ্যা বৃদ্ধি পাব। আজি উদ্যানখন পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। কাজিৰঙাৰ লগত জড়িত সকলোৱে এই দিনটোৰ বাবে আশাৰে বাট চাই থাকে। মই দেশী-বিদেশী পৰ্যটকক কাজিৰঙাৰ নৈসৰ্গিক সৌন্দৰ্য উপভোগ কৰিবলৈ আমন্ত্ৰণ জনাইছোঁ।" উল্লেখ্য, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পৰ্যটকৰ জীপ-ছাফাৰিৰ বাবে প্ৰৱেশৰ সময় পুৱা ৭È ৩০ বজাৰ পৰা ১০È ০০ বজালৈ আৰু বিয়লি ১È৩০ বজাৰ পৰা ৩È০০ বজালৈ নিৰ্ধাৰণ কৰা হৈছে। উদ্যানখন মুকলি হোৱাৰ পিছতে পৰ্যটকসকলৰ মাজত উৎসাহ দেখা গৈছে আৰু এইবাৰ পৰ্যটকৰ সংখ্যা পূৰ্বতকৈ অধিক বৃদ্ধি পাব বুলি বন বিভাগ তথা পৰ্যটন বিভাগে আশা প্ৰকাশ কৰিছে।

## ৰাষ্ট্ৰপতিৰ অনুমোদন লাভ

উদ্দেশ্যে প্ৰস্তুত কৰা ২০২৬ চনৰ বিশেষ বিধেয়কখনক ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে সন্মতি প্ৰদান কৰিছে। চলিত বৰ্ষৰ মে' মাহত অসম বিধানসভাই বিৰোধীৰ প্ৰতিবাদ আৰু ব্যাপক বিতৰ্কৰ মাজত এই বিধেয়কখন গৃহীত কৰিছিল। ৰাষ্ট্ৰপতিৰ অনুমোদনৰ পাছত এতিয়া ৰাজ্য চৰকাৰে প্ৰয়োজনীয় অধিসূচনা আৰু নিয়মাৱলী জাৰি কৰি আইনখন বিধিগতভাৱে প্ৰৱৰ্তন কৰাৰ পথ মুকলি হৈছে। উল্লেখ্য, অসমৰ উপৰি গুজৰাটৰ ইউ চি চি বিধেয়কেও শেহতীয়াকৈ ৰাষ্ট্ৰপতিৰ অনুমোদন লাভ কৰিছে। নতুন সংহিতাই বিবাহ, বিচ্ছেদ, সম্পত্তিৰ উত্তৰাধিকাৰ আৰু একেলগে বসবাস কৰা অৰ্থাৎ লিভ-ইন সম্পৰ্কৰ দৰে সংবেদনশীল বিষয়সমূহক এক উমৈহতীয়া আইনী কাঠামোৰ আওতালৈ আনিব। নতুন আইন অনুসৰি বহুবিবাহ আইনগতভাৱে নিষিদ্ধ কৰা হৈছে। লগতে বিবাহ আৰু বিচ্ছেদৰ চৰকাৰী পঞ্জীয়ন অপৰিহাৰ্য কৰি তোলা হৈছে। একেদৰে লিভ-ইন সম্পৰ্কত থকা দম্পতীৰ তথ্য পঞ্জীয়ন কৰাটো বাধ্যতামূলক কৰা হৈছে; এই নিয়ম পালন নকৰিলে শাস্তিৰ মুখামুখি হ'ব লাগিব। অৱশ্যে স্থানীয় কৃষ্টি-সংস্কৃতি আৰু ঐতিহাসিক প্ৰথাসমূহ অক্ষুণ্ণ ৰখাৰ স্বাৰ্থত অনুসূচিত জনজাতিৰ লোকসকলক এই আইনৰ আওতাৰ পৰা ফালৰি কাটি ৰখা হৈছে। ৰাষ্ট্ৰপতিৰ অনুমোদনৰ ফলত অসমত সম নাগৰিক সংহিতা কাৰ্যকৰী কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ সম্পন্ন হ'ল।

## এছিয়ান গেমছৰ হকীত ভাৰতৰ স্বৰ্ণজয়

কৰে। এই জয়ৰ জৰিয়তে ভাৰতীয় পুৰুষ হকী দলে এছিয়ান গেমছত পঞ্চমবাৰৰ বাবে স্বৰ্ণ পদক লাভ কৰিলে। ইয়াৰ পূৰ্বে ভাৰতে ১৯৬৬, ১৯৯৮, ২০১৪ আৰু ২০২২ চনৰ সংস্কৰণত স্বৰ্ণ পদক জয় কৰিছিল। এইবাৰ প্ৰথমবাৰৰ বাবে ভাৰতীয় দলে এছিয়ান গেমছত জয় কৰা স্বৰ্ণ পদক সফলতাৰে ৰক্ষা কৰিবলৈ সক্ষম হৈছে। এছিয়ান গেমছৰ ইতিহাসত ভাৰতীয় পুৰুষ হকী দলে এতিয়ালৈকে ৯ বাৰ ৰূপৰ পদক লাভ কৰিছে। ১৯৫৮, ১৯৬২, ১৯৭০, ১৯৭৪, ১৯৭৮, ১৯৮২, ১৯৯০, ১৯৯৪ আৰু ২০০2 চনত ভাৰতে ৰূপৰ পদক অৰ্জন কৰিছিল। আনহাতে, ১৯৮৬, ২০১০ আৰু ২০১৮ চনত দলটোৱে ব্ৰঞ্জৰ পদক লাভ কৰিছিল। এইবাৰৰ স্বৰ্ণ জয়ৰ ফলত ভাৰতীয় হকী অনুৰাগী তথা সমগ্ৰ দেশবাসীৰ মাজত উৎসাহৰ বানপানী দেখা গৈছে। লগতে ২০২৮ চনৰ লছ এঞ্জেলছ অলিম্পিকৰ টিকট নিশ্চিত হোৱাত ভাৰতীয় দলৰ আত্মবিশ্বাস আৰু অধিক দৃঢ় হ'ব বুলি আশা কৰা হৈছে।

## লাহৰীঘাটত সঘনে সলনি হৈছে

এক দৃশ্য। যি দৃশ্যই সকলোকে ভবাই তুলিছে যে আগন্তুক উপ - নিৰ্বাচনত প্ৰকৃততে লাহৰীঘাটৰ সংখ্যালঘু ভোটাৰে কাৰ পক্ষ লব। উল্লেখ্য যে আজি লাহৰীঘাটৰ উলুবাৰী স্থিত স্থানীয় বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰৰ ঘৰৰ চৌহদত সন্ধ্যা ভিৰ কৰেহি একাংশ আলিম ওলোমাই। নিশা প্ৰায় ন মান বজাত আলিম সকলৰ মাজত নগাঁও লোকসভাৰ কংগ্ৰেছৰ প্ৰাৰ্থী শিবামনিক লগত লৈ উপস্থিত হয়হি এ পি চি চিৰ সভাপতি গৌৰৱ গগৈ। দুই সহস্ৰাধিক আলিম উলেমাৰ সৈতে গৌৰৱ গগৈ মিলিত হয় আলোচনাত। এই আলোচনাত উপস্থিত থাকে স্থানীয় বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰো। লাহৰীঘাট সমষ্টিত প্ৰতিটো নিৰ্বাচনতে প্ৰয়াত ডাঃ নজৰুল ইছলামৰ দিনৰ পৰাই নিৰ্বাচনৰ দুদিন বা এদিন আগত সমষ্টিৰ আলিম ওলেমা সকলৰ সৈতে বৈঠকত বহাতো এক নীতিত পৰিণত হৈ আহিছে। বিভিন্ন প্ৰত্যাহ্বান ডাঃ নজৰুল ইছলামে অনায়াসে প্ৰতিহত কৰি চপ্ত বছৰ ধৰি লাহৰীঘাট সমষ্টিটো নিজৰ দখলত ৰাখিছিল। পৰৱৰ্তী সময়ত পুত্ৰ ডাঃ আছিফ মহম্মদ নাজাৰেও পিতৃৰ পদাংক অনুকৰণ কৰি আলিম সমাজৰ সৈতে মধুৰ সম্পৰ্ক ৰক্ষা কৰি আহিছে। যোৱা বিধান সভা নিৰ্বাচনৰ প্ৰাক ক্ষণতো আলিম সমাজে আছিফ নাজাৰৰ জয়ত যথেষ্ট ভূমিকা গ্ৰহণ কৰিছিল। মুছলমান লোকৰ সমাজত আলিম সকলৰ স্থান অতি গুৰুত্বপূৰ্ণ। সমাজত সৃষ্টি হোৱা নতুন সমস্যা বা প্ৰশ্নৰ সমাধান ইছলামীয় নিয়ম অনুসৰি প্ৰদান কৰি আহিছে আলিম সমাজে। সেয়ে নগাঁও লোকসভাৰ উপ - নিৰ্বাচনৰ প্ৰাক ক্ষণত আজিৰ এই বৈঠকে যথেষ্ট তাৎপৰ্য্য বহন কৰিছে। গৌৰৱ গগৈয়ে আলিম সমাজেৰে মিলিত হৈ আগন্তুক নিৰ্বাচনত তেওঁলোকৰ সহায় সমৰ্থন বিছাৰিছে। অৱশ্যে শিবামনি বৰাই শেষ মুহূৰ্তত আলিম সমাজৰ কৃপা লাভ কৰিবলৈ সক্ষম হয়নে নহয় সেয়া নিৰ্বাচনৰ ফলাফলত স্পষ্ট হ'ব।

## প্ৰাথমিক স্তৰৰ বৃত্তি প্ৰদান বন্ধ কৰাৰ

জনাইছে। AISECৰ অসম ৰাজ্যিক কমিটিৰ সভাপতি অধ্যাপক ত্ৰিদীব গগৈয়ে এই সিদ্ধান্তৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে ৰাজহুৱা শিক্ষা ব্যৱস্থা এতিয়া অচল অৱস্থাত চলি থকাৰ সময়তে অসম চৰকাৰৰ এনে জনবিৰোধী সিদ্ধান্তৰ ফলত সাধাৰণ ঘৰৰ ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ পথ ৰুদ্ধ হ'ব। তেওঁ লগতে কয় যে দশকৰ পিছত দশক ধৰি চলি অহা এই বৃত্তি পৰীক্ষাই সামান্য হ'লেও দুখীয়া ল'ৰা-ছোৱালীক কিছু সকাহ দিছিল আৰু তেওঁলোকৰ মাজত এটা প্ৰতিযোগিতাৰ মনোভাৱ জগাই তুলিছিল। এনে ব্যৱস্থা ধ্বংস কৰি দেশৰ লগতে অসমতো উঠি অহা প্ৰজন্মক জ্ঞান অৰ্জনৰ পৰা আঁতৰাই ৰাখি ক'ৰ্পৰেট গোষ্ঠীৰ স্বাৰ্থ ৰক্ষা কৰাৰ এয়া এক গভীৰ ষড়যন্ত্ৰ বুলি তেওঁ অভিযোগ কৰে। অধ্যাপক গগৈয়ে এই সিদ্ধান্ত অতি সোনকালে বাতিল কৰিবলৈ চৰকাৰৰ ওচৰত দৃঢ় দাবী জনায়। এইন্যায়সঙ্গত দাবী পূৰণ নকৰিলে চৰকাৰৰ এই জনবিৰোধী সিদ্ধান্তৰ বিৰুদ্ধে ৰাজ্যৰ সকলো শুভবুদ্ধিসম্পন্ন তথা শিক্ষাপ্ৰেমী ৰাইজৰ সহযোগত ৰাজ্যজুৰি তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলা হ'ব বুলি তেওঁ সংশ্লিষ্ট কৰ্তৃপক্ষক সকীয়াই দিয়ে।

## জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত

কেইবাজনো প্ৰতিবাদকাৰীৰ লগতে অসমৰ পৰা যোৱা কুংকী চৌধুৰীকো আটক কৰি আৰক্ষীয়ে প্ৰিজন ভেনত তুলি নিয়ে। শুকুৰবাৰে জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত দিল্লীৰ ৰাজপথত নামিছিল আম আদমী পাৰ্টী (AAP)। কেৱল আম আদমী পাৰ্টীয়েই নহয়, একেই দাবীত কংগ্ৰেছ, বামপন্থী দলসমূহৰ লগতে CJPয়েও এই প্ৰতিবাদত সহযোগ কৰিছিল। সেই প্ৰতিবাদ ৰখাবলৈ আৰক্ষীয়ে বেৰিকেড বান্ধি দিয়ে। আৰক্ষীৰ সৈতে প্ৰতিবাদকাৰীৰ টনা-আঁজোৰা আৰু বাক্‌বিতণ্ডাৰ ফলত দিল্লীৰ যন্তৰ-মন্তৰ এলেকা উত্তাল হৈ উঠে। বিভিন্ন সূত্ৰৰ মতে, এতিয়ালৈকে হাজাৰৰো অধিক প্ৰতিবাদকাৰীক আটক কৰা হৈছে। আটককৃতসকলৰ ভিতৰত চিপিএম নেত্ৰী বৃন্দা কাৰাট, আম আদমী পাৰ্টী নেত্ৰী তথা দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আতিশী মাৰলেনা, সমাজকৰ্মী যোগেন্দ্ৰ যাদৱ আৰু AISAৰ নেত্ৰী নেহা বৰা অন্যতম। শনিবাৰে পুনৰ AISA ৰাজপথত নামে। আন্দোলনকাৰীসকলে যন্তৰ-মন্তৰৰ দিশলৈ মিছিল কৰি যায়। তেওঁলোকক ৰখাবলৈ পুৱাৰে পৰা দিল্লীত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি ৰখা হৈছিল। বিভিন্ন স্থানত বেৰিকেড বান্ধি দিয়া হয়। নতুন দিল্লীত ভাৰতীয় ন্যায় সংহিতাৰ 163 ধাৰা জাৰি কৰে আৰক্ষীয়ে। ইয়াৰ পূৰ্বেই আৰক্ষীয়ে জনাইছিল যে যন্তৰ-মন্তৰ বা ইয়াৰ আশে-পাশে বিক্ষোভ কাৰ্যসূচী বা মিছিলৰ কোনো অনুমতি নাই। কিন্তু আৰক্ষীৰ অনুমতি নাথাকিলেও বহুতে প্ৰতিবাদত নামি পৰে। সেই প্ৰতিবাদকাৰী দলৰ সৈতে সংযুক্ত হয় অসমৰ কুংকী চৌধুৰীও। আন্দোলনকাৰীসকলৰ সৈতে উপস্থিত থাকে কপিল ছিব্বল, প্ৰশান্ত ভূষণৰ দৰে অধিবক্তাও। মিছিল কৰি তেওঁলোকে যন্তৰ-মন্তৰৰ দিশলৈ যোৱাৰ সময়ত আৰক্ষীয়ে তেওঁলোকক আটক কৰে। উল্লেখ্য, ককৰোছ জনতা পাৰ্টীৰ প্ৰতিষ্ঠাপক অভিজিৎ দীপকে দিল্লী চলোৰ আহ্বান জনাইছে। তেওঁ জনাইছে যে জ্ঞানেশ কুমাৰে পদত্যাগ নকৰিলে সমগ্ৰ দেশৰ ককৰোছ বাহিনীয়ে মিছিল কৰি দিল্লীলৈ যাব আৰু আগন্তুক ১০ অক্টোবৰত যন্তৰ-মন্তৰত বিক্ষোভ প্ৰদৰ্শন কৰিব। ধমকিৰ সুৰত তেওঁ কৈছে, "দিল্লী আৰক্ষীয়ে যদি আমাক আটক কৰাৰ চেষ্টা কৰে, তেন্তে য'তেই আটক কৰক, সেই স্থানেই আমাৰ বাবে যন্তৰ-মন্তৰ হৈ উঠিব।"

## মমতাজৰ পুত্ৰয়ো বিজেপিত ভোট দিব

আগন্তুক নিৰ্বাচনত মৰিগাঁও সমষ্টিৰ পৰা দেৱাশিস শৰ্মাই ৯০ শতাংশ ভোট পাব। তেওঁ কয়, প্ৰায় আঢ়ৈ লাখ ভোটত জয়ী হব দেৱাশিস শৰ্মা। ইফালে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কংগ্ৰেছ এ আই ইউ ডি এফে অনা আতাই বোৰ অভিযোগ নসাৎ কৰি শৰ্মাই কয়, মমতাজৰ পুত্ৰয়ো বিজেপিত ভোট দিব। কংগ্ৰেছ এ আই ইউ ডি এফে ৰাজনৈতিক মোনাফা আদায়ৰ বাবে অপ-প্ৰচাৰ চলাইছে তেওঁৰ বিৰুদ্ধে। পুত্ৰৰ সৈতে মমতাজৰ সদায় যোগাযোগ চলি থকাৰ খবৰ আছে মুখ্যমন্ত্ৰীৰ হাতত। মমতাজ যতেই আছে, থিকে আছে। মমতাজক লৈ ৰাজনীতি কৰাৰ বাবে মমতাজৰ পুত্ৰয়ে কংগ্ৰেছ আৰু বিজেপিক বেয়া পাইছে। নিৰ্বাচনত এনে প্ৰচাৰৰ ওলোটা প্ৰভাৱহে পৰিব। আনহাতে গৌৰৱ গগৈয়ে হিমন্ত বিশ্ব শৰ্মা জেলত যাব লাগিব বুলি কৰা দাবীকো নস্যাৎ কৰি কয়- মই জেল যাবলৈ সাজু আছো। তাৰ লগত নিৰ্বাচনৰ কি সম্পৰ্ক আছে। ইয়াৰ মাজতে অখিল গগৈৰ প্ৰতিবাদ সন্দৰ্ভতো মুখ্যমন্ত্ৰীয়ে কয়, অখিল গগৈয়ে এইবোৰ প্ৰতিবাদ মিছাই কৰি আছে। ক্ষতিপূৰণৰ বাবে কাম চলি আছে। অখিলৰ লগত মোৰ সদায় কথা হৈ আছে। মুখ্যমন্ত্ৰী গৰাকীয়ে আৰু কয় বৰ্তমানলৈ তেওঁ ১৫খন নিৰ্বাচনী সভা কৰিলে। প্ৰতিখন সভাত পৰিবেশ ভাল দেখিছে। নগাঁও লোক সভাৰ আসনখন এইবাৰ বিজেপিৰ হাতলৈ যোৱাতো নিশ্চিত। আৰু এই নিৰ্বাচনৰ পাছত আৰু ৫০ বছৰলৈ অসমত কংগ্ৰেছে চৰকাৰ কৰিব নোৱাৰে। উল্লেখ্য যে মুখ্যমন্ত্ৰীৰ সৈতে প্ৰচাৰ সভাখনত শিক্ষামন্ত্ৰী ৰনোজ পেগু, বিধায়ক ৰমাকান্ত দেউৰীকে প্ৰমোখ্য কৰি কেবাজনো বিধায়ক উপস্থিত থাকে।

## দেৱাশিস শৰ্মাই আজমলৰ বিৰুদ্ধে

আজমলে কয় যে নগাঁৰৰ ৰাইজে তেওঁক ১০ লাখ ভোটৰ ব্যৱধানত জয়যুক্ত কৰি দেৱাশিস শৰ্মাৰ বদলা ল'ব। আজমলে লগতে কয় যে আগন্তুক উপ-নিৰ্বাচনত তেওঁৰ প্ৰতিদ্বন্দ্বিতা কেৱল বিজেপিৰ সৈতে নহয়, কংগ্ৰেছৰ সৈতেও হ'ব। বিজেপি আৰু কংগ্ৰেছ দুয়োটা দলৰ সৈতে নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতা হ'ব বুলি স্পষ্ট কৰে এআইইউডিএফৰ মুৰব্বীগৰাকীয়ে। উল্লেখ্য যে বিজেপিৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাই এআইইউডিএফৰ মুৰব্বী বদৰুদ্দিন আজমলৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰাৰ পাছতে আজমলৰ এই প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে। নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি বিভিন্ন ৰাজনৈতিক দলৰ মাজত বাকযুদ্ধও তীব্ৰতৰ হৈ পৰিছে।

## অন্ধ্ৰ প্ৰদেশৰ ঔষধ কাৰখানাত ভয়াবহ

কাৰখানাৰ ভিতৰত আবদ্ধ হৈ পৰে। ঘটনাৰ খবৰ পোৱাৰ লগে লগে উদ্ধাৰ আৰু সাহায্যকাৰী দল ঘটনাস্থলীত উপস্থিত হয়। আহতসকলক লগে লগে চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। সংবাদ অনুসৰি, "টিল হেল্‌থকেয়াৰ" নামৰ ঔষধ কোম্পানীটোত এই বিস্ফোৰণ ঘটে, যাৰ ফলত কাৰখানাত ভয়াবহ অগ্নিকাণ্ডই দেখা দিয়ে। থিতাতে দুজন শ্ৰমিকৰ মৃত্যু হয়; আন কেইবাজনো গুৰুতৰভাৱে আহত হয়। ততাতৈয়াকৈ আহতসকলক তড়া হাস্পতাললৈ লৈ যোৱা হয় আৰু তাতেই আৰু দুজনৰ মৃত্যু ঘটে। পাছলৈ আন এজন লোকৰো মৃত্যু হোৱা বুলি জানিব পৰা যায়। নিহতসকলৰ ভিতৰত সত্যবেদু মণ্ডলৰ চেৰিবি গাঁৱৰ চিন্না মস্তান ((৪৫)) আৰু তামিলনাডুৰ মাদাৰাপকমৰ ৰমেশ (৪৫) বুলি দুজনৰ পৰিচয় উদ্ধাৰ হৈছে। বাকী নিহত আৰু আহত কেইবাজনৰ পৰিচয় এতিয়াও নিশ্চিত হোৱা নাই। শ্ৰী চিটীৰ ব্যক্তিগত কাৰখানাত সংঘটিত এই দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা শ্ৰমিকসকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰিছে অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডু আৰু শিক্ষা তথা তথ্য-প্ৰযুক্তি মন্ত্ৰী নাৰা লোকেশে। তেওঁলোকে নিহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে বিদেহী আত্মাৰ শান্তিৰ বাবে প্ৰাৰ্থনা জনায়। দুৰ্ঘটনাত গুৰুতৰভাৱে আহতসকলক সম্ভৱপৰ শ্ৰেষ্ঠ চিকিৎসা নিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডুৱে বিষয়াসকলক নিৰ্দেশ দিছে। মন্ত্ৰী নাৰা লোকেশে কয় যে ভুক্তভোগী পৰিয়ালসমূহৰ সৈতে চৰকাৰে সকলো প্ৰকাৰে থিয় দিব।

## এছিয়ান গেমছৰ পুৰুষ ক্ৰিকেটত

অনুসৰণ কৰি পাকিস্তানে ২০ অভাৰত ৬ উইকেট হেৰুৱাই ১৯২ ৰানহে কৰিব পাৰে। ফলত ভাৰতে ১৯ ৰানত জয় লাভ কৰে। পাকিস্তানৰ হৈ হাছান নৱাজে ৯৬ ৰানৰ ইনিংছ খেলি শেষ পৰ্যন্ত যুঁজিছিল যদিও দলটোক জয়ৰ সোৱাদ দিব নোৱাৰিলে। উল্লেখ্য, ইয়াৰ পূৰ্বে ভাৰতীয় মহিলা ক্ৰিকেট দলে ফাইনেলত শ্ৰীলংকাক পৰাস্ত কৰি স্বৰ্ণ পদক লাভ কৰিছিল। এতিয়া পুৰুষ দলেও পাকিস্তানক ১৯ ৰানত পৰাস্ত কৰি সোণালী ইতিহাস ৰচনা কৰিলে। এই সাফল্যৰ লগে লগে এছিয়ান গেমছত ভাৰতৰ স্বৰ্ণ পদকৰ সংখ্যা ১৯ত উপনীত হৈছে। সামগ্ৰিকভাৱে ভাৰতৰ পদক সংখ্যা ৮১লৈ বৃদ্ধি পাইছে।

## আজমলৰ বিৰুদ্ধে বিজেপি প্ৰাৰ্থী

বৰ্তমান বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ ওপৰত দোষাৰোপ কৰি এআইইউডিএফ প্ৰাৰ্থী বদৰুদ্দিন আজমলে বিস্ফোৰক মন্তব্য কৰিছিল। ইয়াৰ প্ৰত্যুত্তৰত দেৱাশিস শৰ্মাই আজমলৰ বিৰুদ্ধে আইনী পথত গৈছে। শনিবাৰে নগাঁও সদৰ আৰক্ষী থানাত বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাই এখন এজাহাৰ দাখিল কৰে। অভিযোগ অনুসৰি, এখন ৰাজহুৱা সভাত আৰু সামাজিক মাধ্যমত প্ৰচাৰিত এক ভিডিঅ' বাৰ্তাত আজমলে বিদেশী ঘোষিত মমতাজ বেগম আৰু জাহানাৰা বেগমক হত্যা কৰাৰ অভিযোগ তুলি দেৱাশিস শৰ্মাক জড়িত কৰাৰ চেষ্টা কৰিছিল। এজাহাৰ দাখিল কৰি দেৱাশিস শৰ্মাই কয়, "কেৱল নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ উদ্দেশ্যে আজমলে নিকৃষ্ট ৰাজনীতি আৰম্ভ কৰিছে। বিদেশী ন্যায়াধিকৰণৰ ৰায় জিলা আয়ুক্ত হিচাপে মই পালন কৰিছিলোঁ। জিলা আয়ুক্ত হিচাপে মই নিজাববীয়াকৈ কোনো পুচবেকৰ নিৰ্দেশ দিয়া নাছিলোঁ। সেই বিষয়ক লৈ এতিয়া বদৰুদ্দিন আজমলে নিকৃষ্ট ৰাজনীতি আৰম্ভ কৰিছে। মোক হত্যাকাৰী সজাই অপপ্ৰচাৰ চলাইছে। মমতাজ আৰু জাহানাৰাৰ প্ৰতি যদি আজমলৰ ইমানেই দৰদ আছিল, তেন্তে তেতিয়া কিয় আপত্তি কৰা নাছিল? এতিয়া নিৰ্বাচনৰ সময়ত সেই বিষয়কেই ইছ্যু কৰি ভিত্তিহীন প্ৰচাৰ চলাইছে।" তেওঁ লগতে কয়, "বদৰুদ্দিন আজমলক এগৰাকী মৌলানা হিচাপে মই যথেষ্ট সন্মান কৰিছিলোঁ। তেওঁৰ দৰে ব্যক্তিয়ে ইমান মিছাৰ আশ্ৰয় ল'ব পাৰে বুলি ভবা নাছিলোঁ। কেৱল চল-প্ৰৱঞ্চনাৰে নিৰ্বাচন জয়ী হ'ব বিচাৰিছে আজমলে।" ইপিনে, বিদেশী ঘোষিত হোৱাৰ পিছত ডিটেনশ্বন কেম্পলৈ প্ৰেৰণ কৰা মমতাজ বেগম আৰু জাহানাৰা বেগমৰ নাম লৈ এআইইউডিএফ আৰু কংগ্ৰেছে ৰাজনীতি কৰা বুলি অভিযোগ উত্থাপন কৰিছে মমতাজ বেগমৰ পুত্ৰই। মাতৃক ঘূৰাই অনাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সহায় বিচাৰি তেওঁ কয়, "মোৰ মাতৃক ঘূৰাই অনাত মুখ্যমন্ত্ৰীয়ে সহায় কৰক। কিন্তু মোৰ মাতৃক লৈ কংগ্ৰেছ বা এআইইউডিএফে ৰাজনীতি কৰাটো ভাল নহয়। নিৰ্বাচনৰ সময়ত মোৰ মাক লৈ ৰাজনীতি কৰা কংগ্ৰেছ বা এআইইউডিএফে আমাক কেতিয়াও সহায় কৰা নাই। মোৰ মাক লৈ ৰাজনীতি কৰা দলবোৰে ন্যায় দিয়াতো কোনোদিনে সহায় কৰা নাছিল।" প্ৰসংগত উল্লেখ্য, নগাঁও জিলাৰ জুৰীয়াৰ ধিং গাঁৱৰ তয়ুব আলীৰ কন্যা মমতাজ বেগম আৰু বগুৰীগুৰি গাঁৱৰ আব্দুল মতালিবৰ কন্যা জাহানাৰা বেগমৰ বিৰুদ্ধে জুৰীয়াৰ বিদেশী ন্যায়াধিকৰণত ৰুজু হৈছিল দুটা গোচৰ। ২০১৬ চনত জাহানাৰা বেগমৰ বিৰুদ্ধে ৩১২/২০১৬ নম্বৰত আৰু মমতাজ বেগমৰ বিৰুদ্ধে ৩৫৪/১৫ নম্বৰত গোচৰ ৰুজু হৈছিল। দুয়োটা গোচৰৰ ভিত্তিত ২০১৯ চনত বিদেশী ন্যায়াধিকৰণে দুয়োগৰাকীক বিদেশী ঘোষণা কৰে। পিছত বিদেশী ন্যায়াধিকৰণৰ ৰায়ক প্ৰত্যাহ্বান জনাই দুয়োগৰাকী মহিলাৰ পৰিয়ালে গুৱাহাটী উচ্চন্যায়ালয়ত লেখ আবেদন দাখিল কৰে। WPC/7546/২০১৯ নম্বৰৰ আবেদনৰ ভিত্তিত গুৱাহাটী উচ্চ ন্যায়ালয়ে ২০২৬ বৰ্ষৰ ২৪ এপ্ৰিলত এক আদেশ দিয়ে। কিন্তু বিদেশী ন্যায়াধিকৰণে দুয়োগৰাকী মহিলাক হাজিৰ হোৱাৰ নিৰ্দেশনা জাৰি কৰি বিদেশী ঘোষণা কৰিয়েই ডিটেনশ্বন কেম্পলৈ প্ৰেৰণ কৰে। দুগৰাকী মহিলাৰ পৰিয়ালে তেওঁলোকৰ পূৰ্বপুৰুষলৈকে ভাৰতীয় নাগৰিক বুলি দাবী কৰিছে। বিদেশী ঘোষিত জাহানাৰা বেগমৰ ১৯৯৮ চনত ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত হৈছিল যদিও 'ডি' ভোটাৰ হিচাপে অন্তৰ্ভুক্ত হোৱাৰ পিছত তেওঁ এবাৰো নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিব পৰা নাছিল। এই ঘটনাই নগাঁও উপ-নিৰ্বাচনৰ ৰাজনীতি তীব্ৰ কৰি তুলিছে। এফালে বিজেপি প্ৰাৰ্থীয়ে আজমলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিছে, আনফালে মমতাজ বেগমৰ পুত্ৰই দুই বিৰোধী দলক তেওঁলোকৰ মাতৃৰ নাম লৈ ৰাজনীতি নকৰিবলৈ আহ্বান জনাইছে।

## তেজপুৰ বিশ্ববিদ্যালয়ত ধ্ৰুপদী

বিশ্ব শৰ্মাই আদৰণি জনাইছে। এই পদক্ষেপৰ জৰিয়তে অসমীয়া ভাষাৰ গৱেষণা, ডিজিটেলাইজেচন, সংৰক্ষণ আৰু প্ৰসাৰ অধিক শক্তিশালী হ'ব বুলি তেওঁ মন্তব্য কৰে। উল্লেখ্য, ধ্ৰুপদী অসমীয়া, বাংলা, পালি, মাৰাঠী আৰু প্ৰাকৃত ভাষাৰ অধ্যয়নৰ বাবে পাঁচটা উৎকৰ্ষ কেন্দ্ৰ স্থাপনৰ সিদ্ধান্তক কেন্দ্ৰীয় শিক্ষা মন্ত্ৰণালয়ে অনুমোদন জনাইছে। আনুষ্ঠানিক জাননী অনুসৰি এই কেন্দ্ৰসমূহে সংশ্লিষ্ট ধ্ৰুপদী ভাষাসমূহৰ শৈক্ষিক গৱেষণা, ডিজিটেলাইজেচন, ঐতিহ্য সংৰক্ষণ আৰু প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। শিক্ষা মন্ত্ৰণালয়ৰ এই ঘোষণা সামাজিক মাধ্যমত শ্বেয়াৰ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, "প্ৰতিগৰাকী অসমীয়াৰ বাবে, অসমৰ বাবে, সমগ্ৰ ভাৰত আৰু সমগ্ৰ বিশ্বৰ বাবে এয়া এক গৌৰৱৰ মুহূৰ্ত।" অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ পাছত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সৈতে ভাষাটোৰ অধ্যয়নৰ বাবে এটা সমৰ্পিত কেন্দ্ৰ স্থাপনৰ দিশত কাম আৰম্ভ কৰিছিল বুলিও তেওঁ স্মৰণ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয়, "এই কেন্দ্ৰটোৱে আমাৰ চহকী ভাষিক আৰু সাহিত্যিক ঐতিহ্যৰ গৱেষণা, ডিজিটেলাইজেচন, সংৰক্ষণ আৰু প্ৰসাৰক শক্তিশালী কৰিব। ইয়াৰ জৰিয়তে আমাৰ ভাষাৰ গৌৰৱ আগন্তুক প্ৰজন্মৰ মাজলৈ লৈ যোৱা সম্ভৱ হ'ব।" এই সিদ্ধান্তৰ বাবে তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় শিক্ষামন্ত্ৰী প্ৰহ্লাদ যোশীক ধন্যবাদ জ্ঞাপন কৰে। ইপিনে, এই পদক্ষেপক আদৰণি জনাই তেজপুৰ বিশ্ববিদ্যালয়ে শনিবাৰে প্ৰকাশ কৰা এক বিবৃতিত জানায় যে এই উৎকৰ্ষ কেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়খনে এটা দশকৰো অধিক সময় ধৰি চলোৱা কামৰ ওপৰত আধাৰিত। বিশ্ববিদ্যালয়খনত ২০১১ চনত স্থাপিত অসমীয়া অধ্যয়ন কেন্দ্ৰই বিৰল সাঁচিপাতৰ পাণ্ডুলিপি, অসমীয়া সাহিত্যিক ৰচনাৰ প্ৰাৰম্ভিক সংস্কৰণ, ব্যক্তিগত দিনলিপি তথা বিশিষ্ট সাহিত্যিক আৰু সাংস্কৃতিক ব্যক্তিসকলৰ হাতেলিখা পাণ্ডুলিপিকে ধৰি প্ৰায় ৪ হাজাৰ পুৰণি অসমীয়া পাণ্ডুলিপি আৰু ছপা গ্ৰন্থ ডিজিটেলাইজ কৰাৰ বৃহৎ প্ৰকল্প হাতত লৈছিল। ইয়াৰোপৰি ২০১৯ চনত স্থাপিত অসমীয়া বিভাগে পৰৱৰ্তী সময়ত অসমীয়া অধ্যয়ন কেন্দ্ৰৰ বৰ্তমানৰ সুবিধাসমূহ অন্তৰ্ভুক্ত কৰে। নতুন উৎকৰ্ষ কেন্দ্ৰটোৱে বৰ্তমানৰ শৈক্ষিক সুবিধা আৰু শক্তিসমূহক অধিক সুদৃঢ় কৰাৰ লগতে অসমীয়া ভাষা-সাহিত্যৰ ধ্ৰুপদী মাত্ৰাসমূহৰ গৱেষণাৰ সম্প্ৰসাৰণৰ বাবে এক প্ৰতিষ্ঠানিক মঞ্চ প্ৰদান কৰিব বুলি আশা কৰা হৈছে। বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ মতে, এই দায়িত্বই তেজপুৰ বিশ্ববিদ্যালয়ৰ পাণ্ডুলিপি অধ্যয়ন, পাঠ সমালোচনা, ডিজিটেলাইজেচন, আৰ্কাইভ সংৰক্ষণ, গৱেষণা, অনুবাদ আৰু প্ৰচাৰৰ ক্ষেত্ৰত থকা বিশেষজ্ঞ সমলৰ সৈতে ঘনিষ্ঠভাৱে সংগতিপূৰ্ণ হ'ব। তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰ'-উপাচাৰ্য অমৰেন্দ্ৰ কুমাৰ দাসে এই কৃতিত্বৰ বাবে বিশ্ববিদ্যালয় পৰিয়ালক অভিনন্দন জনোৱাৰ লগতে কেন্দ্ৰীয় শিক্ষা মন্ত্ৰণালয়ৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে।

## এছিয়ান গেমছত বিশ্ব চেম্পিয়নক

পদক লাভ কৰিছিল। মল্লযুঁজৰ নিয়ম অনুসৰি মেচ ৬ মিনিটৰ, ৩ মিনিটকৈ দুটা ৰাউণ্ডত বিভক্ত। আৰম্ভণিতে অমনে ২-০ ব্যৱধানত অগ্ৰগতি লয় আৰু প্ৰথম তিনি মিনিটৰ শেষত কোৰিয়াৰ প্ৰতিদ্বন্দ্বীতকৈ আগত থাকে। কিন্তু দ্বিতীয় ৰাউণ্ডত চং ছঙে আক্ৰমণাত্মক খেল প্ৰদৰ্শন কৰে। চতুৰ্থ আৰু পঞ্চম মিনিটত তেওঁ চাপ বঢ়ায়; অমন কিছু ভাগৰুৱা যেন দেখুৱায়। মেচ শেষ হ'বলৈ এক মিনিট থাকোঁতে চং ছঙে ৭-৬ ব্যৱধানত আগবাঢ়ে। তথাপি শেষ মুহূৰ্তত অমনে দুৰ্দান্ত মনোবল দেখুৱায়। চং ছঙৰ আক্ৰমণৰ সুযোগ লৈ তেওঁ প্ৰত্যাক্ৰমণ আৰম্ভ কৰে আৰু টেকডাউনৰ জৰিয়তে দুটা গুৰুত্বপূৰ্ণ পইণ্ট লাভ কৰে। উত্তৰ কোৰিয়াৰ দলে ৰেফাৰীৰ সিদ্ধান্তক চেলেঞ্জ কৰিছিল যদিও সেই চেলেঞ্জ বিফল হয়। শেষত অমন ছেহৰাৱতে ১১-৭ ব্যৱধানত মেচখন জয় কৰি স্বৰ্ণ পদক নিশ্চিত কৰে।

## ডিচেম্বৰ বা জানুৱাৰীত উদ্বোধন

মাহত কৰা হ'ব। উদ্বোধনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক নিমন্ত্ৰণ জনোৱা হ'ব। এই প্ৰকল্পত প্ৰতিদিনে প্ৰায় ৪৮ মিলিয়ন ছেমিকণ্ডাক্টৰ উৎপাদন হ'ব, যিটো বিশ্বৰ ভিতৰতে ডাঙৰ আৰু সৰ্বাধিক উৎপাদন কৰা কেন্দ্ৰ হিচাপে পৰিগণিত হ'ব। জাগীৰোড ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ উদ্বোধন দেশৰ বাবে গৌৰৱৰ ক্ষণ হ'ব।" উল্লেখ্য, ১৭০ একৰ ভূমিত প্ৰায় ২৭ হাজাৰ কোটি টকা ব্যয়েৰে জাগীৰোডত ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ নিৰ্মাণ কাৰ্য চলি আছে। প্ৰকল্পটো সম্পূৰ্ণ হ'লে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে ৩০ হাজাৰ লোকে কৰ্মসংস্থাপন লাভ কৰিব বুলি আশা কৰা হৈছে। দক্ষিণ-পূব এছিয়া আৰু আছিয়ান দেশসমূহৰ দুৱাৰমুখ হিচাপে পৰিচিত অসমত চিপ ডিজাইন, ফেব্ৰিকেশন, পেকেজিং আৰু পৰীক্ষণক সামৰি এখন সম্পূৰ্ণ সফল ছেমিকণ্ডাক্টৰ উদ্যোগ গঢ়ি তুলিব পাৰিলে ৰাজ্য তথা দেশৰ অৰ্থনীতিলৈ এক আশাৰ বাৰ্তা কঢ়িয়াই আনিব বুলি অনুমান কৰা হৈছে।

## জন্মদিনত গোৱালপৰীয়া

ব্ৰহ্মপুত্ৰৰ সোঁত আৰু জনজীৱনৰ সুখ-দুখৰ অজস্ৰ অনুভৱ পোৱা যায় বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে কয় যে হস্তীৰ কন্যা হিচাপে খ্যাত শিল্পীগৰাকীয়ে লোকগীতক কেৱল গীত হিচাপে নহয়, বৰঞ্চ অসমৰ লোকজীৱন আৰু সংস্কৃতিৰ অমূল্য সম্পদ হিচাপে প্ৰতিষ্ঠা কৰি থৈ গৈছে। তেওঁৰ সুৰে প্ৰজন্মৰ পিছত প্ৰজন্মক আজিও সমৃদ্ধ কৰি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

# নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ দৌলাশালত আজি মুকলি কৰা হয় হীৰা ইভি মটৰচ

**অসম বাৰ্তা, দৌলাশাল, ৩ অক্টোবৰ ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ দৌলাশালত আজি মুকলি কৰা হয় এটি ইলেক্ট্ৰনিক দুচকীয়া বাহনৰ হীৰা ইভি মটৰচ নামৰ শ্ব'ৰুম। অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ উপস্থিতিত উদ্বোধন কৰা হয় শ্ব'ৰুমটো। দৌলাশালৰ উদীয়মান যুৱক দুই ভাতৃ তপন নাথ আৰু অৰূপ নাথৰ প্ৰচেষ্টাত দৌলাশাল নতুন চ'ক বজাৰত মুকলি কৰা হয় শ্ব'ৰুমটো। শ্ব'ৰুমটো উদ্বোধন কৰে বৰপেটা জিলাৰ সৰ্থেবাৰীৰ ভকুৱাটেপা গাঁৱৰ বিশিষ্ট সমাজকৰ্মী হৰিপদ নাথে আৰু নাৰিকল ভাঙি শুভাৰম্ভ কৰে দৌলাশাল গাঁৱৰ ফলেন্দ্ৰ নাথে। ইলেক্ট্ৰনিক স্কুটি খুব ক'ম ডাউন পেমেণ্টতেত ইএমআইত উপলদ্ধ হ'ব বুলি শ্ব'ৰুমৰ স্বত্বাধিকাৰী দুই ভাতৃয়ে উল্লেখ কৰে।

# তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাত বন অধিকাৰ আইন, ২০০৬ৰ অধীনত এফ.আৰ.এ. পট্টা বিতৰণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৩ অক্টোবৰ ঃ** ২ অক্টোবৰৰ বিশেষ অভিযানৰ অংশ হিচাপে বন অধিকাৰ আইন, ২০০৬ৰ অধীনত তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা সমজিলাৰ কুমচাই গাঁও পঞ্চায়তৰ খাৰাংকং প্ৰেক্ষাগৃহত এক পট্টা বিতৰণ অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত সোণালী জনজাতি বনগাঁৱৰ ১০গৰাকী যোগ্য হিতাধিকাৰীক আনুষ্ঠানিকভাৱে এফ. আৰ. এ.(FRA) পট্টা বিতৰণ কৰা হয়। অনুষ্ঠানত মাৰ্ঘেৰিটাৰ সম-জিলা আয়ুক্ত কে.এন চন্দনা জাহ্নৱী, ডিগবৈৰ বন সংমণ্ডল বিষয়া ৰোহিনী কুমাৰ দাস, সংহত জনজাতি উন্নয়ন প্ৰকল্পৰ বিষয়াসকল, জিলা বন অধিকাৰ আইন (FRA) কোষ, তিনিচুকীয়াৰ বিষয়া-কৰ্মচাৰী, লগতে কুমচাই গাঁও পঞ্চায়তৰ সভাপতি, সম্পাদক আৰু সদস্যসকল উপস্থিত থাকে। পট্টা লাভ কৰি হিতাধিকাৰীসকলে সন্তুষ্টি প্ৰকাশ কৰে। অনুষ্ঠানত উপস্থিত বিষয়াসকলে বন অধিকাৰ আইনখনৰ সঠিক ৰূপায়ণ আৰু যোগ্য হিতাধিকাৰীসকলৰ অধিকাৰ সুনিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে, বন অধিকাৰ আইন, ২০০৬ৰ অধীনত যোগ্য দাবীদাৰসকলক সময়মতে অধিকাৰৰ স্বীকৃতি প্ৰদান আৰু পট্টা বিতৰণৰ লক্ষ্যৰে জিলা প্ৰশাসনে এই বিশেষ অভিযান গ্ৰহণ কৰিছে। আজিৰ এই অনুষ্ঠানটোৱে প্ৰশাসন, বন বিভাগ, সংহত জনজাতি উন্নয়ন প্ৰকল্প, পঞ্চায়ত প্ৰতিনিধি আৰু জিলা FRA কোষৰ সমন্বয়ৰ জৰিয়তে তৃণমূল পৰ্যায়ত আইনখনৰ সফল ৰূপায়ণৰ এক ইতিবাচক দিশ প্ৰতিফলিত কৰে।

# নগাঁৱৰ বামুণীত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নিজাম আহমেদৰ দেহাৱসান

**অসম বাৰ্তা, নগাঁও, ৩ অক্টোবৰ ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত বামুণীৰ বিশিষ্ট সমাজসেৱক তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নিজাম আহমেদৰ শুকুৰবাৰে নিশা গুৱাহাটীত চিকিৎসাধীন অৱস্থাত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৩ বছৰ। জানিব পৰা মতে, কিছুদিন ধৰি শাৰীৰিক অসুস্থতাত ভুগি থকা নিজাম আহমেদ ঘৰতে চিকিৎসাধীন হৈ আছিল। বৃহস্পতিবাৰে স্বাস্থ্যৰ অৱনতি ঘটাত পৰিয়ালৰ লোকে তেওঁক ততাতৈয়াকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰায়। কিন্তু শুকুৰবাৰে সন্ধিয়াৰ ভাগত তেওঁৰ স্বাস্থ্যৰ অধিক অৱনতি ঘটে আৰু নিশা শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে বামুণীৰ নিজ বাসগৃহত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শুভাকাংক্ষী আৰু গুণমুগ্ধসকলৰ ভিৰ পৰিলক্ষিত হয়। এগৰাকী মেধাৱী শিক্ষক হিচাপে পৰিচিত নিজাম আহমেদে বঢ়মপুৰ শ্বহীদ স্মৃতি আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ ১৯৮৪ চনত শিক্ষকতা জীৱনৰ পাতনি মেলে। ১৯৮৪ চনতে নগাঁও জিলাৰ ৰূপহী শিক্ষাখণ্ডৰ অন্তৰ্গত ধনতুলা প্ৰাথমিক বিদ্যালয়ত শিক্ষক হিচাপে যোগদান কৰি দীৰ্ঘদিন ধৰি অঞ্চলটোত শিক্ষাৰ পোহৰ বিলোৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। পৰৱৰ্তী সময়ত ২০১১ চনত বিভাগীয় নিৰ্দেশমৰ্মে মূৰ্গীলাড়াই প্ৰাথমিক বিদ্যালয়লৈ বদলি হৈ আহি প্ৰধান শিক্ষক হিচাপে দায়িত্ব গ্ৰহণ কৰে। প্ৰায় ৪০ বছৰীয়া শিক্ষকতা জীৱনৰ অন্ত পেলাই ২০২৩ চনৰ ৩১ জুলাইত মূৰ্গীলাড়াই প্ৰাথমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ পিছতো তেওঁ সামাজিক কাম-কাজৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ থাকে। নিজাম আহমেদে বামুণী মছজিদ কমিটীৰ সভাপতি হিচাপে দায়িত্ব পালন কৰাৰ লগতে বামুণী সৰ্বজনীন দুৰ্গা মন্দিৰৰ কাৰ্যকৰী সদস্য, পুৰণিগুদাম আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সদস্য হিচাপেও সেৱা আগবঢ়াইছিল। ইয়াৰ উপৰি অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতেও তেওঁ ওতপ্ৰোতভাৱে জড়িত আছিল। তেওঁৰ মৃত্যুত বামুণী তথা সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই পুত্ৰ, এগৰাকী কন্যা সন্তানসহ বহু আত্মীয়-স্বজন আৰু গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়। শনিবাৰে বামুণী আঞ্চলিক কবৰস্থানত সহস্ৰাধিক লোকৰ উপস্থিতিত তেওঁৰ জানাজা সম্পন্ন কৰা হয়।

### ৰাষ্ট্ৰপতিলৈ স্মাৰক-পত্ৰ প্ৰেৰণ মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ

# ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্ত অপসাৰণৰ দাবী

**অসম বাৰ্তা, লীলাবাৰী, ৩ অক্টোবৰ ঃ** দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ যাদৱৰ একপক্ষীয় আৰু স্বৈৰাচাৰী কাৰ্যকলাপৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে মানৱ অধিকাৰ সংগ্ৰাম সমিতি। আজি লখিমপুৰ জিলা আয়ুক্তৰ জৰিয়তে ভাৰতৰ ৰাষ্ট্ৰপতিলৈ এক স্মাৰকপত্ৰ প্ৰেৰণ কৰে সংগঠনটোৱে। স্মাৰকপত্ৰখনত উল্লেখ কৰা অনুসৰি, ছেপ্টেম্বৰ মাহৰ ২৩ তাৰিখে 'দ্য ইণ্ডিয়ান এক্সপ্ৰেছ' কাকতৰ মুখ্য পৃষ্ঠাত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ যাদৱৰ একাধিক বিসংগতিপূৰ্ণ আৰু একপক্ষীয় সিদ্ধান্তৰ বিশদ খতিয়ান প্ৰকাশ পাইছিল। এই খবৰে দেশৰ সাধাৰণ নাগৰিকৰ মাজত নিৰ্বাচন আয়োগৰ নিৰপেক্ষতাৰ প্ৰতি গভীৰ সন্দেহ আৰু শংকাৰ সৃষ্টি কৰিছে বুলি সংগঠনটোৱে অভিযোগ উত্থাপন কৰে। ইয়াৰ ফলত দেশৰ যুৱ সমাজেও বিভিন্ন মাধ্যমৰ জৰিয়তে আয়ুক্তগৰাকীৰ কাৰ্যকলাপৰ প্ৰতি অনাস্থা প্ৰকাশ কৰি গণতান্ত্ৰিক প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। সংগঠনটোৰ তৰফৰ পৰা স্পষ্টভাৱে দাবী জনোৱা হৈছে যে নিৰ্বাচন আয়োগৰ দৰে এখন স্বতন্ত্ৰ সৰ্বোচ্চ সাংবিধানিক প্ৰতিষ্ঠানৰ ওপৰত জনসাধাৰণৰ হেৰুৱা বিশ্বাস ঘূৰাই আনিবলৈ হ'লে এই ক্ষিপ্ৰ পদক্ষেপ গ্ৰহণ কৰাটো অতি জৰুৰী। সেইমৰ্মে, জ্ঞানেশ কুমাৰ যাদৱক মুখ্য নিৰ্বাচন আয়ুক্তৰ পদৰ পৰা তৎকালে অপসাৰণ কৰিবলৈ মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় মুখ্য উপদেষ্টা আদিত্য লহকৰ, অধ্যক্ষ বুবুমণি গোস্বামী আৰু সচিব ৰাজু সিংহই ৰাষ্ট্ৰপতিৰ পোনপটীয়া হস্তক্ষেপ কামনা কৰিছে।

### বৰপেটাৰোডৰ বিশিষ্ট সাহিত্যিক, কবি সমীৰ চক্ৰৱৰ্তী লৈ শিক্ষক প্ৰকাশন সংস্থা অসমৰ 'সাহিত্য সুৰভি বঁটা'ৰে সন্মানীত

**অসম বাৰ্তা, বৰপেটাৰোড, ৩ অক্টোবৰ ঃ** শিক্ষক প্ৰকাশন সংস্থা, অসম গুৱাহাটীৰ সোণাপুৰৰ ডিমৰীয়া ভৱনত দিনজোৰা কাৰ্যসূচীৰে এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান অনুষ্ঠিত হয়। সভাত শদিয়াৰ পৰা আৰম্ভ কৰি নামনি অসমৰ ভালেখিনি জিলাক সাঙুৰি সমাজলৈ আগবঢ়োৱা বিভিন্ন অনবদ্য সেৱাৰ বাবে ভালেসংখ্যক, শিক্ষক, সমাজসেৱী, শিল্পী, সাহিত্যিক তথা সাংবাদিকক বঁটাৰে পুৰস্কিত কৰে। বৰপেটাৰোডৰ বিশিষ্ট সাহিত্যিক, কবি সমীৰ চক্ৰৱৰ্তী লৈ শিক্ষক প্ৰকাশন সংস্থা অসমৰ "সাহিত্য সুৰভি বঁটা"ৰে সন্মানীত কৰে। সুদীৰ্ঘকাল সাহিত্য তথা সাংবাদিকতা জীৱনৰ অনবদ্য অবদান আৰু বৌদ্ধিক সততাক শ্ৰদ্ধা জনাই, 'শিক্ষক প্ৰকাশন সংস্থা, অসম'এ অতি গৌৰৱেৰে ২০২৬ বৰ্ষৰ "সাহিত্য সুৰভি বঁটা" আগবঢ়াইছে। অনুষ্ঠানটি আঁতধৰে শিক্ষক প্ৰকাশন সংস্থা, অসমৰ সম্পাদক মৃদুল শইকীয়া আঁতধৰা অনুষ্ঠানটিত পঞ্চমী দাসে বন্তি প্ৰজ্বলনৰ উৰুলি দি অনুষ্ঠানটি মুখৰিত কৰে। শিৱসাগৰ কুশল কোঁৱৰ কলেজৰ প্ৰৱক্তা ড° বিদ্যানন্দ বৰকাকতিয়ে গ্ৰন্থ উন্মোচন কৰি অনুষ্ঠান আৰু গ্ৰন্থখনৰ আলোকপাত কৰে। এই সভাতেই অসমৰ বিভিন্ন জিলাৰ পৰা বাছনি কৰি শিক্ষক, সাহিত্যিক, শিল্পী, সমাজসেৱী তথা সাংবাদিকক বঁটাৰে সন্মানীত কৰে যাতে অনাগত দিনৰ বাবে আৰু অধিক কাম কৰাৰ বাবে অনুপ্ৰেৰণা পায়। ইয়াৰ উপৰি বৰবিলাৰ অৱসৰী শিক্ষক তথা হোমিওপেথি চিকিৎসক ৰতিকান্ত ডেকা আৰু শিক্ষাবিদ জিতেন নাথক "সাহিত্য সমৃদ্ধি বঁটা", নগাঁও লক্ষ্মী পাঠক "সাহিত্য সুৰভি বঁটা" আৰু সাংবাদিক সেখ ৰহমত উল্লাহক "সত্যনিষ্ঠ সাংবাদিকতা বঁটা"ৰে সন্মানীত কৰে।

### ইণ্ডিজেনাচ পি'পল অব ম্যুঙ ডুন চুন খামৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস সম্পন্ন

**অসম বাৰ্তা, চেলেংহাট, ৩ অক্টোবৰ ঃ** যোৰহাট জিলাৰ মৰিয়নি সমষ্টিৰ নকছাৰীৰ মগ্ৰে গাঁৱৰ প্ৰেক্ষাগৃহত খিলঞ্জীয়া ভূমি পুত্ৰ সকলৰ এক মৰ্য্যদাপূৰ্ণ সংগঠন ইণ্ডিজেনাচ পি'পল অব ম্যুঙ ডুন চুন খামৰ পঞ্চবাৰ্ষিক প্ৰতিষ্ঠা দিৱসভাগী যোৱা শনিবাৰে দিনজোৰা কাৰ্যসূচীৰে সম্পন্ন হয়। পুৱা মগ্ৰে গাঁৱৰ নামঘৰ পৰিচালনা সমিতিৰ সভাপতি অতুল গগৈয়ে বন্তি প্ৰজ্বলন, গাঁৱৰে অৰুণ গগৈয়ে বৃক্ষ ৰোপণ আৰু অনুষ্ঠানটোৰ কাৰ্যকৰী অধ্যক্ষ খগেন্দ্ৰজিৎ ঠাকুৰীয়াই পতাকা উত্তোলন কৰি কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছতে সাংস্কৃতিক অনুষ্ঠানত দীপাংকৰ বৰুৱাৰ পৰিচালনা আৰু প্ৰদীপ গগৈৰ সহ পৰিচালনাত লাই লুং খাম নৃত্য পৰিবেশন কৰে শিল্পীসকলে। এই অনুষ্ঠানত বৰগীত আৰু লোকগীত পৰিবেশন কৰে ক্ৰমে নিহা গগৈ আৰু আৰাধ্যা গগৈয়ে। ইয়াৰ পিছতে খিলঞ্জীয়াৰ অধিকাৰ, সুৰক্ষা আৰু আন্তঃৰাষ্ট্ৰীয় খিলঞ্জীয়া লোকৰ অধিকাৰ চনদ ২০০৭ এই বিষয়ত মাহমৰা দিপলিং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসপ্ৰাপ্ত অধক্ষ্য প্ৰিয়বৰ কোঁৱৰৰ সঞ্চালনাত অনুষ্ঠিত আলোচনা চক্ৰ খনি উপস্থাপন কৰে অনুষ্ঠানটোৰ মুখ্য উপদেষ্টা নীলাম্বৰ গগৈয়ে। আলোচনা চক্ৰখনত মুখ্য আলোচক হিচাপে অসম মাধ্যমিক শিক্ষা পৰিষদৰ অৱসপ্ৰাপ্ত সচিব কমলজ্যতি গগৈ, আলোচক হিচাপে যাদৱ দুৱৰা, খগেন্দ্ৰজজিত ঠাকুৰীয়াই বিশদ ভাবে আলোচনা কৰে। আলোচনা চক্ৰ খনত বিশিষ্ট অতিথি হিচাপে লোকেন্দ্ৰনাথ বুঢ়াগোহাঁই উপস্থিত থাকে। এই আলোচনা চক্ৰ খনিতেই নীলাম্বৰ গগৈৰ "খিলঞ্জীয়া থলগীৰি সুৰক্ষিত ভৱিষ্যতৰ স্বাৰ্থত আমি ৰাজনৈতিকভাবে সংগঠিত আৰু ঐক্যবদ্ধ হওঁ আহক" শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে সুৰেশ চন্দ্ৰ ৰাজখুৱাই। অৱসৰপ্ৰাপ্ত শিক্ষক উমাছৰণ গগৈৰ "টাই আহোমৰ ৬০০ বছৰীয়া ৰাজত্ব কালৰ চমু বিৱৰণ" শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে মুখ্য আলোচক কমলজ্যোতি গগৈয়ে। দিনটোৰ সমগ্ৰ অনুষ্ঠানটোত অৱসৰপ্ৰাপ্ত শিক্ষক ইন্দ্ৰেশ্বৰ গগৈ, সংগঠনটোৰ সচিব প্ৰধান অনুপ আৰন্ধৰা, সহ সচিব অনুৰঞ্জন দুৱৰাকে ধৰি অসমৰ বিভিন্ন প্ৰান্তৰৰ পাঁচ শতাধিক খিলঞ্জীয়া ৰাইজ উপস্থিত থাকে। আজিৰ এই অনুষ্ঠানতেই অসমীয়া খিলঞ্জীয়া নৱ-প্ৰজন্মৰ ভৱিষৎ সুৰক্ষিত কৰাৰ বাবে সংকল্প গ্ৰহণ কৰে।

### সাংসদ ফণীভূষণ চৌধুৰী আৰু বিধায়িকাৰ উপস্থিতি

# মূলাগাঁও হৰিমন্দিৰ প্ৰাংগনত সেৱা সংকল্প স্বাস্থ্য শিবিৰ সফলতাৰে সম্পন্ন

**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ৩ অক্টোবৰ ঃ** সৰ্বসাধাৰণ ৰাইজৰ পদূলিতেই সুলভ আৰু বিশেষ স্বাস্থ্যসেৱা উপলব্ধ কৰোৱাৰ উদ্দেশ্যে ''সেৱা সংকল্প অভিযান''ৰ অংশ হিচাপে আজি বঙাইগাঁও জিলাৰ মূলাগাঁও হৰিমন্দিৰ প্ৰাংগনত এক বিশেষ 'সেৱা সংকল্প স্বাস্থ্য শিবিৰ' সফলতাৰে আয়োজন কৰা হয়। বৰপেটা সমষ্টিৰ সাংসদ ফণীভূষণ চৌধুৰীয়ে বিধায়িকা দীপ্তিময়ী চৌধুৰী, খণ্ড উন্নয়ন বিষয়া, জিলা যুটীয়া স্বাস্থ্য সঞ্চালক মুখ্য স্বাস্থ্য বিষয়াৰ উপস্থিতিত এই স্বাস্থ্য শিবিৰ উদ্বোধন কৰে। তেওঁলোকৰ উপস্থিতিয়ে শিবিৰত অংশগ্ৰহণ কৰা স্বাস্থ্যকৰ্মী আৰু হিতাধিকাৰীসকলক উৎসাহিত কৰে। এই শিবিৰত নাক-কাণ-ডিঙি (ENT), সাধাৰণ চিকিৎসা (Medicine), চকু ৰোগ (Ophthalmology), স্ত্ৰী ৰোগ আৰু প্ৰসূতি (Gynaecology), দন্ত চিকিৎসা (Dental Surgery), অস্থি ৰোগ (Orthopaedics), সাধাৰণ অস্ত্ৰোপচাৰ (General Surgery) আৰু মানসিক ৰোগ (Psychiatry) এই আঠটা বিভাগৰ বিশেষজ্ঞ চিকিৎসকৰ পৰামৰ্শ তথা চিকিৎসা সেৱা আগবঢ়োৱা হয়। শিবিৰটোত মুঠ ৫১২ গৰাকী বহিৰ্বিভাগীয় (OPD) ৰোগীয়ে চিকিৎসা সেৱা গ্ৰহণ কৰে। এই শিবিৰৰ সফল সমাপনে 'সেৱা সংকল্প অভিযান'ৰ অধীনত সমাজলৈ গুণগত, সুলভ আৰু ব্যাপক স্বাস্থ্যসেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত বঙাইগাঁও জিলা স্বাস্থ্য সমিতি তথা স্বাস্থ্যকৰ্মীসকলৰ প্ৰতিশ্ৰুতি বদ্ধতাকে প্ৰতিফলিত কৰে। জিলা স্বাস্থ্য সমিতিয়ে এই স্বাস্থ্য শিবিৰ সফলতাৰে সম্পন্ন কৰাত উৎসৰ্গীকৃত বৰঙণি আগবঢ়োৱা সকলো বিশেষজ্ঞ চিকিৎসক, চিকিৎসা আৰু পেৰামেডিকেল কৰ্মী, স্বাস্থ্যকৰ্মী, সহায়ক কৰ্মচাৰী আৰু স্থানীয় ৰাইজলৈ আন্তৰিক ধন্যবাদ ও কৃতজ্ঞতা জ্ঞাপন কৰে।

### দুটা গৰুসহ বৃহৎ পৰিমাণৰ গো-মাংস জব্দ; দুজন আটক

# ডবকাত নিষিদ্ধ গো-মাংসৰ বিৰুদ্ধে আৰক্ষীৰ তীব্ৰ অভিযান

**অসম বাৰ্তা, ডবকা, ৩ অক্টোবৰ ঃ** নিষিদ্ধ গো-মাংসৰ ব্যৱসায় আৰু গৰু কটা কাৰ্যৰ বিৰুদ্ধে হোজাই জিলাৰ ডবকা আৰক্ষীয়ে অভিযান তীব্ৰতৰ কৰি তুলিছে। ইয়াৰ অংশ হিচাপে শুকুৰবাৰে ডবকা আৰক্ষীয়ে পশ্চিম জাৰুনি আৰু চন্দানপুৰ অঞ্চলত পৃথকে পৃথকে অভিযান চলাই বৃহৎ পৰিমাণৰ নিষিদ্ধ গো-মাংস সহ দুটা গৰু জব্দ কৰে। আৰক্ষীৰ সূত্ৰ অনুসৰি গোপন খবৰৰ ভিত্তিত ডবকা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰজ্যোতি শইকীয়াৰ নেতৃত্বত আৰক্ষীৰ এটা দলে পশ্চিম জাৰুনি আৰু চন্দানপুৰ অঞ্চলত অভিযান চলায়। অভিযান কালত আৰক্ষীয়ে দুটা গৰুৰ লগতে বৃহৎ পৰিমাণৰ নিষিদ্ধ গো-মাংস জব্দ কৰিবলৈ সক্ষম হয়। ইয়াৰ উপৰি অভিযানস্থলীৰ পৰা কিছু নগদ ধনো আৰক্ষীয়ে জব্দ কৰে। অভিযানৰ সময়ত গৰু কটা আৰু গো-মাংস প্ৰস্তুত কৰাৰ কামত ব্যৱহাৰ কৰা বুলি সন্দেহ কৰা দা, চুৰি আদি বিভিন্ন ধৰণৰ সঁজুলি আৰু অন্যান্য সামগ্ৰীও আৰক্ষীয়ে জব্দ কৰে। ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে দুজন লোকক আটক কৰি সোধা-পোছা অব্যাহত ৰাখিছে। উল্লেখ্য যে ডবকা আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত নিষিদ্ধ গো-মাংসৰ ব্যৱসায়ৰ বিৰুদ্ধে আৰক্ষীয়ে ধাৰাবাহিক ভাৱে অভিযান চলাই আহিছে।

### দক্ষিণ দলিজলীয়া গাঁৱত অভিযান চলাই ড্ৰাগছসহ ৩০ হাজাৰতকৈ অধিক নগদ ধন উদ্ধাৰ; দুজন আটক

# দেৰগাঁও আৰক্ষীৰ বৃহৎ সফলতা

**অসম বাৰ্তা, দেৰগাঁও, ৩ অক্টোবৰ ঃ** দেৰগাঁও আৰক্ষীয়ে ড্ৰাগছবিৰোধী অভিযানত লাভ কৰে এক উল্লেখযোগ্য সফলতা। দেৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত দক্ষিণ দলিজলীয়া গাঁৱত অভিযান চলাই আৰক্ষীয়ে এজন ব্যক্তিৰ বাসগৃহৰ পৰা সন্দেহযুক্ত ড্ৰাগছৰ লগতে ৩০ হাজাৰতকৈ অধিক নগদ ধন উদ্ধাৰ কৰাৰ লগতে দুজন ব্যক্তিক আটক কৰে। জানিব পৰা মতে, এক গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত দেৰগাঁও আৰক্ষীয়ে দক্ষিণ দলিজলীয়া গাঁৱৰ এটা বাসগৃহত অভিযান চলায়। অভিযানকালত আৰক্ষীয়ে ঘৰৰ ভিতৰৰ পৰা সন্দেহযুক্ত নিষিদ্ধ ড্ৰাগছ উদ্ধাৰ কৰাৰ লগতে নগদ ধনখিনি জব্দ কৰে। উদ্ধাৰ হোৱা নগদ ধনৰ পৰিমাণ ৩০ হাজাৰতকৈ অধিক বুলি জানিব পৰা গৈছে। অভিযানৰ সময়ত আৰক্ষীয়ে দুজন ব্যক্তিক আটক কৰি থানালৈ লৈ আহে। আটকাধীন দুয়োজনকে আৰক্ষীয়ে সোধা-পোছা অব্যাহত ৰাখিছে। উদ্ধাৰ হোৱা নিষিদ্ধ সামগ্ৰীসমূহৰ প্ৰকৃতি আৰু পৰিমাণ সম্পৰ্কে আৰক্ষীয়ে পৰৱৰ্তী সময়ত অধিক তথ্য প্ৰকাশ কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে, ৰাজ্যজুৰি ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান তীব্ৰতৰ কৰি অহাৰ সময়তে দেৰগাঁও আৰক্ষীৰ এই অভিযানক গুৰুত্বপূৰ্ণ হিচাপে বিবেচনা কৰা হৈছে। বিশেষকৈ গ্ৰামাঞ্চলত ড্ৰাগছৰ অবৈধ বেহা আৰু সৰবৰাহ ৰোধৰ ক্ষেত্ৰত আৰক্ষীৰ এনে অভিযান অব্যাহত থকাৰ মাজতে দক্ষিণ দলিজলীয়াত চলোৱা এই অভিযান তাৎপৰ্যপূৰ্ণ। ইফালে, জব্দ কৰা ড্ৰাগছ আৰু নগদ ধনৰ সৈতে আটকাধীন ব্যক্তিদ্বয়ৰ কোনো ধৰণৰ অবৈধ সৰবৰাহ চক্ৰৰ সৈতে সম্পৰ্ক আছে নেকি, সেই সন্দৰ্ভতো আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। ঘটনাটোৰ সৈতে আন কোনো লোক জড়িত আছে নেকি, সেয়াও তদন্তৰ আওতালৈ আহিব বুলি জানিব পৰা গৈছে। আৰক্ষীৰ এই অভিযানৰ পিছতে অঞ্চলটোত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। সমগ্ৰ ঘটনাৰ অধিক তথ্য আৰক্ষীৰ তদন্ত সম্পূৰ্ণ হোৱাৰ পিছতহে স্পষ্ট হ'ব।

### অৰণ্য মানৱ যাদৱ পায়েঙক চৰকাৰী খৰচত উন্নত চিকিৎসা প্ৰদানৰ আহ্বান

**দ্ৰুত আৰোগ্য কামনা বহুভাষিক কাব্যকানন আৰু কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ**

**অসম বাৰ্তা, লীলাবাৰী, ৩ অক্টোবৰ ঃ** বৃহস্পতিবাৰৰ নিশাৰ পৰা যোৰহাট চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ থকা পদ্মশ্ৰী অৰণ্য মানৱ যাদৱ পায়েঙৰ দ্ৰুত আশু-আৰোগ্য কামনা কৰিছে অসম বহুভাষিক কাব্য কানন আৰু কোচ ৰাজবংশী সংগ্ৰাম সমিতিয়ে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে অসমৰ শক্তিশালী কাব্য, সাহিত্য, সংস্কৃতিৰ সংগঠন অসম বহুভাষিক কাব্য কাননৰ সাধাৰণ সম্পাদক তথা অসম বহুভাষিক কবি সন্মিলনৰ কাৰ্যকৰী সভাপতি, বিশিষ্ট যুৱ সাহিত্যিক কাব্যপ্ৰাণ ৰূপজ্যোতি দত্ত কোচে অসম গৌৰৱ অৰণ্য মানৱ পদ্মশ্ৰী যাদৱ পায়েঙৰ দ্ৰুত আশু-আৰোগ্য কামনা কৰি পৰম কৰুণাময় প্ৰভু ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনাইছে। দত্ত কোচে মোলাই কাঠনিৰ স্ৰষ্টা পায়েঙৰ সোনকালে উন্নত চিকিৎসাৰ বিহিত ব্যৱস্থাৰ বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ অনুৰোধ জনাইছে। আন এক বিবৃতিযোগে ৰাজ্যখনৰ এক শক্তিশালী জাতীয় সংগঠন কোচ ৰাজবংশী সংগ্ৰাম সমিতি চমুকৈ কে আৰ এছ এছৰ কাৰ্যকৰী সভাপতি ৰূপজ্যোতি দত্ত কোচ, সদৌ লখিমপুৰ জিলা কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ সভাপতি ছাত্ৰ নেতা বিকাশ দত্ত, উপ-সভাপতি হেমন্ত কোচ, মিণ্টু বৰা, সাধাৰণ সম্পাদক নিতুল শইকীয়া আৰু উপদেষ্টা কুমুদ শইকীয়া, কুশল শইকীয়া, উত্তৰ লখিমপুৰ নগৰ আঞ্চলিক সমিতিৰ উপদেষ্টা বিপুল দত্ত, সভাপতি সিদ্ধাৰ্থ শংকৰ শইকীয়া, কাৰ্যকৰী সভাপতি দেৱজিৎ দত্ত আৰু সাধাৰণ সম্পাদক মানস প্ৰতিম দত্তই যোৰহাট মেডিকেল কলেজত বৃহস্পতিবাৰৰ নিশাৰ পৰাই চিকিৎসাধীন হৈ থকা অৰণ্য মানৱ পদ্মশ্ৰী যাদৱ পায়েঙৰ দ্ৰুত আশু-আৰোগ্য কামনা কৰাৰ লগতে তেখেতক চৰকাৰী খৰচত উন্নত চিকিৎসা প্ৰদানৰ ব্যৱস্থা কৰিবলৈ অসম চৰকাৰ তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ সজোৰে আহ্বান জনাইছে।

### স্থানীয় ৰাইজ আৰু আটছাৰ যৌথ প্ৰচেষ্টাত হাতে-লোটে ধৰা পৰিল এজন ব্যৱসায়ী

# শীতলপথাৰ খাপৰি গাঁৱত অবৈধ চুলাই মদৰ বিৰুদ্ধে অভিযান

**অসম বাৰ্তা, দেৰগাঁও, ৩ অক্টোবৰ ঃ** দেৰগাঁৱৰ শীতলপথাৰ খাপৰি গাঁৱত অবৈধ চুলাই মদৰ ব্যৱসায়ৰ বিৰুদ্ধে স্থানীয় ৰাইজ আৰু অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা)ই যৌথভাৱে অভিযান চলায়। অভিযানৰ সময়তে অবৈধভাৱে চুলাই মদৰ ব্যৱসায় চলাই থকাৰ অভিযোগত এজন লোকক হাতে-লোটে ধৰা পেলোৱা হয়। জানিব পৰা মতে, দীৰ্ঘদিন ধৰি অঞ্চলটোত অবৈধ চুলাই মদৰ ব্যৱসায় চলি থকাৰ অভিযোগ উত্থাপিত হৈ আহিছিল। ইয়াৰ ফলত স্থানীয় অঞ্চলটোৰ পৰিৱেশ বিনষ্ট হোৱাৰ লগতে যুৱ প্ৰজন্মৰ ওপৰতো নেতিবাচক প্ৰভাৱ পৰাৰ আশংকা প্ৰকাশ কৰি আহিছিল স্থানীয় ৰাইজে। ইয়াৰ পৰিপ্ৰেক্ষিতত স্থানীয় ৰাইজ আৰু আটছাৰ কৰ্মকৰ্তাসকলে বিষয়টো গুৰুত্বসহকাৰে লৈ অবৈধ মদৰ বিৰুদ্ধে অভিযান চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। অভিযানৰ সময়ত এজন লোকক অবৈধ চুলাই মদৰ ব্যৱসায় চলাই থকা অৱস্থাত ধৰা পেলোৱা হয় বুলি স্থানীয় সূত্ৰই জানিবলৈ দিয়ে। ঘটনাটোৰ পাছতে অঞ্চলটোত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। স্থানীয় ৰাইজে শীতলপথাৰ খাপৰি গাঁৱকে ধৰি বৃহত্তৰ দেৰগাঁও অঞ্চলত অবৈধ চুলাই মদৰ ব্যৱসায়ৰ বিৰুদ্ধে নিয়মীয়া অভিযান চলোৱাৰ দাবী জনাইছে। লগতে অবৈধভাৱে চুলাই মদ প্ৰস্তুত, মজুত আৰু বিক্ৰী কৰা কাৰ্যৰ বিৰুদ্ধে প্ৰশাসন আৰু আৰক্ষীয়ে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰো আহ্বান জনাইছে ৰাইজে। স্থানীয় ৰাইজ আৰু আটছাৰ এনে উদ্যোগে অঞ্চলটোত অবৈধ মদৰ ব্যৱসায় নিয়ন্ত্ৰণৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মত প্ৰকাশ কৰিছে একাংশ সচেতন নাগৰিকে। অৱশ্যে, ঘটনাটোৰ সৈতে জড়িত ব্যক্তিজনৰ বিৰুদ্ধে পৰৱৰ্তী আইনগত ব্যৱস্থা কি গ্ৰহণ কৰা হৈছে, সেই বিষয়ে চৰকাৰীভাৱে সবিশেষ তথ্য প্ৰকাশ পোৱা নাই।

### মুখ্যমন্ত্ৰীৰ প্ৰতিকৃতি দাহেৰে আমগুৰিত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ তীব্ৰ প্ৰতিবাদ

# বানপীড়িতক ১৫ হাজাৰ টকা নিদিয়াৰ অভিযোগ

**অসম বাৰ্তা, আমগুৰি, ৩ অক্টোবৰ ঃ** প্ৰলয়ংকাৰী বানত ক্ষতিগ্ৰস্ত ৰাইজক চৰকাৰে ঘোষণা কৰা ১৫ হাজাৰ টকাৰ ক্ষতিপূৰণ এতিয়ালৈকে প্ৰদান নকৰাৰ অভিযোগ তুলি আমগুৰিত কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে আজি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। প্ৰতিবাদকাৰীসকলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে বিভিন্ন শ্লোগান দি পৰিৱেশ উত্তাল কৰি তোলে। বানপীড়িত ৰাইজৰ অধিকাৰৰ বাবে আন্দোলন কৰা কৃষক মুক্তি সংগ্ৰাম সমিতি, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি আৰু ৰাইজৰ দলৰ নেতা-কৰ্মীক আটক কৰাৰ বিৰোধিতাও প্ৰতিবাদৰ অন্যতম কাৰণ। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় মুখ্য সাংগঠনিক সম্পাদক ঋতুমনি হাজৰিকাৰ উপস্থিতিত মুখ্যমন্ত্ৰীৰ প্ৰতিকৃতি দাহ কৰি চৰকাৰৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে সংগঠনটোৱে। তেওঁলোকৰ অভিযোগ, বানত ক্ষতিগ্ৰস্ত হোৱা বহু পৰিয়ালে ঘোষিত ক্ষতিপূৰণ আজিলৈকে পোৱা নাই। অনতিপলমে ক্ষতিপূৰণ প্ৰদান কৰিবলৈ সংগঠনটোৱে দাবী জনায়। সংগঠনটোৰ অভিযোগ অনুসৰি, বানপীড়িতৰ ন্যায্য অধিকাৰৰ বাবে আন্দোলন কৰা নেতা-কৰ্মীক আটক কৰি চৰকাৰে আন্দোলন দমন কৰিবলৈ চেষ্টা কৰিছে। তেওঁলোকে কয়, ১৯ জুলাইৰ মহাপ্ৰলয়ৰ মূল কাণ্ডাৰী হিচাপে কয়লা আৰু শিল খননৰ সৈতে জড়িত ধৰ্মেশ্বৰ কোঁৱৰ, সুশান্ত বৰগোহাঁই আৰু ময়ূৰ বৰগোহাঁইক গ্ৰেপ্তাৰ কৰিব নোৱাৰে। অথচ বানপীড়িতৰ হকে মাত মতা লোকক আটক কৰিছে। আটক কৰা কৃষক মুক্তি, ছাত্ৰ মুক্তি আৰু ৰাইজৰ দলৰ নেতা-কৰ্মীসকলক অবিলম্বে মুকলি কৰি দিবলৈও দাবী জনাই ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় উপসভাপতি ৰবীন হাজৰিকা, জিলা সভাপতি পল্লৱ শইকীয়া আৰু যোৰহাট জিলা কৃষক মুক্তিৰ সভাপতি অৰিন্দম গগৈয়ে। বানত ক্ষতিগ্ৰস্ত প্ৰতিগৰাকী পৰিয়ালে উচিত ক্ষতিপূৰণ নোপোৱালৈকে আৰু আটক কৰা নেতা-কৰ্মী সকলক মুক্তি নিদিয়ালৈকে আন্দোলন অব্যাহত ৰখাৰ হুংকাৰ দিয়ে সংগঠনটোৱে। প্ৰতিবাদ কাৰ্যসূচীত বহুসংখ্যক নেতা-কৰ্মী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন